# জাগীৰোড মহাবিদ্যালয় আলোচনী

চন ১৯৯০-৯১

-তৃতীয় বছৰৰ- তৃতীয় সংখ্যা-

Jagiroad Mahavidyalaya Alochani, Annual Literary Journal of the Student's Union, Jagiroad College, Morigaon, Edited by Ratul Thakuria & Published by M. Ahom, President, J. C. S. U.

জাগীৰোড মহাবিদ্যালয় আলোচনী
তৃতীয় বছৰ * তৃতীয় সংখ্যা * ১৯৯০ - ৯১ *
জাগীৰোড

সম্পাদক : **ৰাতুল ঠাকুৰীয়া**
তত্ত্বাবধায়ক : **হেম চুতীয়া**

**সম্পাদনা সমিতি :**
অধ্যক্ষ, মহেন্দ্ৰ আহোম
প্ৰবক্তা, পবন গগৈ
প্ৰবক্তা, ডঃ সুভাষ সাহা
প্ৰবক্তা, দীপকজ্যোতি বৰুৱা
প্ৰবক্তা, মধুমিতা পাল

**বেটুপাত পৰিকল্পনা :**
ডঃ সুভাষ সাহা

**আলোকচিত্ৰ :**
মৃদুল ফুকন

**অঙ্গ সজ্জা :**
হেম চুতীয়া
ৰাতুল ঠাকুৰীয়া

**মুদ্ৰণ :**
নিউ প্ৰিণ্টাৰ্চ, জাগীৰোড-৭৮২৪১০

52

# শোকাঞ্জলী

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ অজয় ডেকা, মণ্টু পাটৰ, পঙ্কজ ডেকা, সৌমিত্ৰ বসু তথা ছাত্ৰী কৃষ্ণা দেৱীয়ে অকালতে মৃত্যুক সাবটি ললে। আমি তেওঁলোকৰ অকাল বিয়োগত গভীৰ অশ্ৰু অঞ্জলী যাচিছোঁ, তেওঁলোকৰ বিদেহী আত্মাই যেন চিৰশান্তি লাভ কৰে।

# সম্পাদকীয়

মানৱ ইতিহাসৰ প্ৰাৰম্ভৰ পৰা আজিৰ যন্ত্ৰ মানৱলৈ এইছোৱা বিশাল বিৱৰ্ত্তনৰ পথত জীৱনৰ বহুলানি সংজ্ঞা সলনি হৈ গৈছে। স্বাভাৱিকতেই মানৱ ইতিহাসৰ বিকাশশীল এই ধাৰাটো অক্ষুণ্ণ ৰখাৰ বাবে আমি জন্মসূত্ৰে দায়বদ্ধ। কিয়নো ক্ৰমবিৱৰ্ত্তনৰ ফলস্বৰূপেই মানুহৰ পৃথিৱীখন ন-ন-ৰূপলৈ ৰূপান্তৰিত হয়। পুৰণিৰ জঁকাত বৰ্ত্তমানৰ হেঙুল হাইতালৰ বোলেৰে প্ৰতিষ্ঠিত কৰে মানুহৰ চিন্তাক— শিল্পক তথা মানুহৰ পৰিৱৰ্ত্তিত সাংস্কৃতিক।

আজি বিজ্ঞানৰ চৰম উন্নতিৰ দিনতো আমাৰ মাজত গা কৰি উঠিছে ক্ষুদ্ৰ জাতি গঠনৰ প্ৰক্ৰিয়াই। গঠনমুখী বৈজ্ঞানিক আৰু যৌক্তিক চিন্তাচৰ্চ্চাৰ পৰিবৰ্ত্তে আমাৰ চিন্তা ভাঙোনমুখী আৰু ৰক্ষণশীলতাৰ মাজতে সীমাবদ্ধ হৈ আছে। সামাজিক চিন্তাৰ এনে অৱক্ষয় দেশ তথা জাতিৰ বাবে অভিশাপ। সাতামপুৰুষীয়া সোণসেৰীয়া অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। বিভিন্ন জনগোষ্ঠিৰ কৃষ্টি-সংস্কৃতিয়ে অসমীয়া জাতি সত্বাৰ গঢ় দিছে। কিন্তু অতি দুঃখৰ বিষয় আমাৰ সামাজিক দূৰদৃষ্টিহীনতাই সৃষ্টি কৰিছে পৰস্পৰৰ মাজত ভুল বুজাবুজিৰ। অৰ্থনৈতিক আৰু সংস্কৃতিক দিশত ভেঁটি শক্তিশালী কৰাৰ ওপৰতে জাতিটোৰ সামগ্ৰিক অস্তিত্ব নিৰ্ভৰ কৰিছে। গতিকে আমাৰ মাজত কোনোবাই উচাত্মীকা মনোভাৱ গ্ৰহণ কৰিলে ক্ষতি সাধন কৰা হব জাতিটোৰহে। সাহিত্য শিক্ষা তথা সাংস্কৃতিক সংকট আৰু সামাজিকভাবে জাতিৰ সংকট দূৰ কৰাৰ প্ৰচেষ্টা অবিহনে দেশ আৰু সমাজৰ অস্তিত্ব সময়ৰ বুকুত জাহ যাব। অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক দিশত ভেঁটি এতিয়াই শক্তিশালী কৰিলেহে জাতিটোৰ অস্তিত্ব স্থায়ী হব।

**পৰিৱেশ শিক্ষা ব্যৱস্থা আৰু শিক্ষাৰ্থী—** দেশৰ এই জটিল সংকটত গুলী-বাৰুদৰ ধোঁৱাই আজিৰ শৈক্ষিক পৰিবেশ ৰিনষ্ট কৰি পেলাইছে, তাক বঢ়াই নকলেও সহজে অনুমেয়। শিক্ষাৰ বাবে সাহিত্য সাংস্কৃতিৰ চিন্তা চৰ্চ্চাৰ বাবে এখন সুস্থিৰ সমাজ আৰু এটা উপযুক্ত পৰিবেশ অতিকৈ প্ৰয়োজন। আজিৰ এই দূষিত পৰিবেশে অকল শিক্ষাৰ ক্ষেত্ৰতে ব্যাঘাত জন্মোৱা নাই, ই সম্পূৰ্ণ মানৱ সত্বাক বিচলিত কৰিছে। কবি, সাহিত্যিক, সমালোচক সকলক

মানসিক উৎকৰ্ষ সাধন আৰু প্ৰজন্ম চিন্তা-চৰ্চ্চাৰ পৰা সাময়িকভাবে হলেও বিষণ্ণ কৰি তুলিছে। সেয়েহে পৰিবেশ সংস্কৰণত মানৱ সত্বাক যুক্তিনিষ্ঠ কৰি তোলাতো বাৰুকৈ প্ৰয়োজন হৈছে।

আজি এই কুৰি শতিকাত ভৰি দিয়া বিশ্বৰ প্ৰায় বোৰ দেশৰ শিক্ষা ব্যৱস্থাই আত্ম সন্তুষ্টি লাভ কৰি ঢাক-ঢোল বজাইছে। ভাৰতীয় শিক্ষা ব্যৱস্থাৰো সেই একেই অৱস্থা। ইয়াৰ মূলতেই হৈছে সুবিধাবাদৰ ৰাজত্ব। বিগত হাজাৰ হাজাৰ বছৰে ভাৰতীয় দৰ্শনে আমাক কি কি দিলে, কি শিকালে? যুক্তিতকৈ বিশ্বাসক আমি সকলোৱে প্ৰাধান্য দি ভুলকেই ভাল বুলি আত্ম সন্তুষ্টি লাভ কৰি আহিছো। অপ্ৰিয় হলেও সত্য যে ভাৰতীয় শিক্ষাই আমাক ক্ৰমান্বয়ে ঘোৰ অন্ধকাৰৰ মাজলৈ ঠেলি দিছে। ইয়াৰ প্ৰমাণ, সাক্ষ্য দিব লাখ লাখ ডিগ্ৰী ডিপ্লোমাধাৰী শিক্ষিত নিবনুৱাই। আমাৰ পাঠ্যপুথিৰ সকলো জ্ঞান আদৰ্শ যেন মুখস্থ কৰি পৰীক্ষাত লিখিবৰ বাবে অথবা সুবিধা বুজি পাণ্ডিত্য জাহিৰ কৰিবৰ বাবেহে ভাৰতীয় শিক্ষা ব্যৱস্থা, যাৰ ফলস্বৰূপে বৰ্ত্তমানৰ সামাজিক গাঁঠনিৰ পৃষ্টপোষকতাৰ এটা আত্মক্ষয়ী ' আত্ম প্ৰতিষ্ঠাবাদে ( Careerism ) মূৰ দাঙি উঠিছে আৰু সেইবাবেই এটা "সুবিধাজনক" সংস্থান পালে লগে লগে বেছি ভাগ চোকা মগজুৰ ছাত্ৰ-ছাত্ৰীয়ে জ্ঞান লাভৰ স্পৃহা স্তব্ধ কৰি, ক্ষমতা আৰু অৰ্থ লাভৰ বজাৰৰ দৰ-দামত উঠি পৰি লাগে। কিয়নো নিজৰ নিজৰ উন্নতি (Career Development) হলেই সমাজ আৰু দেশ চহকী হব! পৰিতাপৰ কথা যে এই শ্ৰেনীৰ যুক্তিৰ অজুহাতত সামাজিক দায়বদ্ধতা অস্বীকাৰ কৰি আজি আমি সকলো ক্ষেত্ৰতে দুৰ্নীতি আৰু অবিশ্বাসৰ বিষ-বাষ্প বিয়পাই আছো; যাৰ ফলত গতিশীল জগতখনৰ লগত খাপ খাব নোৱাৰা দেশৰ আৰ্থসামাজিক অস্থিৰতাৰ পৰিবেশ্ নিকা কৰিব নোৱাৰা এক গতিহীন শিক্ষা ব্যৱস্থা আমাৰ ওপৰত জাপি দিয়া হৈছে। বিভিন্ন জাতি সত্বাৰ সংকট নিতান্তই অৰ্থনৈতিক যদিও এই ক্ষেত্ৰত শিক্ষা ব্যৱস্থাৰ কৰণীয় নথকা নহয় বুলি ভাবিবৰ থল আছে। গতিকে ভাৰতীয় এই বিকলাঙ্গ শিক্ষা ব্যৱস্থাৰ সংশোধনী অথবা বিকল্পৰ প্ৰয়োজন হৈছে। অৱশ্যে শিক্ষা ব্যৱস্থাত আমূল পৰিবৰ্ত্তন নঘটিলেও সংশোধনৰ লেখিয়া কাৰ্য্য উজু নহব।

শিক্ষাৰ্থীসকলেও নিজক প্ৰতিষ্ঠিত কৰাবৰ বাবে প্ৰয়োজন হব দুৰ্ব্বাৰ চেষ্টা, উচ্চ আকাঙ্খা, স্ব-কৰ্ম্মৰ প্ৰতি একাগ্ৰতা। ইচ্ছা শক্তিৰ অবিহনে আমি আমাৰ সাফল্যৰ কথা ভাবিব নোৱাৰো। আজি এই "ক্ৰান্তি কাল"ৰ সময়ত শিক্ষাৰ্থীৰ মানসিকতা অবক্ষয় হোৱাটো একো অস্বাভাৱিক নহয়। তথাপিও আমি শিক্ষাৰ্থীসকলে সামাজিক প্ৰমূল্যক আগত ৰাখি আত্মসমালোচনা, বস্তুনিষ্ঠ চিন্তা চৰ্চ্চাৰে জাতীয় সাহিত্য সংস্কৃতিৰ প্ৰতি চোকা দৃষ্টি ৰাখিব লাগিব। কিয়নো কবি, সাহিত্যিক আৰু সমালোচক সকলেই দেশ আৰু জাতিৰ দিক নিৰ্দ্ধাৰক।

**আলোচনীৰ প্ৰসঙ্গত ঃ** সাহিত্যক যদি সমাজৰ প্ৰতিফলক তথা পথ প্ৰদৰ্শক, জাতিৰ সংস্কৃতিক প্ৰমূল্যৰ আধাৰ স্বৰূপ বুলি আখ্যা দিয়া হয় তেন্তে আধুনিক যুগৰ বিভিন্ন গ্ৰন্থ, বাৰ্ত্তালোচনী বা মহাবিদ্যালয় এখনৰ মুখপত্ৰ এখন হৈ পৰিব এই সকলোবোৰৰ বাহক। সেয়েহে

এনে এক প্ৰত্যাহ্বান স্বৰূপ লক্ষ্য আগত ৰাখিয়েই আমাৰ দৰে চালুকীয়া শিক্ষানুষ্ঠানটিৰ এয়া হ'ল তৃতীয় প্ৰয়াস। অনুষ্ঠানটিত সকলোৰে বাবে সাহিত্য চৰ্চাৰ এটি পৰিবেশ সৃষ্টিৰ মহান উদ্দেশ্যেৰে এখনি "প্ৰাচীৰ পত্ৰিকাৰো" ( Wall Magazine ) আৰম্ভ কৰা হয়, দ্বাদশ বাৰ্ষিক উত্তৰ পূৰ ভাৰত বুৰঞ্জী ( NEIHA ) সন্মিলনৰ লগত ৰজিতা খুৱাই। আশা ৰাখিছো এই দুয়োখন পত্ৰিকাই সাহিত্যিক, সমালোচক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ পৰা সমাদৰ পোৱাৰ লগতে ই সামাজিক চেতনাৰ পূৰ্ণ বিকাশ কৰিব। সৌন্দৰ্য্যবোধৰ উপলব্ধিত প্ৰেৰণা যোগাব।

সম্পাদনাও এবিধ ক'লা। সম্পাদনাৰ এই গুৰুদায়িত্ব পালনৰ বাবে অশেষ কষ্ট আৰু শ্ৰম কৰিব লগীয়া হয়। ছাত্ৰ-ছাত্ৰী সকলক লেখা বিচৰাৰ পৰা বিভিন্ন জনক অনুৰোধ কৰা, লেখক-লেখিকা, অংকনকাৰী, কৰ্ম্মচাৰী আৰু কৰ্তৃপক্ষৰ সৈতে অহৰহ যোগাযোগ কৰা, বানান শুধৰণী, অংগসজ্জা, প্ৰেছ কপি প্ৰস্তুত কৰা, প্ৰুফ চোৱা ইত্যাদি কামবোৰ স্বয়ং চালিত যন্ত্ৰৰ দৰে কৰিব লগীয়া হয়। ফলত অনিচ্ছাকৃত ভুল ত্ৰুটি ৰৈ যাবও পাৰে।

**শ্ৰদ্ধাৰে সোঁৱৰিছো :** যি সকল ছাত্ৰ-ছাত্ৰীৰ লিখনিৰে মুখপত্ৰখন উজলাই তুলিলে তেওঁলোকলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বহু কেইজন শিক্ষা গুৰুৱে ব্যস্ততাময় জীৱনৰ বহুমূলীয়া সময় খৰচ কৰি লিখনি দিয়াৰ ওপৰিও লিখনি সমূহ চাই মেলি দিলে, তেখেত সকললৈ শ্ৰদ্ধা নিবেদিছোঁ। মোৰ সোঁহাত স্বৰূপ আলোচনীৰ তত্বাবধায়ক মাননীয় হেম চুতীয়া চাৰলৈ গভীৰ শ্ৰদ্ধা জনাইছো। অশেষ কষ্ট স্বীকাৰ কৰি আলোচনীখন সৰ্বাঙ্গ সুন্দৰকৈ ছপা কৰি উলিওৱাৰ বাবে নিউ প্ৰিণ্টাৰ্চৰ সমূহ কৰ্ম্মীবৃন্দলৈ কৃতজ্ঞতা যাচিলো আৰু বিভিন্ন সময়ত অবিহনা যোগোৱা ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীবৰ্গলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি মুখপত্ৰখনৰ দীৰ্ঘায়ু কামনা কৰি ভৱিষ্যতে উজ্বলৰ পৰা উজ্বলতৰ "মুখপত্ৰ"ৰ দুৰ্ব্বাৰ আশা ৰাখি সম্পাদকীয় সামৰিছো।

'জয়তু জাগীৰোড মহাবিদ্যালয়'

**ৰাতুল ঠাকুৰীয়া**

সম্পাদক

## : জাগীৰোড মহাবিদ্যালয় সম্পৰ্কে
## UGC ৰ শিক্ষা বিশেষজ্ঞৰ একাষাৰ

বিশ্ববিদ্যালয় অনুদান আয়োগ ( UGC ) ৰ উত্তৰ পূৰ্বাঞ্চলৰ মহাবিদ্যালয় সমূহলৈ পৰিদৰ্শণৰ বাবে অহা এটি বিশেষজ্ঞ দলে যোৱা ইং ২৭ / ২ / ৯২ তাৰিখে আমাৰ মহাবিদ্যালয় পৰিদৰ্শণ কৰি যায়। আমাৰ নিচিনা শিক্ষানুষ্ঠানৰ বাবে তেখেত সকলৰ আগমণ বিশেষভাবে তাৎপৰ্য্যপূৰ্ণ তথা গৌৰৱৰ বিষয়।

মহাবিদ্যালয় সম্পৰ্কে তেখেত সকলে দাঙিধৰা মূল্যবান মতামতক সন্মান জনাই আমাৰ শুভাকাংখী তথা ছাত্ৰ-ছাত্ৰী সকলৰ বাবে ইয়াত লিপিবদ্ধ কৰা হ'ল। ( সম্পাদক )

27th Feb. '92
**JAGIROAD**

I visited the College this evening and was highly impressed by what is being done over here. This college has many problems of its own, but it has one thing that many of us lack in and this is sincerity and dedication. I am sure, with this sincerity and dedication this college one day will make its mark in the academic world of our country. I wish well to the teachers, staff, students and above all to the dynamic principal of this college.

*Sd/- Amal Kr. Mukhopadhyay*
Principal, Presidency College
CALCUTTA

27th Feb. '92
**JAGIROAD**

I am very happy to visit this College and impressed to learn about the attempts of the Principal & Staff and local people in mobilising resources for this institution. Let this institution grow as a college of higher learning with relevant knowledge, skill and human values under the leadership of the Principal. I wish the college to grow as a great centre of excellence in all areas keeping due regards to the fulfillment of the local, regional and national needs.

*Sd/- Dr. Manoranjan Sarkar*
Joint Secretary, UGC
NEW DELHI
Phone : 3716360

"গদ্য সাধনা মোৰ কাৰণে জীৱনৰেই সাধনা, কাৰণ গদ্যৰ সাধনাই মোক পৰিশ্ৰমী, নিয়মানুৱৰ্ত্তী আৰু কষ্ট সহিষ্ণু হবলৈ শিকাইছে। গদ্যৰ সাধনাই মোক বিনয়ী হবলৈকো শিকাইছে, কাৰণ শব্দবোৰৰ লগত অবিৰাম যুদ্ধ কৰি কৰি আৱিস্কাৰ কৰিছো মোৰ ক্ষুদ্ৰতা, দুৰ্বলতা আৰু অসমৰ্থতা"।

—হোমেন বৰগোহাঞি

# প্ৰবন্ধ শিতান

যি সকলৰ লেখা আছে ঃ নন্দেশ্বৰ কাঠাৰ / পূৰ্ণকান্ত শইকীয়া / বাবুল মালাকাৰ / ডিম্বেশ্বৰ ডেকা / অনিল পাঠক / প্ৰবক্তা মহীধৰ গোস্বামী / প্ৰবক্তা খগেন শৰ্ম্মা / বিৰাজ বৈশ্য।

# অসমীয়া সংস্কৃতিত জনজাতিৰ অৱদান

**শ্ৰীনন্দেশ্বৰ কাঠাৰ**
স্নাতক তৃতীয় বাৰ্ষিক, ক'লা

কোনো জাতি বা গোষ্ঠীৰ "সংস্কৃতি" (Culture) ৰ কথা আলোচনা কৰিবলৈ যোৱাৰ আগতে সংস্কৃতিনো কি আৰু কাক বোলে, ইয়াক জনাটো দৰকাৰ। কিয়নো সংস্কৃতি শব্দৰ প্ৰকৃত অৰ্থ নজনাকৈ এই বিষয়ে আলোচনা কৰাটো অমূলক। তথাপি সংস্কৃতিৰ সংজ্ঞা তপৰাই দিয়াটোও কঠিন। সংস্কৃতিৰ সৰ্ব্বসন্মত সংজ্ঞা আচলতে কি ? তথ্যমতে কোৱা হৈছে যে বৰ্তমান শতিকাৰ প্ৰায় পঞ্চম দশকৰ পৰাহে "সংস্কৃতি" শব্দটো বহুলভাৱে ব্যৱহাৰ হৈছে। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু তেখেতৰ সমসাময়িক লেখক সকলেও 'কালচাৰ' (Culture) শব্দটো ব্যৱহাৰ কৰিছিল, যাৰ অসমীয়া প্ৰতিশব্দ হ'ল 'সংস্কৃতি'। সাম্প্ৰতিক কালৰ ভাষাবিদ আৰু মানৱ বিজ্ঞানী (Humanist) ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ে 'কালচাৰ' (Culture) শব্দটো ব্যৱহাৰ কৰিছিল। অসমীয়া 'কৃষ্টি' শব্দটোৱে Culture ৰ চাহিদা পূৰণ কৰিব খুজিছিল যদিও সমৰ্থ হোৱা নাছিল। কিয়নো কৃষ্টি শব্দই কেৱল কোনো মানৱ জাতিয়ে কৰা কৰ্মৰ সমষ্টিকে বুজায়। ই জাতীয় জীৱনৰ লগত ওত-প্ৰোত ভাৱে জড়িত হৈ থকা চিন্তা, কল্পনা আদি মূখ্য কথাখিনিক সাঙুৰি লবলৈ অপাৰগ হোৱাৰ হেতুকে বৰ্তমান কালত 'কৃষ্টিৰ' ঠাইত 'Culture' শব্দৰ অধিক অৰ্থ ব্যঞ্জক শব্দ হিচাপে অসমীয়া প্ৰতিশব্দ 'সংস্কৃতি' লোৱা হৈছে। সংস্কৃতিৰ বিষয়ে বিভিন্ন সময়ত বেলেগ বেলেগ লেখকে অধ্যয়নৰ দিশ লৈ সংস্কৃতিৰ সংজ্ঞা বিভিন্ন ধৰণে দি আহিছে। ইয়াত আমি ই বি টেইলৰে দিয়া সংজ্ঞাটোকেই উল্লেখ কৰিব লাগিব। কাৰণ ইয়াকেই সৰ্ব্ব-সন্মত সংজ্ঞা হিচাপে মানি লোৱা হৈছে। তেখেতে আদিম সংস্কৃতি Primitive Culture নামৰ পুথিখনত দিয়া সংজ্ঞামতে— "সংস্কৃতি এনে এটা জটিল ৰূপ য'ত জ্ঞান, বিশ্বাস, নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ, অন্যান্য সামৰ্থ্য আৰু সমাজৰ লোক হিচাবে মানুহে আহৰণ কৰা অভ্যাস আদিক সামৰি লোৱা হয়"। গতিকে দেখা যায় 'সংস্কৃতিৰ'

যোগেদি একোটা জাতিৰ বা গোষ্ঠীৰ সকলো-বোৰ দিশ প্ৰতিফলিত হয়। অসমীয়া সংস্কৃতিক আমি বিশেষ এটা স্বকীয় সংস্কৃতিৰ ধাৰাৰে সততে আঙুলিয়াই দিব নোৱাৰোঁ। সাধাৰণতে অসমীয়া সংস্কৃতিৰ অংশ হিচাপে গামোছা, জাপি আৰু শৰাই আদি উপহাৰ দিয়া হয়। কিন্তু অসমীয়া সংস্কৃতি বুলিলে কেৱল গামোছা, জাপি আৰু শৰাই আদিতে আৱদ্ধ হৈ থাকিব নোৱাৰে। ইয়াৰ লগতে বিভিন্ন আনুসঙ্গিক দিশবোৰো থাকিব লাগিব, যাক আমি বাৰে বৰণীয়া সংস্কৃতি বুলি কব পাৰো।

অসমীয়া সংস্কৃতি কোনো এটা গোষ্ঠীৰ মাজত আৱদ্ধ নহয়। ইয়াৰ অৱদানৰ কথা যদি আমি চাবলৈ যাওঁ; তেতিয়া হ'লে অসমৰ জনজাতি অৰ্থাৎ ভূমিপুত্ৰ সকলৰ অৱদান একেবাৰে কম বুলিব নোৱাৰোঁ। ইতিহাসে প্ৰমান কৰি দেখুৱাইছে যে অসমৰ সম্পৰ্ক অতীততে পশ্চিমীয়া সভ্যতা সংস্কৃতিৰ লগত নাছিল। কোৱা বাহুল্য যে ইয়াৰ সম্পৰ্ক কেৱল প্ৰাচ্য দেশবোৰৰ লগত হে আছিল। দক্ষিণ পূৰ্ব এচিয়াৰ পৰা অহা বিভিন্ন জনগোষ্ঠীৰ লোকেই অসমৰ সভ্যতা সংস্কৃতিৰ প্ৰাণ প্ৰতিষ্ঠা কৰিছিল। তিৰ্ব্বতবৰ্মী আৰু মঙ্গোলীয় সকলেই মূলত অসমত অসমীয়া জাতি গঢ়ি তুলিছিল। এওঁলোকেই উন্নত জীৱন ধাৰণৰ মান শিকাইছিল। অসমীয়া জাতীয় জীৱনৰ লগত জড়িত এনেকুৱা এটা দিশ নাই; য'ত জনজাতি সকলৰ সভ্যতা সংস্কৃতিৰ প্ৰভাৱ পৰা নাই। সকলো ক্ষেত্ৰতে জনজাতি সকলৰ প্ৰভাৱে ভাৰতৰ ভিতৰতে অসমক এক স্বকীয়া মৰ্য্যাদা দিব পৰা সংস্কৃতি গঢ়ি তুলিছিল। উল্লেখযোগ্য যে প্ৰায় সপ্তম শতিকাতে চীনা পৰিব্ৰাজক হিউৱেনচাঙে অসমীয়া ভাষাক মধ্য ভাৰতৰ বিভিন্ন জনগোষ্ঠীৰ ভাষাৰ পৰা পৃথক কৰিছিল।

ভাষাৰ দৰে অসমৰ জনসাধাৰণে সাজ-পোছাক পৰিধান কৰা, গহনা গাঠৰি তথা আ-অলংকাৰ পিন্ধা, ঘৰ-দুৱাৰ নিৰ্মাণ কৰা, কৃষি কৰ্ম কৰা ইত্যাদিত জনজাতি সকলৰ প্ৰভাৱেই সৰ্ব্বাধিক। চাদৰ লোৱা, ৰিহা মেখেলা পিন্ধা, ধান বোৱা, ঘৰ-দুৱাৰ নিৰ্মাণ কৰা, তামোল খোৱা, চুঙা পিঠা পুৰা, খাৰ খোৱা, খৰিচা খোৱা, এড়ি মুগা পোহা, তাঁত বোৱা, জাপি লোৱা, কেৰুমণি পিন্ধা, ঢোল-পেঁপা, গগণা বজোৱা, নলা খান্দি খেতি পথাৰত পানী যোগান ধৰা, কপাহৰ পৰা সূতা কাটি কাপোৰ বোৱা ইত্যাদি জনজাতি সকলৰ অৱদান মাথোন। সেই কাৰণে ড° বাণীকান্ত কাকতিয়ে অসমৰ সভ্যতা-সংস্কৃতি জনজাতি সকলৰ অৱদান বুলি যুক্তি প্ৰদৰ্শণ কৰিছিল। আন হাতে বিৰিঞ্চি কুমাৰ বৰুৱাই কৈছিল যে— অসমীয়া মানুহৰ সংস্কৃতিৰ প্ৰধান অংগ তামোল পাণৰ ব্যৱস্থা অষ্ট্ৰিক সকলৰে অৱদান। ঠিক তেনেকৈ ঝুম খেতিৰ উদ্ভাৱকো অষ্ট্ৰিক সকলকে বুলি কোৱা হয়। বনৰীয়া হাতীক ধৰি আনি ঘৰচীয়া কৰাৰ ব্যৱস্থাও অষ্ট্ৰিক সকলেই প্ৰথমে উদ্ভাৱন কৰে। নাওঁ সজা, নাঁৱৰ ব্যৱহাৰ ইত্যাদিও পোণতে অষ্ট্ৰিক সকলেই ব্যৱহাৰ কৰিছিল। যিদৰে তিৰ্ব্বতবৰ্মী সকলে বাঁহেৰে সজা অন্যান্য সজুলিৰ নমুনা দেখুৱাইছিল, তাৰ জৰিয়তে সভ্যতা সংস্কৃতিকো আগবঢ়াই দিছিল। তিৰ্ব্বত-বৰ্মী নিজকে ৰামৰ বংশধৰ বুলি কোৱা কাৰ্বি সকলে বাঁহ, খেৰ আৰু কাঠেৰে ঘৰ সজাৰ নিৰ্দৰ্শন দেখুৱাইছিল। কোৱা বাহুল্য যে ব্ৰহ্মপুত্ৰ উপত্যকাত পোণ প্ৰথমে এওঁলোকেই

গ্ৰাম্য সমাজ ব্যৱস্থা গঢ়ি তুলিছিল । বাঁহ কেৱল ঘৰ সজা কামত ব্যৱহাৰ কৰা নাছিল, ইয়াৰ পৰা গগনা, টকা, পেঁপা, খৰাহী, পাচি, কুলা, চালনী ইত্যাদিও এওঁলোকেই ব্যৱহাৰ কৰিছিল ।

সংস্কৃতিৰ ক্ষেত্ৰত জনজাতি সকলৰ বিস্তৰ অৱদান থকাৰ কথা কোনোমতে পাহৰিব নোৱাৰি । ভোৰ্‌তাল্‌, নাগাৰা আদি জনজাতি অৰ্থাৎ মঙ্গোলীয় সকলৰেই অৱদান । এইটো সকলোৰে জ্ঞাত যে অংকীয়া নাটৰ সূত্ৰধাৰে যি পোচাক ব্যৱহাৰ কৰে, বড়ো, খাচী, তিৱা (লালুং), কাৰ্বি, টাই আদি জনগোষ্ঠীয়ে ব্যৱহাৰ কৰা পোচাকৰ লগত সাদৃশ্য থকা দেখিবলৈ পোৱা যায় । বড়ো জনজাতিৰ খেৰ নৃত্য, ওজাপালি আৰু সত্ৰীয়া নৃত্যৰ লগত মিল থকা দেখিবলৈ পাওঁ । খেৰাই পূজাত পৰিবেশন কৰা "জাৰাই পাগ্ৰা" নৃত্যক বিষ্ণুপ্ৰসাদ ৰাভাই নতুন ৰূপ দি তাণ্ডৱ নৃত্যত স্বকীয়া ৰূপ বা মৰ্য্যদা প্ৰদান কৰে । আন হাতে 'দেৱদাসী" নৃত্যৰ লগত "খেৰ" পূজাৰ "দৌদিনীৰ" সাদৃশ্যও মন কৰিব লগীয়া । বিভিন্ন নৃত্যৰ উপৰিও অসমৰ জাতীয় উৎসৱ বিহুও এই জনজাতি সকলৰে অৱদান । বহাগ বিহুক 'বৈশাখ' বা বৈশাখী বুলি কোৱাৰ কথাও মন কৰিব লগীয়া । বহাগ বিহুৰ অন্যতম দিশ 'হুঁচৰি' শব্দটো কছাৰী ভাষাৰ 'হাছুৰি' শব্দৰ পৰা অপভ্ৰংশ হোৱাটো সকলোৰে বিদিত । কোৱা বাহুল্য যে 'হ' বা 'হা' আদি থকা অসমীয়া শব্দবোৰ প্ৰায়ে বড়ো, কছাৰী, ডিমাছা, কাৰ্বি আৰু তিৱা লোক সকলৰ ভাষাৰ পৰা উৎপত্তি হোৱা বুলি কোৱা হয় । ড° কাকতিয়ে কৈছিল যে— 'হা' মানে পৰ্ব্বতৰ মাটি আৰু বিষ্ণু ৰাভাই 'হা' মানে পৃথিৱীৰক বুজাইছিল । সেয়া যি কি নহওক কিয় 'হাঁছাৰি' বা 'হুঁচৰি' শব্দই মাটিৰ লগত সম্পৰ্ক থকাৰ কথাকে কৈছে । আমি জানো যে অসমীয়া সভ্যতা সংস্কৃতিও গঢ়ি উঠিছে কৃষি আৰু মাটিক লৈয়ে । বহাগ বিহুৰ সময়ত বিধে বিধে শাক-পাচলি বুটলি আনি আঞ্জা তৈয়াৰ কৰি খোৱাৰ নিয়ম 'ডিমাছা' সকলেই প্ৰচলন কৰিছিল । বহাগ বিহুৰ দৰে মাঘ বিহুকো বড়ো সকলে 'মাগু' বুলি কয় । মাঘ বিহুৰ আগতে গঞা ৰাইজে জাক পাতি পাতি বিলত মাছ মাৰি পথাৰত ধানখেৰে মেজি ঘৰ বা হাৰলি ঘৰ সাজি ভোজ-ভাত খোৱাৰ নিয়ম প্ৰথমে বড়ো জনজাতি সকলে প্ৰচলন কৰিছিল । মাছধৰা বিভিন্ন ধৰণৰ সজুলিও বড়োসকলেই উদ্ভাৱন কৰিছিল । উল্লেখ-যোগ্য যে জনজাতীয় সমাজত মাছক পবিত্ৰতা আৰু উৰ্ব্বৰতাৰ প্ৰতীক হিচাপে গণ্য কৰা হয় । আনহাতেদি কছাৰী সকলৰ মতে মাছ হ'ল মানুহ আৰু ভগৱানৰ বন্ধু ।

অসমত থকা বিভিন্ন জনগোষ্ঠীৰ উৎসৱ সমূহক যদি আমি গভীৰ ভাৱে অধ্যয়ন কৰো তেতিয়া পৰস্পৰৰ মাজত এটা নিবিড় সম্পৰ্ক থকা বা সাদৃশ্য থকা আমি দেখিবলৈ পাওঁ । আমি জানো যে বছৰৰ প্ৰথম ফাগুন মাহৰ প্ৰথম বুধবাৰে 'মিৰি' জনগোষ্ঠীয়ে "আলি আই লিগাং" উৎসৱ পালন কৰে । এই কালৰ পৰা বসন্ত কালৰ লগতে বছৰৰ বিভিন্ন উৎসৱ সমূহক তেওঁলোকেই আদৰি আনে বুলি কলেও বঢ়াই কোৱা নহয় । অৰুনাচলৰ বিভিন্ন জনগোষ্ঠীয়েও "ম'পিন" উৎসৱ পালন কৰাৰ কথাও আমাৰ সকলোৰে বিদিত । ঠিক তেনেকৈ 'তিৱা' (লালুং) সকলেও বিহু উৎসৱ উলহ-মালহেৰে অন্যান্য জনগোষ্ঠীৰ লগতে পালন

কৰে। আন হাতেদি কাৰ্ব্বি সকলে ফাগুন মাহত "দেউশাল" পূজা আৰু "বতৰ কিকুৰ" আদি সাৰ্ব্বজনীন উৎসৱ সমূহ পালন কৰে। কাৰ্ব্বি সকলৰ "চমাংকান" উৎসৱো এটা উল্লেখযোগ্য উৎসৱ। 'ডিমাছা' সকলে বিহুক 'বিছু' বুলি কোৱাৰ কথাও মন কৰিব লগীয়া।

অসমীয়া ভাষা গঠনৰ ক্ষেত্ৰতও খিলঞ্জীয়া জনগোষ্ঠীৰ অৱদান যথেষ্ট। 'লুইত' শব্দটো বড়ো সকলৰ 'টিলৌৰ' শব্দৰ পৰাই উদ্ধৃত কৰি অনা হৈছে। অসমীয়া ভাষাত থকা পৰ্ব্বত, পাহাৰ টিলা তথা বহুতো ঠাইৰ নাম অষ্ট্ৰিক ভাষাৰ পৰা অপভ্ৰংশ হোৱা বুলি কোৱা হয়। ঠিক তেনেকৈ 'ডিফু' বড়ো সকলৰ শব্দ মাথোন। লংকা, ডিমাপুৰ আদি শব্দবোৰো ডিমাছা কছাৰী সকলৰ শব্দৰ পৰাই অনা হৈছে। এনেদৰে বিভিন্ন জনগোষ্ঠীৰ ভাষা-সংস্কৃতিৰ সমন্বয়ৰ ফলতেই বিৰাট অসমীয়া সংস্কৃতি গঢ়ি উঠিছে। সমন্বয়ৰ মাজেদি গঢ়ি উঠা বৃহৎ অসমীয়া জাতি এডাল সূতাত কাহানিবাই মিলি গ'ল। উল্লেখযোগ্য যে বৃটিছ সকল অহাৰ আগলৈকে তেনে কোনো ভেদা ভেদ আমাৰ মাজত নাছিল। এই ক্ষেত্ৰত আহোম সকলৰ অতুলনীয় অৱদানৰ কথা উনুকিয়াব পাৰি। নিজকে অসমীয়া বুলি চিনাকী দিয়াৰ উপৰিও আহোম সকলে অসমীয়া ভাষা সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰতি সৰ্ব্বাঙ্গীন উন্নতিৰ বাবে আপ্ৰাণ চেষ্টা কৰিছিল। ইয়াৰ পিছত আৰ্য্য সকল আহি এই দেশতে আধিপত্য বিস্তাৰ কৰিবলৈ লয়। অসমীয়া ক'লা, সংস্কৃতিৰ প্ৰাণ প্ৰতিষ্ঠা কৰাৰ ধাবক আৰু বাহক তিব্বত বৰ্মী আৰু অষ্ট্ৰিক সকলেই প্ৰধান ভূমিকা গ্ৰহণ কৰে। থোৰতে আমি কব পাৰো যে থলুৱা জনজাতি আৰু অজনজাতিৰ ভাষা সংস্কৃতিৰ সমন্বয়ৰ ফলতেই উমৈহতীয়া স্বাৰ্থত গঢ়ি উঠিছে বৃহৎ অসমীয়া সংস্কৃতি। এই ক্ষেত্ৰত শিল্পী ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালায়ো কৈছিল যে "অসমীয়া জাতি সংমিশ্ৰণৰ ফলত গঢ়ি উঠা এটা জাতি;" অসমীয়া জাতিৰ স্বকীয়া আৰু বৈচিত্ৰপূৰ্ণ বৈশিষ্ট্য আছে। অনৈক্যৰ মাজতে ঐক্যৰ জয় গান গোৱা বৃহৎ অসমীয়া সকলৰ মাজত বিভাজনৰ যি মনোভাৱে গা কৰি উঠিছে তাক কেতিয়াও শুভ লক্ষণ বুলি কব নোৱাৰি। এই বিভাজনৰ মনোভাৱে আমাৰ মাজত এক গুৰুত্বপূৰ্ণ প্ৰশ্নৰ অৱতাৰণা কৰিছে। সকলোৱে মিলিজুলি পুনৰ আলাপ আলোচনাৰ মাধ্যমেৰে সমস্যা সমাধানৰ কথা চিন্তা নকৰিলে অৱশিষ্ট অসম পুনৰ টুকুৰা-টুকুৰ হব, সেয়া ধ্ৰুব সত্য !!

**"নিভাঁজ অসমীয়া ভাষাৰে কথা লিখিবা, নিভাঁজ অসমীয়া সাজপাৰ পিন্ধিবা, অনাহকত বিদেশীক অনুকৰণ নকৰিবা।"**

— লক্ষ্মীনাথ বেজবৰুৱা

Jagiroad College Library
Estd—1979
Date........
Morigaon, Assam

# অসমীয়া পটন্তৰ

**শ্ৰীপূৰ্ণকান্ত শইকীয়া**
স্নাতক তৃতীয় বাৰ্ষিক, ক'লা

যোজনা বা পটন্তৰ প্ৰকৃততে জাতীয় জীৱনৰ এক অবিচ্ছেদ্য অঙ্গ। চহা লোকৰ মাজত যোজনা, সঞ্চিত অভিজ্ঞতা আৰু জ্ঞানৰ ভঁড়াল। মানুহে বিভিন্ন পৰিবেশ নতুবা বিভিন্ন আলোচনাত যোজনা এফাঁকি মাতি কথাৰ আঁত মাৰে। যেনে—'মেলৰ ফৌজদাৰী, দেৱতাৰ বিষহৰি'। আফ্ৰিকাৰ কিছুমান মানুহৰ মাজত যোজনা আইন ৰূপে পৰিগণিত হৈছে। আমাৰ দেশত ডাকৰ বচনৰ প্ৰভাৱও আছে। উদাহৰণ স্বৰূপে ঘৰৰ জীয়াৰী উলিয়াই দিয়া বা অনাৰ ক্ষেত্ৰত কি কৰা যুগুত ডাকৰ বচন বিলাকেই কৈ দিয়ে।

মাটি কিনিবা মাজ খাল,
ছোৱালী আনিবা জাত (মাক) ভাল।
গৰু কিনিবা ৰিংটোৰ বাটত,
ছোৱালী দিবা দিনটোৰ বাটত।

এনে ধৰণৰ বহুতো বচন ডাকৰ নামত প্ৰচলিত আছে। 'ডাকৰ বচন বেদৰ বাণী'। অতি প্ৰাচীন কালৰে পৰা যোজনা বা পটন্তৰৰ ব্যৱহাৰ হৈ আহিছে। ইংৰাজী বচন এটিয়ে যোজনাৰ ওপৰত মন্তব্য কৰিছে যে জ্ঞানীয়ে যোজনা সাজে, অজ্ঞানীয়ে তাকে আওৰায়! আনহাতে ব্ৰেইল্জ দেশৰ যোজনা এটিয়ে নিৰ্দ্দেশ দিয়ে— পুৰণি প্ৰবচন সত্যৰ সন্তান। চীনদেশৰ ভাষাত যোজনা বুজাবলৈ দুটা নাম আছে, এটাৰ অৰ্থ মাৰ্জিত শব্দ বা কথা, আনটিৰ অৰ্থ প্ৰচলিত উক্তি। যোজনা বুলিলে চীন দেশত যি বুজে সংস্কৃতত প্ৰচলিত 'সুভাষিত' আৰু 'লোকোক্তি' শব্দইও তাকে সূচায়। মুলতে যোজনা বা পটন্তৰ সমূহ কথা প্ৰসঙ্গত ব্যৱহাৰ হোৱা উক্তি আৰু তাত সঞ্চিত অভিজ্ঞতা নিহিত হৈ থাকে। প্ৰকৃত যোজনাত দিহা বা নিৰ্দ্দেশ নাথাকে। ওপৰত উদ্ধৃত কৰা "মাটি কিনিবা মাজ খাল, ছোৱালী আনিবা জাত ভাল" বচন ফাঁকীক প্ৰকৃততে ইংৰাজীত MAXIM বুলি কোৱা হয়। অসমীয়াত ইয়াক 'নীতিমূলক সূত্ৰ' বুলি আখ্যা দিয়া হয়।

ভাৰতবৰ্ষত প্ৰচলিত যোজনাৰ সৰহখিনিতে নাপিত, ব্ৰাহ্মণ, বনিয়া, বেজ আৰু মাইকী মানুহৰ ওপৰত কটাক্ষ কৰা চানেকি দেখা যায়। চতুৰ্দশ শতিকাৰ মাধৱ কন্দলিৰ ৰামায়নত বহুতো যোজনা আছে।

হেনয় স্বভাৱ নিদাৰুন স্ত্ৰী জাতি।
ভাই ভাই বেলগাৱে মাজে দিয়া কাটি॥
বোঝাৰ ওচৰে শাক যেন পটন্তৰ।
বটালি নেকাটে যেন বিনা হাঠুৰিয়ে।
বৰশীয়া ৰাৱনৰ পুডাতেসে দৃষ্টি।
উজনি বাহন্তে মই বাহিলোহোঁ ভাটী।
লাভক চাহন্তে মূলক কৰিলোহোঁ নাটী।
অলপ পানীৰ সল দদৰা দদৰি।
টেণ্টন যেন চোৰ।
শিয়ালত শিঙ্গ পৰ্বতত মেৰু দেশ।

পললৰ চাবত দিগগজ বন্দী ভৈলা ।
যাণ্ডে ধান খাইলেক তাম্ভিৰ কাটে বাটি ।
আনে চুৰি কৰিলেক আনৰ চুল কাটি ।।
অন্ধলাৰ কান্ধত পেঙ্গুৰা যায় চড়ি ।
পেঙ্গুৰাৰ উদ্দেশে অন্ধলা ক.ঢ়ে ভৰি ।।

সাধুকথাৰ লগতো বহুতো বচনৰ সম্বন্ধ আছে । সংস্কৃত হিতোপদেশত থকা টোকুৰা আৰু বান্দৰৰ সাধুটোৰ লগত সম্বন্ধ থকা বচন হ'ল—

অজ্ঞানীক জ্ঞান দিয়ে মনে পায় কষ্ট ।
বাহা-খোহা ভাঙি দিয়া কৰে নষ্ট ।।

মাধৱ কন্দলিৰ যোজনা বিলাকৰ পৰা বলি দিয়া প্ৰথা, নাৰীচৰিত্ৰ, খাদ্য, জাল আৰু বৰশীৰে মাছ ধৰা কাৰ্য্য, বানিজ্য, বয়ন আদিৰ বিষয়ে সন্তেদ পোৱা যায় ।

প্ৰাচীন কালৰ চৰ্য্যাপদৰ বচন এতিয়াও অসমীয়া ভাষাত বৰ্ত্তি আছে—

আপনা মাঁসে হৰিনা বৈৰী । (ভুসুকু)
(অসমীয়া) হৰিনাৰ মাংসই বৈৰী ।
ছুহিল ছুধু কি বেন্টে সামাঅ । (ঢেণ্ডন)
(অসমীয়া) ছুৱা গাখীৰ বাঁটত সোমায়নে ?
কাটিল ঘাঅত লেম্বু ৰস দেহ কত ।
(অসমীয়া) কটা ঘাত চেঙা তেল দিয়া ।

ঠাট্টাৰ সুৰত সাধাৰণ বক্তব্য মুৰ মৰা বা কিবা কথা ব্যাখ্যা কৰা আদিতো যোজনা বা পটন্তৰ ব্যৱহাৰ কৰা হয় । যোজনা বিলাক চুটি ব্যঞ্জনা বিশিষ্ট হোৱাৰ বাবে আওবালে কানত পৰে । কেতবোৰ একে শাৰীতে শেষ হয়, কেত-বোৰ ছুশাৰী বা তিনিশাৰীৰ ।

ৰ'দ পালে ছাঁ লয়, বৰষুন দিলে শোৱে,
খেতিৰ দিন গলে মাটি ছুড়বামান বোৱে ।
ৰাতি জুহালত সাত হাল বোৱা,
দিনত সোৰোপা তুপৰলৈ শোৱা ।

কোনো প্ৰসঙ্গত কাৰোবাৰ সোৰোপালী উপলুঙা কৰিলেও ই যেন অসমীয়া জাতিটোৰ স্বভাৱৰ পৰিচায়ক । তেনেকুৱা স্বভাবৰ আভাস দিয়া এটা যোজনা হ'ল—

গাত নাই ছাল বাকলি,
পানী পিয়ে তিন টেকেলী ।

আন কিছুমান যোজনাই কোনো বিশেষ ঠাই বা লোকৰ দোষ ছুৰ্ব্বলতা প্ৰকাশ কৰে । এনে বচনত মানুহৰ ঠেক মনৰ চানেকিও প্ৰক।শ পায় ।

তিৰি মিৰি ভাটৌ কোৱা
এই চাৰিৰ আসৈ নোপোৱা ।
শিয়াল, ধৰিয়াল, মাজুলিয়াল ।
বামুন বিটলীয়া, আহোম ভেলেঙা ।
কলিতাৰ ঘন ঘন গাঁথি ।
আহোমৰ তলে পুতল ।

আন কিছুমান যোজনাই ব্যক্তি বিশেষৰ প্ৰকৃতিৰ আভাস দিয়ে । যেনে—

এনেও কানী, তেনেও কানী
ভালকৈ দিওঁ শাকত পানী ।
আপোনাৰটি মাৰিবা কিলাবা
লৰি বুলিব আই,
লোকৰটি কেতেৰাই মাতিবা
উভতি বুলিব তাই ।
যি মুলা বাঢ়িব তাৰ ছুপাততে চিন ।

পিছপৰি থকা আদিবাসী বিলাকৰ মাজত এটা অদ্ভুত প্ৰথা আছে । ঘৈনীয়েকৰ প্ৰসৱৰ সময়ত গিৰিয়েকেও তাইৰদৰে মিছা কষ্টত পাটিত

পৰি ছটিকটায় আৰু তাই খাবলগীয়া জাল-জুল খায়। এই প্ৰথাৰ নৃতাত্বিক নাম কুণ্ডাড। নগা বিলাকৰ মাজত সম্ভৱ এসময়ত এই প্ৰথাটো আছিল আৰু তাৰ সোঁৱৰণ এই যোজনাটিয়ে ৰাখি থৈছে।

নাগিনীয়ে ল'ৰা পায়,
নগাই জাল খায়।

অসমীয়াৰ মাজতো এনে প্ৰথাৰ তৰল সংস্কৰণ নাই বুলি কব নোৱাৰি; অন্ততঃ পাঁচ মহীয়া তিৰুতাক পঞ্চামৃত খোৱাবৰ সময়ত গিৰিয়েকেও তাৰ ভাগ লব লাগে। এই যোজনাটি 'আওঁসীং ধাৰ পূৰ্ণিমাত পূজা'' বুলি কোৱাৰ দৰে উপলুণ্ডাৰ ভাৱত কোৱাও হব পাৰে।

আন কিছুমান যোজনাত মানুহৰ ৰাজনৈতিক জ্ঞানৰ আভাস পোৱা যায়। কোন ৰজা হ'ল বা নহ'ল সেই বিষয়ে নিৰ্বিকাৰ ভাৱ বুজাবলৈ কোৱা হয়— 'যেই ৰজা সেই প্ৰজা'।

কোনোবা মেলত যদি কোনো নিজা মানুহ নাথাকে তেন্তে দায়ৰ পৰা অব্যাহতি পাবলৈ টান। সেই কাৰণে কোৱা হয়—

'যাৰ বাপেক মেলত নাই, সি ফকৰীয়া।'

ৰাজনীতিৰ লগত সম্পৰ্ক থকা যোজনা হৈছে—

ৰজা নাই পাটত, ধৰি কিলাই বাটত।
গড়গাঁৱৰ পিছল বাট,
বুঢ়াকো পিচিলি ডেকাকো নিচিলি,
হাতে হাতে লাখুটিপাত!
মেলত নকয় উচিত,
পাপে খায় কিঞ্চিত কিঞ্চিত।
ৰাইজৰ লগত নমৰিলেও চকু মুদিব লাগে।
নদীৰ বন নাই, খানে আৰু পোতে,
বিষয়াৰ বন নাই, ভাঙে আৰু পাতে।

কিছুমান বচনত দাৰ্শনিকতা থকা দেখা যায়।

যেতিয়া পাব কালে,
কি কৰিব বেজৰ মেলে।
মানুহে পাণ্ডে, ঈশ্বৰে ভাঙে।

পুৰণি কালত অসমীয়া সকলৰ প্ৰধান কাম আছিল নিজৰ দেশ ৰক্ষা কৰা। সেই কাৰণে কোৱা হয়—

পুৰুষ মৰে ৰণে, তিৰি মৰে বিয়নে।
পুৰুষৰ ৰণ তিৰিৰ বিয়ন।

ড° সূৰ্য্যকান্ত ভূঞাই প্ৰকাশ কৰা বুৰঞ্জী বিলাকত ৰাজনীতি মূলক প্ৰসঙ্গত যোজনা প্ৰয়োগ হোৱা দেখিবলৈ পোৱা যায়। আমি বহুতে ভাবো যে যোজনা বিলাক আজি কালি নগৰীয়া সমাজত অচল হ'ল আৰু গাঁৱৰ মানুহেহে ব্যৱহাৰ কৰে কিন্তু বুৰঞ্জীত প্ৰয়োগ কৰা দেখি এই ভ্ৰান্তি ভাঙিৰ লাগে। 'দেওধাই বুৰঞ্জী'ৰ পৰা কেইটামান চানেকি দিয়া যাওক।

একে চুঙতে বাঘ দুটাকৈ নাথাকে।
বেজি হলেহে বটিয়া, ম'ৰা হলেহে চালি
গজদন্তৰ মুকুতা-মানিক পালেসে পালি।
(পৃঃ ১৮৭)

সাগৰতনো কি নাই? (পৃঃ ১৮৭)
পহু খেদা কুকুৰে খোজ যদি পালে,
সি পহু নেপায় মানে
এৰেনে কি? (পৃঃ ১৯৪)

আন কিছুমান যোজনা ৰামায়ন আৰু মহাভাৰতৰ কাহিনীৰ লগত সম্বন্ধ আছে। যেনে—

ৰাম-ৰাৱনৰ যুদ্ধ।
ৰামও নাই অযোধ্যাও নাই।
লঙ্কালৈ গলে আটায়ে ৰাৱন।
দুৰ্য্যোধনৰ উৰুভঙ্গ।
ধনেই ধৰ্মৰ মূল জানা ধনঞ্জয়।
ধন নহলে একো কাৰ্য্য নিসিজয়।

ৰামৰ কাৰ্য্যলৈ বৈদ্যৰ হেলা ।
যাৰ সখা নাৰায়ন তাৰ কিহৰ ভয় ?

সংস্কৃত সাহিত্যৰ বচন কেতবোৰ অসমীয়াৰ মাজত জাহ গৈছে। যেনে—

ওপৰলৈ থুই পেলালে নিজৰ গাতে পৰে ।
স্ত্ৰী বুদ্ধি প্ৰলয়ংকৰী ।
অশ্বথমা হত ইতি গজ ।

অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাই দুই এটি ইংৰাজীৰ যোজনা প্ৰচলন কৰিছিল। যেনে—

ভোকেই ভাতৰ আঞ্জা ।
(Hunger is the best Sauce)

জনজাতীয় লোক সকলৰ মাজতো যোজনাৰ প্ৰচলন আছে। কছাৰী সকলৰ যোজনা বহু ক্ষেত্ৰত অসমীয়াৰ লগত অভিন্ন। অৱশ্যে অৰ্থ আৰু প্ৰকাশ ভঙ্গীৰ ক্ষেত্ৰত এই বিলাকৰ মূল ভাষা বড়ো ।

বগাভাত থাকিলে কাউৰীৰ আকাল নাই ।
ভূকি থকা কুকুৰে নাকামুৰে ।
পহু মৰে খোজত, শহা মৰে লাজত ।
মাছ মৰে টকলিওৱাত ।
নৰম মাটি দেখিলে মেকুৰীয়ে হাগে ।
মাকে চাই মুখলৈ,
ঘৈনীয়েকে চাই খোচনালৈ ।
ওখ হলে ধুমুহাই হলাই,
চাপৰ হলে ভেকুলীয়ে জপিয়াই ।
গছত উঠি চাবা,
ৰাইজ যি ফালে যায় সেইফালে যাবা ।

আও নগাৰ কেইটামান যোজনা—

কুকুৰৰ আগত মূল্যৱান বস্তু নদলিয়াবা ।
জোঙা মাৰি হাতীৰ গাত দলিয়ালে তাৰ একো নহয় ।
যেন কুকুৰ আৰু বৰাহে ককাকৰ পথাৰলৈ হাল বাবলৈ গৈছে ।

তৃতীয় বচনফাঁকীৰ আঁৰত সাধু এটি লুকাই আছে। কুকুৰ আৰু বৰাহ দুয়ো নাতিয়ে ককাকৰ পথাৰত হাল বাবলৈ গ'ল। কুকুৰ আছিল সোৰোপা, হাল বালে বৰাহে। পিছে বৰাহ ঘৰলৈ গ'লত কুকুৰে পথাৰৰ ওপৰত ইফালে সিফালে ঘূৰি মাটিত তাৰ ভৰি সাঁচ থৈ দি বুঢ়াক কলেগৈ বোলে সিহে হাল বালে। তাৰ খোজ দেখিলৈ বুঢ়াই তাক আদৰ সাদৰ কৰি ঘৰৰ ভিতৰত বাহিৰলৈ দিলে। বৰাহক দিলে খেদি। কিন্তু যিহেতু কুকুৰে ফাঁকী দিলে সেই কাৰণে তাক খাবলৈ দিয়া হয় মাটিত, আন হাতে বৰাহক খাবলৈ দিয়ে থালত বা চৰিয়াত। এই সাধুৰ আন ৰূপ ৰাঙ্গো আৰু মিৰি সকলেও কয়। তলৰ দুটি আঙ্গামী যোজনা—

ভাল আচৰনহে মাইকী মানুহৰ কেৰুমনি ।
কষ্ট কৰিলে সুপথাৰ লাভ হয় ।

দ্বিতীয়টোৰ অৰ্থ— কামিলা ছোৱালীয়ে ভাল স্বামী পোৱাটো ধ্ৰুপ কথা ।

এই বচন বিলাকত কেতবোৰৰ অৰ্থ ওপৰতে ওলাই থাকে, বাকী বিলাকৰ ব্যাখ্যা দৰকাৰ হয়, কিন্তু ব্যাখ্যা কৰি দিলে বুজিব পাৰি। অৱস্থা অনুসৰি ব্যৱহাৰ কৰিবৰ কাৰণে এই বিলাক কেনে উপযুক্ত। অসমৰ জন সাহিত্যত বুদ্ধি প্ৰসূত হাস্যৰসৰ সমলো যথেষ্ট আছে। এই বিলাকে অসমৰ অসলীয়া জন সমাজ তথা লোক সংস্কৃতিত বহুকাল ধৰি প্ৰভাৱ পেলাই আহিছে আৰু ইবিলাকৰ কিছুমান পৰিবৰ্ত্তন-উত্তৰণৰ আলি-দোসোজাত পৰি মামৰে ধৰিলেও ইয়াৰ সুসংৰক্ষণৰ মূল্য সভ্য সমাজত অবহেলিত হব নেলাগে। ●

# কবিতাৰ দুৰ্ব্বোধ্যতা

— বাবুল মালাকাৰ
গ্ৰন্থাগাৰিক জাগীৰোড মহাবিদ্যালয়

কবিতা বুলিলে আমাৰ সকলোৰে মনত কম বেছি পৰিমাণে একোটা ধাৰণাৰ উদ্ভৱ হয়— কবিতা মানে কিতাপখন বা আলোচনীখনৰ একোটা পাতৰ কোনো এটা অংশত শেষ হোৱাকৈ লিখা একোটা নিৰ্দিষ্ট ভাৱ প্ৰকাশক কিছুমান শাৰীৰ সমষ্টি। শাৰীবোৰ বেছি দীঘলীয়াও নহয়। মানুহ বুলি ক'লে আমাৰ মনত দুখন হাত, দুখন ভৰি যুক্ত যিটো ছবি ভাঁহি উঠিব- গৰু বুলি ক'লে নিশ্চয় সম্পূৰ্ণ বেলেগ জন্তু এটিৰ ছবি মূৰ্ত্ত হৈ উঠিব। ঠিক তেনেকৈ সাধাৰণ তিৰোতা বুলি ক'লে যেনেকৈ গাঁৱলীয়া কেঁচা ৰাস্তা এটাৰ কথা মনলৈ আহিব; অপেস্বৰী বুলি ক'লে মনটো জানো সৌন্দৰ্য্যৰে ভৰা জোনাকৰ দেশলৈ ধাৱমান নহয়।

গতিকে কবিতা বুলি কওঁতে আমাৰ মনত এনেকুৱা এটি ভাৱৰ সৃষ্টি হয়, যিটো গল্পৰ বিপৰীতটো। সাহিত্যৰ আটাইবোৰ উপশাখাৰ ভিতৰত ঘেনে— (গল্প, উপন্যাস, প্ৰবন্ধ আদি)। কবিতাৰ অৰ্থ হৃদয়ঙ্গম কৰিবলৈ কিছু টান। এইখিনিতে এটা কথা কৈ থওঁ যে— কবিতা আৰু পদ্য একে বস্তু নহয়। আমাৰ বহুতে ইয়াক সান-মিহলি কৰি পেলায়।

কবিতাত একোটা ওৰণি লোৱা ভাব থাকে। ইয়াক সহজে উলিয়াই আনিব নোৱাৰি। সেই বাবে ইয়াক বুজিবলৈ পাঠকে কিছু সময় ভাবিব লগীয়া হয়। কিন্তু পদ্যৰ ভাব তৰাং, লিখকে যি কবলৈ খোজে সি জল্‌জল্‌কৈ পদ্যৰ শাৰী- বোৰত ভাঁহি থাকে।

আমাৰ অসমীয়া সাহিত্যত লক্ষ্যধৰ চৌধুৰীৰ 'মোৰ লক্ষ্য' (মই গান্ধীজীৰ দৰে হম/সদায় সত্য পথত ৰ'ম....), নৰকান্ত বৰুৱাৰ 'ভাল পাওঁ' (ভাল পাওঁ আকাশৰ মেঘৰ ধেমালী/ বেলিৰ লগত থাকে লুকাভাকু খেলি), বলদেৱ মহন্তৰ সুখ নাই (সুখ নাই সুখ নাই/কত ধৰুৱাৰ.... ) আদি পদ্যৰ উদাহৰণ। আনহাতে ৰঘুনাথ চৌধাৰীৰ কেতেকী' (.... ক'ৰ পৰা তই আহিলি সোনাই/কোনদিশে যাৱ উৰি.... ), যতীন দুৱৰাৰ 'অতীতক নেযাবা পাহৰি (.... চেনেহৰ সখা মোৰ শেষ অনুৰোধ/অতীতক নেযাবা পাহৰি/সমাপি জীৱন মেলা বসুধা বুকুত যাম গ'ই যিদিনা আঁতৰি.... ) আদি কবিতাৰ উদাহৰণ। কবিতা গধুৰ ভাবযুক্ত।

কবিতা বিলাকৰ মূলভাব বিলাক ওপৰে- ওপৰে চালে বুজিব নোৱাৰি। ওপৰৰ দুয়োটা

কবিতাত ছুয়োজন কবিৰে জীৱনৰ অভিজ্ঞতা-চৰম হতাশা, তিক্ততা, বৈৰাগ্যতা আদি ভাব প্ৰকাশ পাইছে। চৌধাৰীয়ে নিজকে হয়তো কেতেকী চৰাইৰ ৰূপত কল্পনা কৰি তেওঁৰ মনৰ এই ভাববোৰ প্ৰকাশ কৰিছে; নতুবা কোনোবা প্ৰেয়সীৰ দুখত দুখী বা সমভাগী হৈ প্ৰেয়সীক কেতেকী চৰাইৰ ৰূপত কল্পনা কৰি তাই সংসাৰত খোৱা উজুটিৰ কথাবিলাক প্ৰকাশ কৰিছে। কিন্তু তাকে কৰোতে নিজে সন্মুখীন হোৱা তিক্ত অভিজ্ঞতা সমূহো কবিৰ অজ্ঞাতে কবিতাত ঠাই পাই গৈছে।

এই খিনিতে এটাকথা কৈ থোৱা ভাল যে কবি সকলে কবিতা লিখাৰ সময়খিনিত তেওঁ লোকে একেলগে এৰি এৰি বাস্তৱ আৰু কল্পনা এই দুই ৰাজ্যৰ এখনৰ পৰা ক্ৰমে আনখনলৈ অহা যোৱা কৰি থাকে। সেইবাবে এই সময়-খিনিত তেওঁলোকে কল্পনা জগতৰ পৰা কিবা উপাদানক উপলক্ষ্য কৰি কবিতা লিখি থাকোতে বাস্তৱ জীৱনৰ অভিজ্ঞতা সমূহ তাৰ আঁহে আঁহে কবিৰ অজ্ঞাতে লিপিবদ্ধ হৈ যায়।

গতিকে কবিতা বুজিবলৈ হলে পাঠকে তাৰ শব্দবোৰৰ উপৰুৱা অৰ্থবোৰ বৰ্জ্জন কৰিবলগীয়া হয়। সেইবাবে কিছুমানে কয় যে— কবিতা বুজিবলৈ হলে তেওঁ প্ৰথমতে কবি হৈ লব লাগিব। এইখিনিতে এটা প্ৰশ্ন উঠে যে কবিতা সৰ্বসাধাৰণ ৰাইজে বুজি নোপোৱাকৈ লিখিনো কি লাভ যিহেতু ইয়াক পাঠকৰ উদ্দেশ্যেহে লিখা হয়।

ইয়াৰ উত্তৰত কব পাৰি যে কবিয়ে প্ৰথমতে পাঠকৰ উদ্দেশ্য আগত ৰাখি কবিতা নিলিখে। লিখে নিজৰ অন্তৰত উথলি উঠা ভাৱৰাশিৰ কামোৰৰ পৰা ৰক্ষা পাবলৈহে। গতিকে পাঠকৰ আগত কবিতা উলিয়াই দিয়া কথাটো লিখি উঠাৰ পিছৰ পৰ্য্যায়তহে আহি পৰে। অৱশ্যে ব্যৱসায়িক ভিত্তিৰ কবিৰ কথা বেলেগ। সি-বিলাকৰ কবিতাত হৃদয় তলিৰ প্ৰকৃত তেজ-মঙহৰ গোন্ধ পোৱা নাযায়। আমাৰ আলোচনাৰ মূল কথা হ'ল— কবিতা বোৰৰ দুৰ্ব্বোধ্যতাৰ কাৰণ কি ? ইবোৰৰ সাথৰ ভঙাৰ উপায়নো কি ?

ওপৰত কৈ অহা হৈছে যে কবিয়ে কবিতা লিখে একমাত্ৰ নিজৰ বাবেহে। তাক যদি সৰ্ব্ব সাধাৰণৰ কিবা কামত আহে- তেওঁৰ কব লগীয়া একো নাই। কিন্তু সাধাৰণতে তেওঁ কবিতা এনে কিছুমান ভাষাৰে লিখে- যিবোৰ সাধাৰণ পাঠকে বুজি নাপাওঁক। সেইবাবে সভ্যতা যিমানেই আগবাঢ়ে, সমাজত শিক্ষা আৰু বুদ্ধিৰ প্ৰসাৰ যিমানেই বাঢ়ে, কবি সকলেও সিমানেই জটিল পন্থা অৱলম্বন কৰি উপযোগা কৈ শব্দ, প্ৰতীক, ছায়াচিত্ৰ আদিৰ ব্যৱহাৰ কৰি পলুৰ লেটাৰ দৰে তাৰ মাজতে সোমাই থকাৰ যত্ন কৰে।

সেইবাবে বিভিন্ন সময়ৰ কবিতাৰ লিখনিৰ ষ্টাইল বিভিন্ন দেখা যায়। ইয়াৰ কাৰণ হৈ পৰে সমসাময়িক সমাজ আৰু সমস্যাৰাজি। এই বাবে অসমীয়া কবিতা জগতখনতো বিভিন্ন সময়ত বিভিন্ন ধাৰাৰ সৃষ্টি হৈছে। সেয়েহে আমি প্ৰাক্‌শংকৰী যুগ, শংকৰী যুগ, ৰোমান্টিক যুগ, সাম্প্ৰতিক যুগ আদি বিভিন্ন ধাৰাৰ কবিতা পাওঁ। এই বিভিন্ন ধাৰাৰ কবি সকলৰ ভাৱ-প্ৰকাশৰ কৌশল বেলেগ বেলেগ।

ইবোৰৰ ভিতৰত আটাইতকৈ টান সাম্প্ৰতিক কবিতাবোৰ বুজি পোৱাটো। ইয়াৰ কাৰণ আগতে

কোৱা হৈছে। তলত এই যুগৰ কবিতাৰ সাথৰ ভঙাৰ কৌশল দেখুৱাবৰ সামান্য যত্ন কৰা হৈছে। এটা উদাহৰণ দিয়া যাওঁক—

" টোপনিতো তেওঁ মোক খেদি ফুৰিছিল
তেওঁ বাৰু এতিয়া ক'ত আছে ?
আছেনে বাৰু তেওঁৰ সেই মুখত উভালি
পৰা এজোপা গছ········ ।"
— নীলমণি ফুকন ।

'কেতিয়াবা কাৰোবাৰ জীৱনলৈ হয়তো হঠাৎ অপ্ৰত্যাশিত ভাৱে কোনো দুৰ্ভাগ্য কলীয়া ডাৱৰ ৰূপে নামি আহিছিল। লগে লগে তেওঁ হয়তো ভাগি পৰিছিল। সেই শোকে তেওঁৰ সমগ্ৰ মুখ মণ্ডল আগুৰি ধৰিছিল।' এইখিনি কথাকে বুজাবলৈ তেওঁ 'আছেনে বাৰু তেওঁৰ মুখত····' শীৰ্ষক শাৰীটো ব্যৱহাৰ কৰিছে।

দুৰ্ভগীয়া জনৰ সেই ঘটনাটো কবিয়ে প্ৰত্যক্ষ কৰিছে। তেওঁৰ অন্তৰত সহানুভূতি জাগিছে। সেইবাবে ঘটনাটোৱে তেওঁক অনবৰতে আমনি কৰি থাকে। টোপনিৰ সময় ছোৱাত সাধাৰণতে মানুহ বাহ্যিক জগতখনৰ লগত সম্পৰ্ক ৰহিত হয়। কিন্তু কবিয়ে টোপনিতো সেই ঘটনাটোকেই সপোন দেখে। এই অনুভুতি ঘন কথাখিনি প্ৰকাশ কৰিবলৈ তেওঁ 'টোপনিতো তেওঁ মোক খেদি ফুৰিছিল' এই কথাখিনি ব্যৱহাৰ কৰিছে। এইখিনি কথাকেই হয়তো আইন কবি হলে তলত দিয়াৰ দৰেও ব্যৱহাৰ কৰিব পাৰে— "টোপনিতো তেওঁ মোক হেঁচা মাৰি ধৰে।" তেওঁৰ মুখত পৰা গছ জোপাই মোৰ দেহটোত বিন্ধে কুট্-কুট্‌কৈ/.... ইত্যাদি। আন এটি কবিতাৰ উদাহৰণ লোৱা যাওঁক—

'গুজৰি গুহুঁৰি মাৰিলে সোঁতাল বাঘে
ভিতৰি বিজুলি বলিলে—
কঠিন ঘামৰ ছবি···· ।"
— অজিত বৰুৱা ।

এই কবিতাটি এটি প্ৰেমৰ কবিতা। হৃদয়ত প্ৰেমৰ প্ৰথম উৎপত্তি বা পিৰপিৰণিৰ কথা খিনি বুজাবৰ বাবে তেওঁ ১ম শাৰীটো আৰু তাৰ প্ৰতিক্ৰিয়া খিনি ২য় শাৰীটোৱে প্ৰকাশ কৰিছে। ৰোমান্টিক যুগৰ কবি যতীন দুৱৰাই কোৱা "সুখে দুখে জীৱনৰ ফুৰে পাছে পাছে / অতীতৰ মধুৰ সপোন" ৰ দৰে ঠিক একেই কথাখিনি সাম্প্ৰতিক যুগৰ কবি অজিত বৰুৱাই তেওঁৰ 'দুখৰ কবিতা' নামৰ কবিতাটিত 'পুৰণি বছৰ নতুন পলকে আজুৰি আজুৰি কান্দে···' শাৰীটোৱে প্ৰকাশ কৰিছে। বৰুৱাৰ এই শাৰীটো আইন কবিতাত ব্যৱহাৰ কৰিলে ইয়াৰ অৰ্থ এনেকুৱাও হব পাৰে 'পুৰণি নতুনৰ মাজত দ্বন্দৰ আৰম্ভ হৈছে।

গতিকে একেটা শব্দ বা শাৰীৰ কবিতা অনুযায়ী অৰ্থ ভিন্ ভিন্ হব পাৰে। সেইবাবে গোটেইটো কবিতা কেবাবাৰো পঢ়ি নললে তাৰ অন্তৰ্নিহিত মূলভাৱটো বিচাৰি উলিয়াব নোৱাৰি। কেতিয়াবা কিছুমান কবিতাৰ মূল ভাৱটো বুজাত কবিতাটোৰ একেবাৰে শেষৰ শাৰী বা মাজৰ শাৰীয়েও বিশেষভাবে সহায় কৰিব পাৰে, নাইবা কেতিয়াবা কবিতাটোৰ কোনো একোটা শব্দই এই ক্ষেত্ৰত বিশেষ উপকাৰ কৰিব পাৰে।

এটা কথা মনত ৰাখিব লাগে যে কবিতাৰ প্ৰতিটো শব্দ বা প্ৰতিটো শাৰীৰ অৰ্থ বিচাৰি কবিতা বুজিবলৈ চেষ্টা কৰিলে কবিতাৰ অনু-ভূতিত আঘাত লাগে। কিয়নো কেতিয়াবা একোটা বিশেষ মুহুৰ্ত্তৰ একোটা বিশেষ পৰিবেশ

অংকিত কৰিবলৈও কবিয়ে কিছুমান শব্দ বা শাৰীৰ ব্যৱহাৰ কৰে । উদাহৰণ স্বৰূপে অজিত বৰুৱাই ‘জেংৰাই’ নামৰ কবিতা এটিত ব্যৱহাৰ কৰিছে—

“ ডকা ফুটা গোন্ধ, তৰা ফুলা গোন্ধ
ডকা ফুলা গোন্ধ, টকা ফুটা গোন্ধ !! ”

এই শাৰীদুটাই এনেকুৱা এটি পৰিবেশৰ কথা কৈছে, যিটো আমি অনুভৱহে মাত্ৰ কৰিব পাৰো, কিন্তু তাক ভালদৰে বুজাই কব নোৱাৰো। গতিকে এই শাৰী দুটাৰ প্ৰতিটো শব্দ বা শাৰীৰ অৰ্থ সুকীয়া সুকীয়াকৈ উলিয়াবলৈ গলে পাঠক বিমোৰত পৰাটো স্বাভাৱিক ।

গতিকে কবিতাৰ দুৰ্ব্বোধ্যতাৰ প্ৰাচীৰখন অতিক্ৰম কৰি যাবলৈ পাঠকে এই আটাইবোৰ কথালৈ লক্ষ্য ৰাখিব লাগে । তেতিয়াহে কবিতা হৃদয়ঙ্গম কৰিবলৈ সুবিধা হয় ।

**“ যি জনে জীৱনটোক অৰ্থহীন বুলি ভাবে, তেওঁ কেৱল দুৰ্ভগীয়াই নহয়-জীয়াই থকাৰো অযোগ্য । ”**

— এলবাৰ্ট আইনষ্টাইন ।

# জীৱনী সাহিত্যৰ প্ৰসঙ্গত হোমেন বৰগোহাঁঞিৰ দৃষ্টিভংগী

শ্ৰীডিম্বেশ্বৰ ডেকা
স্নাতক দ্বিতীয় বাৰ্ষিক, কলা

বৰ্ত্তমান জীৱনচৰিত লেখাৰ প্ৰকৃত আদৰ্শ আৰু বিশিষ্ট নিদৰ্শন আমাৰ সাহিত্যত নাই বুলিলেই হয়। আমাৰ প্ৰাচীন চৰিত পুথি সমূহৰ লগত আধুনিক জীৱন চৰিতৰ ৰচনাভংগী আৰু প্ৰাচীন চৰিতকাৰ সকলৰ দৃষ্টিভংগীৰ পাৰ্থক্য মৌলিক। আজিৰ জীৱনীকাৰৰ উদ্দেশ্য কেৱল মাত্ৰ গুণানুকীৰ্ত্তন কৰা নহয়, নাইবা তত্ব বা আদৰ্শ প্ৰচাৰৰ বাহন হিচাপেও জীৱনীক লোৱা নহয়। সেই কাৰণে আধুনিক জীৱনী গ্ৰন্থত নায়কৰ জীৱনৰ এন্ধাৰ-পোহৰ ছুৱোটা দিশৰেই প্ৰতিফলন ঘটে আৰু ইয়াত তত্বকথা বা নীতি কথাৰ অত্যাধিকতাৰে শিল্প সুষমা ব্যহত কৰা নহয়। Andre Malrois ৰ দৰে আজিৰ জীৱনীকাৰে বিশ্বাস কৰে— 'A Beethoven symphony is highly moral; so is a great biography, not because the author lays down moral principles, but because a great life is a thing of beauty.'

জীৱনী এখন হবলৈ হলে জীৱন এটা লাগিবই। প্ৰসঙ্গতঃ স্মৰ্তব্য যে জীৱন আছিল অম্বিকাগিৰীৰ, জীৱন আছিল বিষ্ণু ৰাভাৰ। কিন্তু তেওঁলোকৰ জীৱনক কেন্দ্ৰকৰি স্মৰণীয় গ্ৰন্থ জানো আজিলৈ ৰচিত হ'ল? জ্যোতিপ্ৰসাদক লৈও মালিকে এখন উপন্যাস ধৰ্মী গ্ৰন্থহে লিখিছে (ৰূপতীৰ্থৰ যাত্ৰী) মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পৰা আদি কৰি আনন্দৰাম বৰুৱা, মণিৰাম দেৱানকে অন্তৰ্ভূক্ত কৰি কৃষ্ণকান্ত সন্দিকৈ লৈকে কেইবাগৰাকী পুৰুষৰো জীৱন চৰিত আমাৰ ভাষাত লেখা হৈছে। কিন্তু এইবোৰৰ এখনো সাৰ্থক আৰু যথাৰ্থ জীৱনী হৈ নুঠিল প্ৰকৃত জীৱনীকাৰৰ অভাৱৰ বাবেই বুলি কব লাগিব। আধুনিক মানদণ্ড বিশিষ্ট জীৱনী আমাৰ সাহিত্যত মাত্ৰ এখনহে লেখা হৈছে। সত্যেন্দ্ৰনাথ বৰকটকীৰ 'নাপালেয় ব'নাপাৰ্ট' কৃষ্ণকান্ত সন্দিকৈৰ জীৱনীখন পঢ়ি এটা কথাই মনত ভাৱ হ'ল যে আমাৰ সাহিত্যত এই বিভাগটোৱে অগ্ৰগতি লাভ কৰা দূৰৰ কথা, ইয়াৰ গতিযেন পশ্চাৎমুখীহে হৈছে। সন্দিকৈৰ জীৱনীখন পঢ়ি কবৰ মন যায় ই আজিৰ ৰচনা নহৈ উনৈশ শতিকা বা তাৰো আগৰহে ৰচনা হব লাগিছিল।

আমাৰ মানুহে সফল জীৱনী গ্ৰন্থ ৰচনা কৰিব নোৱাৰাৰ এটি প্ৰধান কাৰণ হ'ল ভাৰতীয় চিন্তাসম্ভূত ভাৱপ্ৰৱনতা, ভাৰতীয় পৰম্পৰাই প্ৰদান কৰা আদৰ্শবাদিতা। জীৱন চৰিতৰ সাধাৰণ উপ-জীৱ্য হৈছে মানুহ। দোষ গুণ, সৰলতা, দুৰ্বলতাৰেই মানুহ। আকৌ, সমাজ পৰিবেশৰ পৰা বিচ্ছিন্ন বিষয় নহয়। এই সামগ্ৰীকতাৰ পটভূমিত ৰাখি বৰ্ণিত আৰু বিশ্লেষিত নোহোৱাৰ ফলত আমাৰ জীৱনী নিখুঁত আৰু পূৰ্ণ নহয়।

এড্মান গছেই কোৱাৰ দৰে— "জীৱনৰ হুবহু চিত্ৰাঙ্কনেই জীৱনী" । জীৱন চৰিত সমৃদ্ধ আৰু আকৰ্ষণীয় হবলৈ হলে তাত প্ৰতিফলিত হব লাগিব নায়কৰ বিচিত্ৰ আশা-আকাঙ্খ্যা, মনো-জগতৰ বিচিত্ৰ সংঘাত । একোজন ব্যক্তিৰ জীৱন বুৰঞ্জী উকাৰূপত প্ৰতিফলিত কৰাই নহয়, তাক সাহিত্য ৰূপ দিয়াহে জীৱনীকাৰৰ লক্ষ্য হোৱা উচিত । অৰ্থাৎ ব্যক্তি, বুৰঞ্জী আৰু সাহিত্য এই ত্ৰিৱেণী সঙ্গম হলেহে জীৱনচৰিত সাহিত্যৰ দৰে সমৃদ্ধ, ৰস'ল আৰু মনোগ্ৰাহী হয় বা হব পাৰে ।

আমাৰ জীৱনী লেখক সকলৰ বীৰপূজাৰ মনোভাৱ আৰু আদৰ্শাত্মক দৃষ্টি প্ৰশংসনীয়, কিন্তু সেই অনুপাতে বিষয়বস্তু বিশ্লেষণৰ ক্ষেত্ৰত নিৰ-পেক্ষতাৰ অভাৱ । আমাৰ সাহিত্যত ঐতিহাসিক বস্তুনিষ্ঠা আৰু মনোবৈজ্ঞানিক বিশ্লেষণৰ ধাৰা অনুসৰণ কৰি আৰু নতুন নতুন দৃষ্টিভংগী তথা মূল্যমান অনুযায়ী বিভিন্ন দৃষ্টিকোণৰ পৰা বিচাৰ কৰি জীৱনী ৰচনাত মনোনিবেশ কৰা হোৱা নাই । পাশ্চাত্যৰ জীৱনীকাৰ লিটন ষ্ট্ৰেচী, আঁন্দ্ৰে মৰোৱা, ষ্টিফেন জাইগ্ এমিল লাডউইন আদিয়ে বীৰপূজাৰ মনোভাৱ সম্পূৰ্ণ পৰিহাৰ নকৰিলেও পৰ্য্যালোচনা ডাঙি ধৰিছে ।

আমাৰ সাহিত্যত এই বিভাগটোৱে অগ্ৰ-গতি লাভ কৰিব নোৱাৰাৰ কাৰণ বহুতো । কিন্তু সকলোৱে জানে যে জীৱনী লেখক সকলৰ উৎসাহ, উদ্যম, পৰিশ্ৰম-ক্ষমতা আৰু ধৈৰ্য্য নিষ্ঠাৰে লাগি থাকিব পৰা গুণৰ একান্ত অভাৱ । কিন্তু পশ্চিমীয়া সাহিত্যত জীৱনীলেখক সকলে একো-খন জীৱনী চৰিত লেখিবৰ কাৰণে একোটি জীৱন পাত কৰিছে, একোখন চিঠি পৰ্য্যন্ত উদ্ঘাটনৰ অৰ্থে বিস্তৃতঃভাৱে ভ্ৰমণ আৰু অনুসন্ধান কৰিছে একোটি ঘটনাৰ পম খেদি তথ্যতত্ব আবিষ্কাৰৰ বাবে বিভিন্ন ব্যক্তিক সাক্ষাৎ কৰিছে । এইদৰে পৰিশ্ৰম আৰু অনুসন্ধিৎসাৰ ফলতেই তেওঁলোকে একোখন স্থায়ী কীৰ্তি সম্পন্ন জীৱনী ৰচনা কৰিব পাৰিছে । কিন্তু সেইবুলি অকল অমানুষিক পৰিশ্ৰমৰ ফলতেই যে এখন উৎকৃষ্ট জীৱনী-চৰিত হব সেইটো নহয় । লিটনৰ ভাষাত "এটা মহৎ জীৱন যাপন কৰা যিদৰে টান কাম, এখন নিখুঁত আৰু মহৎ জীৱন চৰিত ৰচনা কৰাটোও প্ৰায় সমানেই টান কাম ।"

এই ক্ষেত্ৰত হোমেন বৰগোহাঁৰগ্ৰিঃ দৃষ্টিভংগী উল্লেখনীয় । যাৰ জীৱনী লেখা হয় তেওঁৰ ব্যক্তি জীৱন আৰু কৃত কৰ্মৰ প্ৰতি আন্তৰিক অনুৰাগ, শ্ৰদ্ধা আৰু সেই সম্বন্ধে সবিশেষ জ্ঞান যে লাগিব সেইটো প্ৰধান আৰু প্ৰাথমিক কথা । ইয়াৰোপৰি সমসাময়িক জীৱন আৰু চিন্তাধাৰা সম্পৰ্কেও ভাল বুৎপত্তি জীৱনীকাৰৰ থকা আৱশ্যক । দ্বিতীয়তে, সমাজতত্বৰ লগতে মনঃস্তত্বৰ জ্ঞান থকা জীৱনী লেখকৰ বাবে প্ৰয়োজনীয় । মানৱ প্ৰকৃতি আৰু মানৱ চৰিত্ৰ সম্পৰ্কে গভীৰ অন্ত-দৃষ্টি থাকিলেহে সাৰ্থক জীৱন চৰিত ৰচিব পাৰে । তৃতীয়তে, তেওঁ হব লাগিব অনুসন্ধিৎসু, সত্যা-নুসন্ধানৰ প্ৰতি প্ৰগাঢ় আৰু অবিচ্ছিন্ন নিষ্ঠাৱান । চতুৰ্থতে, প্ৰত্নতত্ববিদ এগৰাকীৰ দৰেই তেৱেঁ খুটিনাতি খুচৰি খুচৰি ভিতৰৰা ৰহস্য আৰু অনাবিষ্কৃত তথ্য উদ্ঘাটন কৰিব পৰা হব লাগিব । পঞ্চমতে, জীৱনীকাৰ আত্মনিৰ্লিপ্ত হোৱা উচিত । অৰ্থাৎ নিজে একো বক্তব্য-মন্তব্য পেছ কৰিব নুখুজি ঘটনা আৰু কাৰ্য্যকলাপকে যথাযথভাৱে উপস্থাপিত কৰা উচিত । আকৌ অদৰ্কাৰী কথা বৰ্জন কৰা আৰু দৰকাৰী কথা বাদ নিদিয়ৰ প্ৰতিও জীৱনী ৰচক সাৱধান হোৱা উচিত । ষষ্ঠতে, কিছুপৰিমানৰ আবেগ উচ্ছাসে জীৱনী খনক হয়তো আকৰ্ষণীয় কৰি তুলিব পাৰে, কিন্তু ৰচিয়তা অতিমাত্ৰা উচ্ছাস-প্ৰৱন বা ভাৱ-প্ৰৱন হলে জীৱনী বিজ্ঞান সন্মত হৈ নুঠাৰ আশঙ্কাই অধিক ।

# ৰূপকুণ্ডলৈ ট্ৰেকিং
## (ভ্ৰমন কাহিনী)

শ্ৰীঅনিল পাঠক

ত্ৰিশূল (৭১২৩ মিঃ) আৰু নন্দাদেৱী (৭৮১৮ মিঃ)ৰ সুউচ্চ শিখৰ জিলিকিছিল আথাৰ সন্মুখত। তাৰো আগত জিলিকিছিল কিছু নামনিত সোঁহাতে পিণ্ডাৰী হিমবাহ আৰু বাওঁহাতে ফুলৰ ঘাট (Valley of flower)। পূৱত কুমাও হিমালয়ৰ শাৰী শাৰী বৰফেৰে আবৃত পৰ্ব্বত মালাবোৰ আৰু পিছপিনে আমি এৰি অহা গাড়ৱাল পৰ্ব্বত মালাৰ লগতে নানাতৰহৰ গছ-গছনী। সোঁহাতে পিণ্ডাৰী হিমবাহৰ পৰা নামি অহা পিণ্ডাৰী গঙ্গা নদীখনি যেন পাৰ্বতীৰ দীঘল চুলি টাৰৰ দৰে বৈ গৈছে। মুৰৰ ওপৰৰ আকাশখন ঘন মেঘ হৈ আমাক ঢাকি ধৰিবলৈ আগবাঢ়ি আহিছে। চাৰিওফালে একে গতিত পৰি থকা তুষাৰ মিশ্ৰিত বৰষুণজাকে যেন আমাক মেঘৰ হাতৰ পৰা মুক্তি দিয়াৰ প্ৰয়াসত ৰিমঝিমাই আছে।

কিছুসময় বিহ্বল দৃষ্টিৰে চাৰিওফালে চাই হিমালয়ৰ সেই অপৰূপ সৌন্দৰ্য্য আৰু গাম্ভীৰ্য্য উপলব্ধি কৰাৰ বৃথা চেষ্টা কৰিলো। এক বিচিত্ৰ অনুভূতিৰে ভৰি পৰিছিল মনটো। চাৰিওফালৰ পৰা ঘন মেঘ আৰু তুষাৰ মিশ্ৰিত বৰষুণে আৱৰি ধৰাৰ বাবে হাতত থকা শুকান আহাৰ কিছুমান খাই কিছু ফটো তুলি অন্তিমবাৰৰ বাবে আমি সেই সৌন্দৰ্য্য স্মৃতিৰ কোঠালিত সযতনে ভৰাই থোৱাৰ চেষ্টা কৰিলো। তৰুণ ৰামছিয়াৰীয়ে তাত থকা (সংৰক্ষিত) শিলৰ মূৰ্ত্তিটোৰ গাৰ পৰা বৰফৰ টুকুৰাবোৰ এৰোৱাবলৈ ধৰিলে। আন আন সদস্য সকলে আনন্দত ইফালে-সিফালে চাই তহল দিবলৈ ধৰিলে। আইছ এক্সডাল হাতত লৈ প্ৰসিদ্ধ ঐতিহাসিক ৰূপকুণ্ড (মৃত্যুকুণ্ড) হ্ৰদৰ পাৰত মই আৰু আমাৰ পথ প্ৰদৰ্শক বীৰ সিং ত্ৰিজৱলৰ সৈতে পৰি থকা তুষাৰৰ তৰপ বোৰ খান্দিবলৈ ধৰিলো। তাত হাজাৰ বছৰ ধৰি পৰিথকা নৰকংকাল পোৱাৰ আশাত। তেতিয়া চাৰিওদিশৰ পৰা তুষাৰ মিশ্ৰিত বৰষুণ আৰু ঘন মেঘৰ ঢৌবোৰ আগুৱাই আহিছিল। একেৰাহে আধাঘণ্টা সময় জুৰি তুষাৰৰ তৰপ-বোৰ খন্দাৰ পাছতো নৰকংকাল নোপোৱাত বেদনী-বগীৱাললৈ ৰাওনা হলো।

ট্ৰেকিং সম্পৰ্কে অলপ কবলৈ গৈ কিছু-দিন আগতে কুমাও হিমালয়ত কৰি অহা আমাৰ অভিযানটোৰ কথা কোৱাৰ লোভ সামৰিব নোৱাৰিলো। আমি ৰূপকুণ্ডলৈ গৈছিলো ট্ৰেকিং দল হিচাপে। যোৱা ৮৯ চনৰ আগষ্ট মাহৰ ২০ তাৰিখে গুৱাহাটীৰ পৰা অন্যতম পৰ্বতাৰোহী সন্থা অসম শিক্ষামূলক গোষ্ঠীৰ ৬ জন সদস্য ওলাইছিলো। গাড়ৱাল হিমালয়ৰ পৰ্বতে পৰ্বতে খোজকাঢ়ি কুমাও হিমালয়ৰ ভ্ৰমন তথা অধ্যয়নৰ উদ্দেশ্যে আৰু আমাৰ মূল লক্ষ্যস্থল আছিল উত্তৰ পশ্চিম কুমাও হিমালয়ৰ নন্দাদেৱীৰ পাদ-দেশত ১৭৬০০ ফুট উচ্চতাত অৱস্থিত ৰূপকুণ্ড

বোলা ঐতিহাসিক হ্ৰদটো।

এই কুমাও হিমালয়ৰ উত্তৰ-পশ্চিম অঞ্চলৰ ৰূপকুণ্ডলৈ অসমৰ পৰা যোৱা অভিযাত্ৰী দল হিচাপে আমিয়ে প্ৰথম আছিলো। ৬ জনীয়া আমাৰ দলটোক নেতৃত্ব দিছিল অসমৰ প্ৰবীণ পৰ্ব্বতাৰোহী শ্ৰীযুত প্ৰফুল্ল ডেকা দেৱে। মোৰ লগতে আন আন সদস্য সকল আছিল বিষ্ণু খাখলাৰী, ড° কুমুদেশ্বৰ শৰ্মা, প্ৰবীন কলিতা আৰু তৰুণ ৰামচিয়াৰী।

আমি ৰাওনা হৈছিলো গুৱাহাটীৰ পৰা ৮৯ ব আগষ্টত। ২২ তাৰিখে দিল্লী পাই তাৰ ভাৰতীয় পৰ্ব্বতাৰোহী সন্থাৰ পৰা লাগতিয়াল সামগ্ৰী যেনে— উইণ্ড প্ৰুফ জেকেট, শ্লিপিং বেগ, ফময়েট্ৰেছ, তম্বু আদি ভাড়াত ললোঁ। প্ৰশাসনিক তথ্যপাতি আদি সংগ্ৰহ কৰি ঋষিকেশ অভিমুখে যাত্ৰা কৰিলো। ঋষিকেশ প্ৰাচীন ধৰ্মীয় অনুষ্ঠান। ঋষিকেশৰ ধৰ্মশালাত থাকি খাদ্য-সামগ্ৰী আদি কিনিলৈ ২৬ তাৰিখে দেৱাল গামী বাহত কৰ্ণপ্ৰয়াগ পালোগৈ। সেই সময়ত হিমালয় অঞ্চলত ধাৰাষাৰ বৰষুণৰ ফলত কিছুমান অঞ্চলত ভূমি স্খলন হৈ বাট-পথ আদি ভাঙি যান-বাহন চলাচল কৰিব নোৱাৰা হোৱা বাবে আমি দেৱাললৈ একেবাৰতে বাহত যাব নোৱাৰিলো। কৰ্ণ প্ৰয়াগৰ পৰা প্ৰায় ২০ কিঃ মিঃ খোজকাঢ়ি আমাৰ দলটোৱে থৰালিলৈ গৈছিলো। থৰালিৰ উচ্চতা ৪,০০০ ফুট, ইয়াৰ জনসংখ্যা প্ৰায় ৭০০ জন। সেই সময়ত থৰালিৰ আশে-পাশে ভূমিস্খলনৰ ফলত বহুতো প্ৰাণ নাশ আৰু সা-সম্পত্তিৰ ক্ষতি সাধন হয়। ২৭ তাৰিখৰ পুৱাৰ পৰা দেৱাল অভিমুখে খোজকাঢ়ি গৈ সন্ধিয়া দেৱালত ভৰি দিওঁ। পৰ্য্যটক নিবাসত ৰাতি কটাই পিছদিনা অৰ্থাৎ ২৮ তাৰিখৰ পৰাহে আৰম্ভ হ'ল প্ৰকৃত ট্ৰেকিং। ক্ৰমে উত্তৰৰ পিনে অগ্ৰসৰ হৈ সম্পূৰ্ণ পাৰ্ব্বত্য পথেৰে উঠা নমা কৰি কৰি, পাইন গছ আৰু গিৰিঘাট বোৰৰ মাজেৰে আৰু প্ৰবল বেগে বৈ যোৱা নিজৰা সমূহৰ মাজেৰে পাৰহৈ সন্ধিয়া লোহাজং গাঁৱত উপস্থিত হলোগৈ। নিশাটো পৰ্য্যটন নিবাসত কটাই পিছদিনা ২৯ তাৰিখে শেষ গাওঁ ৱান অভিমূখে আগবাঢ়িলো।

ৱান গাঁৱৰ পথ অতি ওখ শিলাময় আৰু হাবিৰে ভৰা, পদ পথৰ দুয়োকাষে ওখ ওখ পৰ্ব্বতৰ শাৰীবোৰে আকাশ চুবৰ মানসেৰে যেন ওপৰলৈ উঠি গৈছে। সেই শাৰী শাৰী পৰ্ব্বতৰ গাৰ ওপৰেদি জলধাৰা সমূহ প্ৰচণ্ড শব্দ কৰি বেগেৰে বৈ আহিছে। পৰ্ব্বতৰ গাটোক যেন ধৰি ৰাখিছে প্ৰকাণ্ড প্ৰকাণ্ড পাথৰবোৰে। গেদীয় শিলৰ মাজত ভাজ থকা ওখ ওখ পৰ্ব্বত বোৰ, চিনি নোপোৱা আৰু কত পাথৰ। দুই এঠাইত ৰঙা পাথৰো চকুত পৰিছিল। দূৰে দূৰে পৰ্ব্বতৰ নিৰ্জনতাত দুই এটা ম'হ আৰু ধোঁৱা ৰথীয়াৰ পজা। ম'হ পালক সকলে ম'হৰ গাখীৰ বিক্ৰী কৰিয়েই জীৱন নিৰ্বাহ কৰে। যাওঁতে কিন্ কনিয়া বৰষুণৰ মাজে মাজে যোৱাত চৰাই আৰু জীৱ-জন্তু আদি তেনেদৰে চকুত পৰা নাছিল যদিও উলটি আহোতে নানা বৰনীয়া চৰাই দেখা পাইছিলো। আবেলি হোৱাৰ আগে আগে ৱান পালোগৈ। ইয়াৰ উচ্চতা ৮৩০০০ ফুট। প্ৰায় এক কিঃ মিঃ আঁতৰত থকা গাড়ৱাল বিকাশ নিগমৰ পৰ্য্যটক নিবাসতে থকাৰ ব্যৱস্থা হ'ল। এদিন ৱান গাঁৱত জিৰাই পিছদিনা ২৯ তাৰিখে পুৱা বেদনী অভিমূখে যাত্ৰা

কৰিলো। ব্ৰান এবাৰ পাছত আৰম্ভ হ'ল সেৰেঙা গছ-গছনী আৰু সৰু সৰু ঘাঁহনীৰে ভৰা বিস্তীৰ্ণ বননী। আবেলী হোৱাৰ আগে আগে বেদনী পায় লগত নিয়া তম্বু তৰি ৰাতি থকাৰ ব্যৱস্থা কৰিলো এই অঞ্চলৰ উচ্চতা ১০,০০০ ফুট। এই অঞ্চলত সৰু সৰু ঘাঁহনী থকাৰ বাবে ভেৰা ৰখীয়া সকলে ভেৰা চৰাবৰ বাবে গ্ৰীষ্মৰ সময়ত কিছুদিন বাস কৰা দেখা যায়। গাড়ৱালী সকলৰ বাবে ই এখন পবিত্ৰ ধৰ্ম্মস্থানো। ইয়াত প্ৰত্যেক বছৰে চেপ্তেম্বৰ মাহত নন্দজাত নামে এখন মেলা বহে। মেলা একেৰাহে ৫ দিনলৈ চলে। গাড়ৱাল আৰু কুমাও অঞ্চলৰ প্ৰায়বোৰ ঠাইৰ পৰাই মেলা চাবলৈ হাজাৰ হাজাৰ ভক্তৰ সমাগম হয়। ইয়াত চৰকাৰে নিৰ্ম্মান কৰা ৰাজহুৱা পুখুৰী এটাও আছে। ইয়াৰ পাৰত দুৰ্গা আৰু পাৰ্ব্বতীৰ পৃথক পৃথক মন্দিৰ। এই মন্দিৰ দুটা নন্দজাত পূজাৰ অভিন্ন অংগ। পিছদিনা অৰ্থাৎ ১০ তাৰিখে আমাৰ দলটোৱে মূল শিৱিৰ (Base camp) বগীয়াল অভিমুখে যাত্ৰা কৰিলো। বাটত পৰ্ব্বতীয়া ঢাল সমুহত নানা তৰহৰ ৰং-বিৰঙৰ ফুল দেখা পালো। যেনে—হিম কমল, ফিম কমল আৰু বাজ কমল ইত্যাদি। প্ৰায় দুই মান বজাত গৈ বগীয়াল পালো। তাত মূল শিবিৰ স্থাপন কৰি ৰাতি থকাৰ ব্যৱস্থা কৰিলো। ৰাতি ধাৰাষাৰ বৰষুণৰ বাবে গোটেই কেইজন সদস্যই অতি কষ্টেৰে কটাবলগীয়া হয়। ফলত ৰাতিপুৱা আমি মূৰৰ বিষত ভুগিছিলো। অসুস্থ শৰীৰেৰেই পিছদিনা পুনৰ যাত্ৰা কৰিলো ৰূপকুণ্ড অভিমুখে। প্ৰায় ১০ কিঃ মিঃ কিনকিনিয়া তুষাৰ মিশ্ৰিত বৰষুণত বৰফৰ মাজেৰে খোজকাঢ়ি প্ৰায় ১২ টা মান বজাত ৰূপকুণ্ডৰ ১৬,৭০০ ফুট উচ্চতাত উপস্থিত হলোগৈ।

ওভতাৰ পথত, সেই দিনাই ৰূপকুণ্ডৰ পৰা বগীয়াললৈ আহি সামগ্ৰী সমূহলৈ বেদনীলৈ উভতি আহিলো। বেদনীত কলিকতা আৰু গুৱালিয়ৰৰ আন দুটা পৰ্ব্বতাৰোহী দল লগ পালো আৰু ৰাতি একে ঠাইতেই গোটেই কেইটা দল থকাৰ সিদ্ধান্ত ললো। ৰাতি প্ৰায় ১২ বজাত ধাৰাষাৰ বৰষুণ আৰু প্ৰৱল ধুমুহা অহাৰ ফলত আমাৰ বাহিৰে আন দুয়োটা দলৰে তম্বু কেইটা উৰুৱাই নিয়ে। দল দুটাৰ সদস্য সকলে অতি কষ্টেৰে আহি আমাৰ তম্বুটোত সোমাই প্ৰাণৰক্ষা কৰে। অৱশ্যে তেওঁলোক অহাত আমাৰ কোনোধৰণৰ অসুবিধা হোৱা নাছিল; কাৰণ তম্বুটো যথেষ্ট ডাঙৰ আছিল। বৰষুণ আৰু বতাহ সাম কটাৰ পিছত অতিপাত তুষাৰপাত হয়। এইদৰে ব্ৰান লোহাজং দেৱাললৈ আহি ৪ তাৰিখে গুৱালডামৰ পৰ্য্যটক নিবাসত ৰাতিটো কটাই ৫ তাৰিখে ৰাতিপুৱা ৫ বজাত কাঠগোদাম অভিমুখে বাচেৰে আহি দিল্লীলৈ যাও। দিল্লীত পিছদিনা ভাৰাতীয়া সামগ্ৰী সমূহ উভতাই দি ৭ তাৰিখে গুৱাহাটীলৈ ৰেলেৰে উভতি আহিলো।

ট্ৰেকিংযে পৰ্ব্বতাৰোহন বা মাউন্টেইনিয়াৰিঙৰ এটি অপৰিহাৰ্য্য অংগ তাক প্ৰায় সকলোৱে জানে। বিশ্বত পৰ্ব্বতাৰোহনৰ ইতিহাস বেছি পুৰণি নহয়। ১৭৮৬ চনৰ ৮ আগষ্ট তাৰিখে যেতিয়া পোণ প্ৰথম বাৰৰ বাবে চুইজাৰলেণ্ডৰ শামুনি গাৱৰ ডঃ মিশেল প্ৰ্যাকাৰ্ডে অল্পচৰ মঁ ব্ৰাঁ শীৰ্ষ জয় কৰিবলৈ সক্ষম হয় সেই তাৰিখকে আধুনিক পৰ্ব্বতাৰোহনৰ জন্মদিন বুলি গণ্য কৰা হয়। ভাৰতবৰ্ষতো পৰ্ব্বতাৰোহনৰ ইতিহাস বেছি পুৰণি নহয়। অসমত হলে সিদিনাৰ কথা।

১৯৭০ চনত স্বৰ্গীয় ৰোহিনী ভূঞাৰ নেতৃত্বত অসমৰ যুৱকসকলে বেথাৰ তলি শৃঙ্গ জয় কৰাৰ লগতে প্ৰকৃতাৰ্থত ইয়াৰ সূচনা হয়। ট্ৰেকিংএ বিশাল পৰ্ব্বতাৰোহন বিদ্যাৰ সমূহ ক্ৰিয়া-কলাপৰ প্ৰত্যেক দিশৰ সম্পূৰ্ণ ধাৰণা দিব নোৱাৰিলেও ৰক ক্লাইম্বিং, আইছ আদিৰ নিচিনাকৈ ইয়াৰ লগত পৰ্ব্বতাৰোহনৰ অংগাঙ্গীক সম্পৰ্ক আছে। সহজ কথাত ট্ৰেকিং পৰ্ব্বতাৰোহন শিক্ষাৰ প্ৰথম পাঠ বুলিব পাৰি। সৰু সৰু ট্ৰেকিং অভিযান বোৰেই লাহে লাহে পৰ্ব্বতাৰোহনৰ মহত্ব আৰু গুৰুত্বৰ সম্যক ধাৰণা আনি দিয়ে। পাহাৰ পৰ্ব্বতৰ গাৰে, বন জংঘলৰ মাজেদি আৰু অতি উচ্চতাত যাৰ ভ্ৰমন কৰাৰ অভ্যাস নাই, তেওঁ একেবাৰতে শিখৰ অভিযানত অংশ গ্ৰহন কৰাৰ আশা কৰাই মিছা। সুখৰ কথা সম্প্ৰতি অসমৰ উঠি অহা কিশোৰ-কিশোৰী, যুৱক-যুৱতী সকল পৰ্ব্বতাৰোহনত বিশেষ উৎসাহিত হৈ উঠাৰ ভাব দেখা গৈছে। যোৱা কেইবছৰমানৰ ভিতৰতে অসমত প্ৰায় ৯টা পৰ্ব্বতাৰোহন সংস্থা গঢ়ি উঠিছে আৰু স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি যুৱক-যুৱতীলৈকে বিভিন্ন দলক দেখা গৈছে পিঠিত ৰুকছেক লৈ পাহাৰৰ পিনে গতি কৰা। সম্প্ৰতি প্ৰতিবছৰেই জাৰকালি ক্ৰিকেট, বেডমিণ্টনৰ নিচিনাকৈয়ে ৰক ক্লাইম্বিং আৰু ট্ৰেকিংয়েও যেন আকৰ্ষণীয় ক্ৰীড়াৰ ৰূপ লৈছে। দুঃসাহসী এই খেলুৱৈসকলে গুৱাহাটীৰ আশে-পাশে বা অসমৰ অন্যান্য ঠাইৰ বিভিন্ন পাহাৰত ট্ৰেইনিঙৰ স্থান নিৰ্ব্বাচন কৰি শিলাৰোহন আৰু পাহাৰ বগোৱা খেলত আগ্ৰহী হৈ উঠিছে। নিঃসন্দেহে ই নতুন চামৰ দুঃসাহসিকতা পূৰ্ণ কাৰ্য্যৰ প্ৰতি ধাউতিৰ সুস্পষ্ট ইংগিত। প্ৰতিপদত বিপদৰ সৈতে সাৱধানতাৰে খেলা কৰি চলিব লগীয়া হয় বুলিয়েই বোধকৰো পৰ্ব্বতাৰোহনে আজি 'খেলৰ ৰজা" (King of sports) হিচাবে স্বীকৃতি লাভ কৰিছে। ওখ পৰ্ব্বতৰ গাৰে শিলৰ ওপৰেদি খোজকাঢ়োতে বিপদৰ সম্ভাৱনা পদে পদে। গতিকে চকু কান সজাগ কৰি চলিব লগা হয়। মাথোন শাৰীৰিক শক্তিয়েই সৰ্ব্বস্ব নহয়। সূক্ষ্ম বিচাৰ বুদ্ধি, নিয়মানুবৰ্ত্তিতা, নিষ্ঠা, সংযমবোধ, আত্মত্যাগৰ মানসিকতা আৰু কলা কৌশল প্ৰয়োগৰ বাস্তৱ দৃষ্টিভংগীয়েহে এজনক সফল ও আদৰ্শ পৰ্ব্বতাৰোহী হিচাপে গঢ়ি তোলাত সহায় কৰে। সৰু সুৰা ট্ৰেকিঙেই হওক নাইবা শৃঙ্গ জয়ৰ সুবৃহত অভিযানেই হওক দলৰ সদস্যসকলৰ মাজত থকা পাৰস্পৰিক বুজা পৰাৰ ভাৱে একোটা অভিযানক কৃতকাৰ্য্য আৰু প্ৰাণৱন্ত কৰি তোলে।

পৰ্ব্বতাৰোহনত বিপদৰ আশংকা আছে যদিও তাৰ বিপৰীতে দুঃসাহসিক আনন্দও আছে। এবাৰ যি জনে সেই আনন্দ, সেই সোৱাদ পায় তেওঁক আৰু ধৰি ৰাখিব নোৱাৰি। পৰ্ব্বতৰ অৰণ্য আৰু বৰফৰ আহ্বানত তেওঁ সঁহাৰি দিবই। পাহাৰ অৰণ্যৰ প্ৰতি অপ্ৰতিৰোধ্য আক্ৰমনে আচলতে পৰ্ব্বতাৰোহনৰ ভিতৰত থকা এটি ডাঙৰ সত্যৰ প্ৰতি আঙুলিয়াই। সেয়া হ'ল প্ৰকৃতিৰ উদাৰ কোলাত মুক্তভাৱে বিচৰণ কৰাৰ অদম্য বাসনা চৰিতাৰ্থ কৰাৰ উদ্দেশ্যে মানুহৰ অবিৰাম প্ৰচেষ্টা। এই অভিযান সমূহে চাৰিত্ৰিক দৃঢ়তা গঢ়ি তোলাত যথেষ্ট অৰিহনা যোগায়। লোকাৰণ্যৰ পৰা বহু নিলগত পৰ্ব্বত কন্দৰৰ গহ্বৰত নিৰ্জন প্ৰকৃতিৰ বুকুত নানা প্ৰতিকূলতাৰ মুখামুখি হৈ অভিযাত্ৰীয়ে ধীৰ-স্থিৰ আৰু সংযমী হবলৈ শিকে। ক্ৰমে তেওঁৰ আত্ম

প্ৰত্যয় বাঢ়ে আৰু সিয়েই মানসিক দৃঢ়তা তৈয়াৰ কৰাত সহায় কৰে।

হিমালয় শৃংগজয়ৰ একোটা পৰ্ব্বতাৰোহনৰ অভিযান বিভিন্ন কাৰণত ব্যয়বহুল আৰু সময় সাপেক্ষ। তাৰোপৰি ইয়াত অভিযাত্ৰীৰ উপযুক্ত অনুশীলন বা প্ৰশিক্ষনৰো প্ৰয়োজন।

সেয়ে সৰ্বসাধাৰনৰ বাবে ই সম্ভৱ নহয়। কিন্তু হিমালয়ৰ বিভিন্ন অঞ্চলত ট্ৰেকিং হল সৰু-সুৰা অভিযান। ইয়াত পইচাও কম লাগে, সময়ো কম লাগে অথচ পৰ্ব্বতাৰোহনৰ আনন্দও আছে। হিমালয়ৰ প্ৰায় ১২,০০০ ফুটলৈকে ট্ৰেকিং কৰোতে বিশেষ কাৰিকৰী জ্ঞানৰো দৰকাৰ হয়। সাধাৰণতে দলবদ্ধভাৱে থকাৰ অভ্যাস আৰু পাহাৰ জঙ্ঘল বা উচ্চতাত খোজকঢ়াৰ অভ্যাস থাকিলে যি কোনো সুস্থ লোকেই অংশ গ্ৰহণ কৰিব পাৰে। অৱশ্যে পৰ্ব্বতাৰোহন প্ৰশিক্ষন লোৱা থাকিলে সুবিধা বহুতো। বিশেষকৈ দল নেতাজনৰ তেনে অৰ্হতা থকাটো একান্ত প্ৰয়োজনীয়। ট্ৰেকিঙত এজনৰ প্ৰয়োজনীয় সকলো পিঠিত কঢ়িয়াবলগীয়া ৰুকচেক এটাতে আটি যায়।

পোছাক-পাতি হিচাপে গৰম পেণ্ট চোলা, হাত দীঘল গেঞ্জি ছুৱেটাৰ, উলৰ হাত-ভৰি মোজা বেলাক্লাভা টুপি, চিকাৰী জোতা (তুষাৰ অঞ্চলত ক্লাইম্বিং বুটৰ বা এপ্ৰোচ মাৰ্চ শু প্ৰয়োজনীয়) স্লগলছ, উইণ্ড প্ৰুফ জেকেট হলেই চলে। অন্যান্য সামগ্ৰী হ'ল—মগ, কাঁহি চামুচ, পানীৰ বটল, টৰ্চ লাইট, কল্ডক্ৰিম, আদি। দলটোত ষ্টʼভ আৰু প্ৰাথমিক চিকিৎসাৰ ব্যৱস্থা থকাৰ উপৰিও ৰাতি কটাবৰ বাবে প্ৰতিজন সদস্যৰে স্লিপিং বেগ থকাটো অতি প্ৰয়োজনীয়। হিমালয়ত ভ্ৰমন বা অভিযানত হিমালয় সম্পৰ্কে জ্ঞান থকাটোও সুবিধাজনক। যি অঞ্চলত ভ্ৰমনৰ পৰিকল্পনা কৰা হব, সেই ঠাইৰ অবস্থা জনা থাকিলে সেই মতে অভিযান সূচী কৰিব পৰা যায়। অৱশ্যে এইবোৰৰ বিষয়ে পথ প্ৰদৰ্শক পুথি ( **guide book** ) বহুতো পোৱা যায়। আজিকালি পৰ্য্যটক বিভাগ সমূহত খবৰ ললেই ট্ৰেকিং মেপ, নিৰ্দ্দেশক পুথি আৰু বিভিন্ন তথ্যপাতি আদি অতি সহজেই পাব পাৰি। বহু ঠাইত ইয়ুথ হোটেল আৰু বিভিন্ন ধৰ্ম্মীয় নিবাসৰ ব্যৱস্থাও আছে। সেইবোৰত কম খৰচতে থকা আৰু খোৱাৰ সুবিধাও পোৱা যায়।

এয়া গʼল হিমালয়ৰ দুৰ্গম অঞ্চলত ট্ৰেকিং কৰাৰ কথা। অৰ্থনৈতিক কাৰণত হিমালয়ৰ বিভিন্ন উচ্চতাত পৰ্ব্বতাৰোহনৰ অভিযানত যোৱা আমাৰ সকলোৰে পক্ষে সম্ভৱ নহয় সচা, কিন্তু দুঃসাহসিকতাৰ সোৱাদ জানো মাথোন হিমালয়তে আছে? সেই সোৱাদকণতো বহুসময়ত ঘৰত থাকিয়েই ওচৰৰ পাহাৰ সমূহতো লব পাৰো। আমি নিজে এক হাবি-বননিৰে পৰিপূৰ্ণ পাৰ্ব্বত্য অঞ্চলত বাস কৰাৰ ক্ষেত্ৰত সৌভাগ্যশালী। আমাৰ কাষতে আছে মেঘালয়, নাগালেণ্ড আৰু অৰুণাচলৰ দৰে পৰ্বত অৰণ্যৰে ভৰপূৰ হিমালয়ৰ পাদদেশ অঞ্চল সমূহ। আমাৰ আৰু এই চুবুৰীয়া ৰাজ্য সমূহৰ পৰ্যটন বিভাগে কম খৰছতে ট্ৰেকিঙৰ সোৱাদ দিন পৰাৰ ব্যৱস্থা লব পাৰে।

আজি পৰ্বতাৰোহনে স্বীকৃত ক্ৰীড়া হিচাবে প্ৰতিষ্ঠা লাভ কৰাৰ পাছতেই শিলাৰোহন আৰু ট্ৰেকিঙো জনপ্ৰিয় হৈ উঠিছে। বিশ্বৰ বিভিন্ন পাৰ্বত্য অঞ্চলৰ লগতে ভাৰতবৰ্ষতো স্বাধীনতাৰ পাছত ( মানালী, উত্তৰকাশী আৰু দাৰ্জিলি ত) তিনিটাকৈ

পৰ্বতাৰোহনৰ প্ৰশিক্ষন কেন্দ্ৰ স্থাপন কৰিছে। শেহতীয়াকৈ অসমতো এটা পৰ্বতাৰোহনৰ প্ৰশিক্ষন কেন্দ্ৰ স্থাপন কৰাৰ বাবে অসম চৰকাৰৰ ক্ৰীড়া বিভাগে যো-জা কৰি থকা গম পোৱা গৈছে। লগতে ভাৰতৰ বিভিন্ন ঠাইত দুঃসাহসিক ক্ৰীড়া সন্থা সমূহো গঢ়লৈ উঠিছে। ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতী সকলৰ মাজত সুস্থ সবল দুঃসাহসী চৰিত্ৰ গঠন কৰাই এই প্ৰতিষ্ঠান আৰু সন্থা সমূহৰ মূল উদ্দেশ্য। হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰী যুৱক-যুৱতীয়ে এই সন্থা সমূহৰ সদস্য হৈ দল বান্ধি পাহাৰ-পৰ্বত, অৰন্য, ভৈয়াম নৈ সাগৰত অভিযান চলোৱাৰ খেলত উৎসাহিত হৈ উঠিছে।

অসমৰ নৈ, বিল, পৰ্বত অৰন্য, দুঃসাহসিক প্ৰিয় ছাত্ৰ-ছাত্ৰী সকলৰ বাবে আদৰ্শ অনুশীলন ক্ষেত্ৰ হব পাৰে, যদি চৰকাৰে আৰু বিভিন্ন সংগঠন সমূহে যথেষ্ঠ পৰিমানে গুৰুত্ব দিয়ে। সদৌ শেষত আমি সকলোৱে চেষ্টা কৰিলে দুঃসাহসিক ক্ৰীড়া ক্ষেত্ৰক যথেষ্ট আগবাঢ়ি নিয়াব পাৰিম।



**কৌতুক ঃ** এদিন এগৰাকী বুঢ়ী মানুহ এখন বাছত উঠি বহাৰ বাবে আসন নেপাই ড্ৰাইভাৰৰ আসনতে বহিল। বুঢ়ীৰ কাণ্ড দেখি যাত্ৰী সকলৰ এজনে মাত লগালে,— "আইতা তাত নবহিব; সেইটো চালকৰ আসন তাত বহি গাড়ীখন চলাই নিব"।

বুঢ়ীয়ে মাত লগালে,— "আজি চালকে পিছত বহিয়েই বাছখন নিয়ক দিয়া"।

সংগ্ৰাহক ঃ দেবাশীষ চক্ৰৱৰ্ত্তী
প্ৰাক্ উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক (কলা)

# বিষ্ণু ৰাভাৰ আদৰ্শ : এটি আলোচনা

**মহীধৰ গোস্বামী,**
প্ৰবক্তা, ৰাজনীতি বিজ্ঞান।

এটা সময় আছিল যেতিয়া বিষ্ণু ৰাভাৰ নাম উচ্চাৰণ কৰিলে গ্ৰেপ্তাৰ হব লগা হৈছিল, কমিউনিষ্ট বুলি চৰকাৰৰ দমন নিপীড়নৰ বলি হব লগা হৈছিল। যি সকলে তেতিয়া কমিউনিষ্ট বুলি ৰাভাদেৱক অপমান কৰিছিল, ইতিকিং কৰিছিল বা চৰকাৰৰ দমন-নীতিক সকলো প্ৰকাৰে সহায়-সহযোগ আগবঢ়াই সমৰ্থন কৰিছিল তেওঁলোকেই এতিয়া বিষ্ণু ৰাভাক পূজা কৰাৰ ভেকোভাওনা পাতিছে। ফলত ৰাভা দিৱস উদ্‌যাপন কৰাটো একালে যেনেকৈ 'নিৰাপদ' হৈছে আনকালে ৰাভাৰ আদৰ্শক কবৰ দিয়াৰ এক গভীৰ চক্ৰান্ত চলিছে।

প্ৰশ্ন হয় বিষ্ণু ৰাভাৰ আদৰ্শনো কি আছিল? মনত ৰাখিব লাগিব যে ৰাভাদেৱ আছিল এজন সাম্যবাদী। বিশেষকৈ ১৯৪৬ চনত কমিউনিষ্ট পাৰ্টিত যোগদান কৰাৰ পিছৰ পৰাই তেওঁ মাৰ্ক্সবাদী আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ এহাতে বন্দুক আৰু আনহাতে তুলিকা তুলি লৈছিল। তেওঁ নিজেই কৈছে—"মাৰ্ক্সবাদ লেনিনবাদে মোৰ চঞ্চল অস্থিৰ শিল্পী জীৱনলৈ আনিছে সাগৰ সংগমৰ পূৰ্ণতা আৰু গভীৰতা"। তাৰ আগৰ ছোৱাত তেওঁৰ এটি বিদ্ৰোহী মনৰ পৰিচয় পোৱা যায় বৃটিছৰ বিৰুদ্ধে কৰা কাৰ্য্য বা চৰকাৰী চাকৰি (D.S.P.ৰ পদ) প্ৰত্যাখ্যান আদিৰ মাজেৰে। শিল্পী হিচাপেও তেওঁৰ সঠিক দৃষ্টিভংগী নাছিল। সাম্যবাদী আদৰ্শেৰে অনুপ্ৰাণিত হোৱাৰ পিছতহে তেওঁ অসমৰ জনগণৰ মুক্তিৰ বাবে জনগণৰ মাজত সোমাইছিল, জনগণক সংগঠিত কৰি বিপ্লৱৰ বাণী প্ৰচাৰ কৰিছিল। তেওঁ এনেদৰে কৈছিল—"বন্ধুসকল! এটা বলিয়া হাতীয়ে যিদৰে সকলোবোৰ ছিন্ন-ভিন্ন কৰি ফুৰিছে, সকলোৰে সন্মুখত যিদৰে সন্ত্ৰাসৰ সৃষ্টি কৰিছে মেয়ো ঠিক সেই দৰেই আজিৰ পৰা বলিয়া হ'ম, সন্ত্ৰাসৰ সৃষ্টি কৰিম। সকলোবোৰ ছিন্ন-ভিন্ন কৰি ধনৰাজ গুচাই গণৰাজ্য প্ৰতিষ্ঠা কৰিম"। এই ঘোষণা সন্ত্ৰাসবাদী নাছিল, আছিল সততা আৰু নিষ্ঠাৰ প্ৰতিফলনহে আৰু সেয়েহে তেওঁ পৈত্ৰিক সম্পত্তি তুহেজাৰ বিঘা মাটি ভগাই দিব পাৰিছিল। ধনী-মহাজন, জমিদাৰ সকলক সাৱধান কৰি গীত গাইছিল—

তুখীয়াৰ কলিজা নিগৰি লৱ
টুপি টুপি তেজ শুহি শুহি পিয়,
.... .... .... .... .... ....
.... .... .... .... .... ....

বিপ্লৱ পথৰে যাত্ৰী আমি
সৰ্বহাৰাৰ মুক্তি কামী
.... .... .... .... .... ....
.... .... .... .... .... ....

শেষ যুদ্ধৰ আমি ৰণুৱা
পৃথিবীৰ হালোৱা বনুৱা
হ'ম বিজয়ী আমি দুখীয়া
ক'ত ৰ'বি ধনী এইবাৰ
হুচিয়াৰ! হুচিয়াৰ!
ধনী! মহাজন!! জমিদাৰ!!!''

শ্ৰেণী বিভক্ত সমাজত ধনী শ্ৰেণীয়ে কেনেকৈ দুখীয়াক শোষণ কৰে আৰু পৃথিবীৰ সকলো হালোৱা-বনুৱাই যে একে শ্ৰেণীৰ তাক তেওঁ ভালকৈ উপলব্ধি কৰিছিল আৰু গাইছিল। শ্ৰেণীভিত্তিক সমাজ ব্যৱস্থাক অস্বীকাৰ কৰি বা লুকাই ৰাখি আজি-কালিৰ কিছুমান নেতাৰ দৰে সমগ্ৰ অসমবাসীৰ মুক্তি তেওঁ বিচৰা নাছিল। তেওঁ এই ক্ষেত্ৰত স্পষ্টকৈ কৈছে—"যিবিলাক ধনী-জমিদাৰ, হাকিম, পুঁজিপতি, চাহ বাগিচাৰ মালিক তেওঁলোকে এই বাপতি-সাহোনীয়া সম্পত্তি অসমৰ কৃষ্টি সংস্কৃতি উপহাস আৰু আমোদৰ উপকৰণ বুলি ইতিকিং কৰি নিষ্ঠুৰ আনন্দ লভে। কিন্তু তেওঁলোক জানো অসমীয়া? তেওঁলোক জানো ভাৰতৰ নাগৰিক? তেওঁলোক অসমীয়া নহয়; ভাৰতৰ নাগৰিকো নহয়। পৃথিবীৰ আন আন দেশৰ সেই একে শোষক সম্প্ৰদায়ৰ তেওঁলোক; যাৰ জাতি নাই, দেশ নাই, কেৱল সুবিধাবাদী মুনাফাখোৰ, চোৰাং বজাৰী"। 'হিয়াৰ পুং' নামৰ গল্পটিত তেওঁ লিখিছে—'হতচিৰি হোৱা দৰ্কপলীয়া হালোৱা হজুৱা ভাই সকল! যেতিয়ালৈকে ধনীৰ আইন পেৰা যন্ত্ৰটো আপোনালোকে ভাঙি নেপেলায় তেতিয়ালৈকে সুখ-শান্তি আৰু মুক্তি নহয়। সেই পেৰা যন্ত্ৰটো নাশ কৰিবলৈকে আমাক বিপ্লৱ লাগে''। অৰ্থাৎ ধনীক শ্ৰেণীৰ ৰাষ্ট্ৰ যন্ত্ৰ বিপ্লৱৰ দ্বাৰা উচ্ছেদ কৰি শ্ৰমিক কৃষকৰ চৰকাৰ প্ৰতিষ্ঠা কৰিব লাগিব।

১৯৪৭ চনৰ ১৫ আগষ্টত দেশৰ স্বাধীনতাৰ নামত উৎসৱৰ যি ঢৌ উঠিছিল দীঘেলীত ৰাভাদেৱৰ নেতৃত্বত তেতিয়া ক'লা পতাকা উত্তোলন কৰি 'ইয়ে আজাদী ঝুঠা হ্যায়' বুলি প্ৰতিবাদৰ কণ্ঠ ধ্বনিত হৈছিল। সেই দিনত তেনে অৱস্থাত ই এক অবান্তৰ বা পাগলৰ প্ৰলাপ বুলিয়ে সৰহভাগেই ভাবিছিল। কিন্তু আজি তাক সঁচা বুলি সকলোৱে স্বীকাৰ কৰিছে। ১৯৪৭ চনৰ স্বাধীনতা প্ৰকৃত স্বৰাজ নাছিল। প্ৰকৃত স্বৰাজ হ'ল কৃষক বনুৱাৰ পঞ্চায়তী ৰাজ যি আজিও প্ৰতিষ্ঠা হোৱা নাই। তাৰ পিচত তেওঁ চি, পি, আই দলত যোগদান কৰে আৰু ১৯৬৭ চনত এবাৰ এম, এল, এ ও হয়। বহুতৰ দৰে ৰাভাদেৱৰো শেষৰ ফালে কিছু চ্যুতি-বিচ্যুতি ঘটিল।

স্বীকাৰ কৰিব লাগিব যে বিপ্লৱী আদৰ্শেৰে অনুপ্ৰাণিত হোৱা বাবেহে ৰাভাদেৱ এজন গণশিল্পী হব পাৰিছিল। প্ৰকৃত সংস্কৃতিৰ বাহক আৰু ধাৰক যে জনগণ আৰু জনগণৰ সংস্কৃতিৰ বিকাশৰ মাজেদিহে যে বিপ্লৱ সম্ভৱ তাক তেওঁ উপলব্ধি কৰিছিল আৰু বাস্তৱায়িত কৰিবলৈ হাতত তুলিকা লৈছিল। তেওঁ লিখিছে 'বাস্তৱ প্ৰয়োজনত যাৰ জনম, মানুহৰ জীৱন সংগ্ৰামত যি শকতি, বাস্তৱ জীৱন যাত্ৰাৰ বাস্তৱ উদ্দেশ্য সিদ্ধিত যি মুকুতি, সেয়েহে আচল কৃষ্টি প্ৰকৃত সংস্কৃতি''। কৃষ্টি সংস্কৃতিৰ গণমুখী উদ্দেশ্যৰ কথা উপলব্ধি কৰিয়েই গণদেৱতাৰ মাজত তেওঁ সোমাই পৰিছিল আৰু তেওঁলোকৰ বাবেই শিল্পৰ সৃষ্টি কৰিছিল। তেওঁ জনগণৰ সৃজনী শক্তিক বুজি পাইছিল। সেয়ে তেওঁ কৈছিল—"আপোনালোকে মোক

জীৱন শিল্পী বুলি কয়। যদি প্ৰকৃততে মই জীৱন শিল্পী হও সেয়া ভগৱানৰ করুণাত নহয়, জনতাৰ সৃজনী শক্তিতহে। ‘শিল্পী’ কথাষাৰ আজি-কালি বৰ সহজ হৈ পৰিছে। কিন্তু শিল্পী হবলৈ হলে ঝাঞ্জা বিজয়ী আত্মাৰ অধিকাৰী হব লাগিব। প্ৰশান্ত সাগৰত ডুবমাৰি অসংখ্য শামুক বুটলিব পৰা দুঃসাহস আৰু দুৰ্বাৰ শক্তি থাকিলেহে আজি আৰ্টৰ মুক্তা লাভ কৰা সম্ভৱ।

ৰাভাদেৱে অসমত বাস কৰা সকলো জনগণকে এটা জাতি হিচাপে গঢ়ি তোলাৰ পৰিকল্পনা কৰি ১৯৩০ চনৰ পৰা ‘বাঁহী’ আলোচনীত ‘বৃহত্তৰ অসমৰ পৰিকল্পনা’ নামৰ এলানি প্ৰবন্ধ লিখিছিল। বিভিন্ন জাতি-জনজাতিৰ সাংস্কৃতিক বিকাশ আৰু সমন্বয়ৰ মাজেদি এখন বৃহত্তৰ নতুন অসম গঢ়াৰ বাবেই তেওঁ অকল কলমেই ধৰা নাছিল ৰাজনৈতিক সংগ্ৰামো কৰিছিল। এই তাৎপৰ্য্য উপলব্ধি কৰি বাস্তৱ কাৰ্য্যকৰী ব্যৱস্থা লোৱাটো সাম্প্ৰতিক সময়ত অতি প্ৰয়োজনীয় হৈছে। অকল ৰাভাদেৱৰ নাম গাই বা ৰাভাদিৱস পালনেৰে অসমৰ ঐক্য আৰু সমন্বয় সাধন কৰিব পৰা নাযায়। ৰাভাদেৱে এই সন্দৰ্ভত সন্দেহ প্ৰকাশ কৰি ২য় বছৰ ২১শ সংখ্যা ‘আবাহন’ত লিখিছিল — “অসমৰ অত্যাচাৰিত আৰু অৱনত জাতি সমূহক আন আন উন্নত জাতিৰ লগতে একে আসনতে ঠাই দিবলৈ অসমৰ প্ৰত্যেক ৰাজনীতিজ্ঞ আৰু সমাজনেতা সকলে এতিয়াৰ পৰা চেষ্টা কৰা উচিত। তাকে নকৰিলে অৱনত জাতি সকলৰ বুকুত বিদ্ৰোহৰ অগ্নি জ্বলাই আৰু অসমত এটা গৃহ কন্দলৰ বাঁহ সাজি দিয়া হব”। ৰাভাদেৱৰ উক্ত ভৱিষ্যত বাণী আজি ফলৱতী হোৱাৰ উপক্ৰম হৈছে। সেয়ে আমি তেওঁ দেখুৱাই যোৱা পথ নিষ্ঠাৰে অনুসৰণ কৰি কাৰ্য্যকৰী ব্যৱস্থা ললেহে অসমৰ ঐক্য আৰু সংহতি ৰক্ষা হব।

জাতীয় সংহতি সম্পৰ্কে ৰাভাদেৱে লিখিছে এটা জাতিৰ লগত আন এটা জাতিৰ সমন্বয় হবলৈ হলে পৰস্পৰৰ ভিতৰত উভয়ৰ বিষয়ে জ্ঞান থকা উচিত। নিজৰ ধৰ্ম্ম কৃষ্টি, সমাজ আৰু সংস্কৃতিৰ উপৰিও আনৰ ধৰ্ম্ম কৃষ্টি আৰু সমাজ সংস্কৃতিৰ বিষয়ে গভীৰ জ্ঞান থকা উচিত। পৰস্পৰৰ ভিতৰত অকৃত্ৰিম আৰু আন্তৰিক শ্ৰদ্ধা ভক্তি ৰাখি কালৰ ৰথৰ চকাত অগ্ৰগতিৰ তালে তালে প্ৰগতিৰ অসীম বাটেদি অগ্ৰসৰ হোৱা উচিত। ........গভীৰ জ্ঞান, গভীৰ অধ্যয়ন নাথাকিলে ভুল ত্ৰুটি যথেষ্ট থাকি যোৱাত প্ৰগতিৰ পথত পৰস্পৰৰ ভিতৰত কাজিয়া হোৱাৰ ফলত হেঙাৰ পৰিবৰ সম্ভাৱনা। তদুপৰি ধৰ্ম্ম-কৃষ্টি, সংস্কৃতি আৰু সমাজৰ বিষয়ে গভীৰ জ্ঞান নাথাকিলে এই দুয়ো জাতিৰ সমন্বয় হব নোৱাৰে। বৰং কলুষেৰে ভৰপুৰ হৈ ধ্বংসৰ বাটহে মুকলি কৰা হব”। তেওঁ আকৌ কৈছিল—‘অসমীয়া সমাজক একগোট কৰি গোটাব পাৰিলেহে আমাৰ আৰ্থিক, ভাষা আৰু সংস্কৃতিৰ উন্নয়ন হব আৰু জীয়াই ৰাখিব পাৰিম। জাতি বা জনজাতিৰ মাজত থান-বান হলে প্ৰত্যেক জাতি বা গোষ্ঠীয়েই মৰিব”। আজি আমি এই কথাৰ তাৎপৰ্য্য বুজি আন্তৰিকতাৰে পালন কৰিলেহে অধিক ফলপ্ৰসূ হব।

ৰাভা দিৱস উদ্‌যাপন কৰিলেই অসম আৰু অসমীয়াৰ মুক্তি নহয় আৰু অসমীয়া

সংস্কৃতিও চহকী নহয় বা ঐক্য আৰু সম্প্ৰীতিও গঢ়ি নুঠে। ৰাভাই যি আদৰ্শেৰে অনুপ্ৰাণিত হৈ অসমৰ জনগনৰ মুক্তি বিচাৰিছিল, বৰ অসম গঢ়াৰ সপোন দেখিছিল তাকেহে আমি বাস্তৱায়িত কৰিব লাগিব। তাৰ বাবে ত্যাগ সাহস আৰু সঠিক আদৰ্শৰ প্ৰয়োজন। প্ৰয়োজন তেওঁৰ দৰে জাতি-জনজাতিৰ সমন্বয়ৰ সেতু বান্ধি গন-সংস্কৃতিৰ পূজাৰে শোষিত জনগনৰ মুক্তিৰ বাবে সৈনিক শিল্পী হোৱা আৰু লগতে একাগ্ৰতা আৰু আন্তৰিকতাৰ। এই সন্দৰ্ভত অমূল্য মান্নাই লিখা কেইষাৰমান কথা উল্লেখ কৰিব পাৰি— "আমি আজি চৰকাৰী-বেচৰকাৰী কলা-কেন্দ্ৰ শিক্ষা কেন্দ্ৰত ৰাজহুৱাভাৱে বিষ্ণু ৰাভা দিৱস পালন কৰি তেওঁৰ গাত অসমীয়া কলা-সংস্কৃতিৰ আধাৰ বুলি কৈ ফটো' এখনত ফুলৰ বা কাগজৰ মালা পিন্ধাই ওচৰত তুডালমান ধুপ জ্বলাই দি সভা বক্তৃতাৰ মাধ্যমত তেওঁৰ গুণ কীৰ্ত্তন কৰোহঁক আৰু ৰাজহুৱা ধনেৰে জাক-জমকতাৰে খোৱা-বোৱা, মাইকৰ যোগেৰে প্ৰচাৰ আদিৰে কৰ্ত্তব্য পালন কৰো। এইবোৰ বিষ্ণু ৰাভা, বিষ্ণুৰাভা বুলি হৈ চৈ কৰা দেখিলে মোৰ মনটো বিদ্ৰোহী হৈ উঠে—তেতিয়া মনত পৰে তেওঁৰ প্ৰতি আমি কৰা অপমান, অৱহেলা আৰু প্ৰতাৰনাৰ কথা"। (আজিৰ অসম/২০জুন,১৯৯১)

সাম্প্ৰতিক পৰিস্থিতিত বিষ্ণুৰাভা আৰু তেওঁৰ আদৰ্শৰ সঠিক মূল্যায়ন আৰু বাস্তৱায়ন অতি প্ৰয়োজন হৈ পৰিছে। এই দায়িত্ব অসমৰ জনগনেই লব লাগিব নিশ্চয়। □

# ঠাই সলনি কৃষি ঃ ইয়াৰ বৈশিষ্ট্য আৰু উত্তৰ-পূৰ ভাৰতৰ ঝুম খেতি

**খগেন শৰ্মা**

**প্ৰৱক্তা, ভূগোল বিজ্ঞান বিভাগ**

প্ৰাকৃতিক পৰিবেশ আৰু জলবায়ুৰ ভিন্নতাৰ বাবেই পৃথিৱীৰ বিভিন্ন ঠাইত বিভিন্ন ধৰণে খেতি কৰা হয়। উৎপাদনৰ পৰিমান আৰু বজাৰৰ ওপৰত ভিত্তি কৰি কৃষিক আদিম ৰোপন কৃষি (Primitive Subsistence agriculture), বাণিজ্যিক কৃষি (Commercial agriculture) আৰু ৰোপন কৃষি—এই তিনিভাগত ভগাব পাৰি। আদিম পোষণ কৃষিক আকৌ জনবসতিৰ স্থায়িত্ব অনুসৰি স্থানান্তৰিত বা ঠাই সলনি কৃষি (Shifting agriculture) আৰু স্থানবদ্ধ কৃষি (Sedentary agriculture) এই দুই ভাগত ভগোৱা হৈছে।

মধ্য আফ্ৰিকা, আমাজান অৱবাহিকা আৰু দক্ষিণ-পূৰ এচিয়া—এই তিনিটা অঞ্চলতে ঠাই-সলনি কৃষি কৰা হয়। প্ৰখৰ সূৰ্য্যৰ তাপ আৰু অতিপাত বৰষুণে এই অঞ্চলত গছ-গছনি লহ-পহকৈ বাঢ়ি অহাত সহায় কৰে। যি কৃষিত প্ৰতি ৩ বা ৪ বছৰৰ মূৰে মূৰে কৃষক সকলে তেওঁলোকৰ কৃষি পথাৰ আৰু বসতি পৰিত্যাগ কৰি নতুন অঞ্চলত কৃষি কৰিবৰ বাবে গতি কৰে তাকে স্থানান্তৰী বা ঠাই সলনি কৃষি বোলে। এই কৃষিক পৃথিৱীৰ বেলেগ বেলেগ ঠাইত বেলেগ বেলেগ নামেৰে জনা যায়। উত্তৰ-পূৰ ভাৰতত ইয়াক 'ঝুমখেতি' বুলি কোৱা হয়। ভাৰতৰ বিভিন্ন ঠাইত যেনে—বিহাৰ, উৰিষ্যা, মধ্যপ্ৰদেশ, অন্ধ্ৰপ্ৰদেশ আৰু কৰ্ণাটকত এই খেতিক প'ডু, বৃংগা, দাহিয়া, বিৱাৰ আদি নামেৰে জনা যায়। আনহাতে মধ্য-আমেৰিকা আৰু আফ্ৰিকাৰ কিছু অংশত মিলপা, ব্ৰাজিলত ৰ'কা, কঙ্গোত মাছলি, মালয়েছিয়াত লাডং, থাই-লেণ্ডত তাৰমাই নামেৰে প্ৰসিদ্ধ। পৃথিৱীৰ মুঠ কৃষিভূমিৰ ⅕ অংশত এই খেতি কৰা হয়।

**বৈশিষ্ট্যঃ** ঝুমখেতিৰ কেইটামান বৈশিষ্ট্য আছে।

**স্থান নিৰ্ণয় ঃ** অভিজ্ঞলোকৰ দ্বাৰা স্থান নিৰ্ণয় কৰা হয়। সাধাৰণতে গছ-গছনি থকা পাহাৰৰ এঢলীয়া অৰণ্য অঞ্চল এই খেতিৰ বাবে নিৰ্ব্বাচন কৰা হয়।

**মাটি পৰিস্কাৰ ঃ** স্থান নিৰ্ণয় হোৱাৰ পিছত তাত থকা গছ বন কাটি শুকুৱাই জুই লগাই দিয়ে; কেতিয়াবা গছ নকটাকৈয়ে জুই লগাই দিয়ে। ছাই বিলাকে সাৰৰ কাম কৰে। সেই কাৰণে ঠাই সলনি কৃষিক 'Cut-and-burn agriculture' বুলি কোৱা হয়।

**মাটিৰ মালিকীস্বত্ব আৰু পৰিমাণ ঃ** এই কৃষিত মাটিৰ ব্যক্তিগত মালিকীস্বত্ব নেথাকে। এটা গোষ্ঠীয়ে সমূহীয়াভাবে মাটি মুকলি কৰি খেতি কৰে। অৱশ্যে এজন লোকে যিমান মাটি মোকোলাব পাৰে সিমানখিনিৰ উৎপাদিত শস্য

তেওঁ লাভ কৰে। মাটিৰ পৰিমান সাধাৰনতে ১—৩একৰ (০.৫—১ হেক্টৰ)ৰ ভিতৰত থাকে।

**খেতিৰ সঁজুলি** : এই খেতিত অতি প্ৰাচীন সঁজুলি যেনে—কোৰ, দা, খন্তি, জোং, চিপ্ৰাং, কাচি আদিৰে মাটি চহোৱা আৰু শস্য চপোৱা কাম কৰা হয়। কোনোধৰনৰ জন্তু ব্যৱহাৰ আৰু হাল বোৱা নহয়।

**শস্য** : শস্য চটিয়াই খেতি কৰা হয়। ধান, মাকৈ, আলু, কচু, ঘেঁহু, বাদাম, মাটিকঠাল, টেঙামৰা, আদা, কপাহ, জলকীয়া, লাও, হালধি কল আদি শিপা প্ৰধান শস্যই প্ৰধান।

**শস্য ৰক্ষা** : বনৰীয়া জন্তু, চৰাই-চিৰিকতি আদিৰ পৰা শস্য ৰক্ষা কৰাৰ বাবে পাহাৰৰ ওপৰত 'টঙ্গীঘৰ' সাজি ৰখি থাকে। এটা গোষ্ঠীৰ সকলো মানুহে—মুনিহ-তিৰোতা, ল'ৰা-ছোৱালী, খেতিৰ কামত লাগে।

**স্থান পৰিবৰ্ত্তন** : প্ৰতিডোখৰ খেতিমাটিত ২—৩ বছৰহে খেতি কৰিব পাৰে; সাৰ কমি যোৱাত সেই ঠাই ত্যাগ কৰি অন্য ঠাইলৈ যাব লগা হয়। ১৪—১৫ বছৰৰ পিছত পুনৰ সেই ঠাইলৈ ঘুৰি আহিব লগা হয়। জনসংখ্যা বৃদ্ধিৰ ফলত এই'ঝুমচক্ৰ' ৰ (Jhum cycle) সময় কমি আহিব ধৰিছে।

**উপৰুৱা বৃত্তি** : শস্য সিচাৰ পৰা চপোৱাৰ ভিতৰৰ সময়চোৱাত খেতিয়ক সকলে চিকাৰ, মাছধৰা, ফলমূল সংগ্ৰহ আদিৰ দ্বাৰা জীৱিকা নিৰ্ব্বাহ কৰে। জীয়াই থকাৰ বাবে অধিক কষ্ট কৰিব লগাত পৰে।

**উৎপাদন** : উৎপাদনৰ পৰিমান অতি কম। শস্য ৰাহি নহয়। গোটেই বছৰৰ বাবে প্ৰয়োজনীয় শস্য নেপায়। সাৰ প্ৰয়োগ নকৰা, অনুন্নত বীজ, ভূমিক্ষয়, পুৰণি আহিলা-পাতিৰ ব্যৱহাৰ আদিৰ বাবেই উৎপাদন কম।

**বনাঞ্চল ধ্বংস** : এই খেতিৰ পৰা বনাঞ্চলৰ পৰিমান কমি আহে আৰু ভূমিক্ষয় হয়। মূল্যবান উদ্ভিদো বাট মুকলি কৰোতে কাটি পেলোৱা হয়। প্ৰতি হেক্টৰ মাটিৰ পৰা ৪৫—৫৯ টন পৰ্য্যন্ত ভূমি ক্ষয় হয়।

**উত্তৰ পূৰ্ব্বাঞ্চলত ঝুম খেতি** :

অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, মিজোৰাম, নাগালেণ্ড আৰু ত্ৰিপুৰা এই সাতখন ৰাজ্যৰে গঠিত উত্তৰ-পূৰ ভাৰতৰ মুঠ ভৌগোলিক মাটিকালি ২৫৯০৩৭ বৰ্গ কি.মি.। মুঠ জনসংখ্যাৰ শতকৰা ৮০ ভাগেই গাৱত বাস কৰে আৰু কৃষিয়েই এওঁলোকৰ প্ৰধান জীৱিকা। কৃষিয়েই প্ৰধান অবলম্বন হলেও ই উন্নত ধৰণৰ নহয়—পৌৰাণিক ভৰণ-পোষণ কৃষিহে। এই অঞ্চলৰ কৃষিক দুটা ভাগত ভগাব পাৰি—১) স্থানবদ্ধ আৰু ২) ঝুমখেতি। স্থানবদ্ধ বা স্থায়ী কৃষি উপত্যকাৰ সমতল অঞ্চল, গিৰিপাদদেশ আৰু পাহাৰৰ এঢলীয়া অংশত ঢাপ কাটি কৰা হয়। মাত্ৰ ১৩.৩১ শতাংশ মাটিতহে স্থানবদ্ধ কৃষি কৰা হয়। ভাৰতবৰ্ষৰ গড় জনমুৰি কৃষিমাটি ৯২৬ হেক্টৰৰ বিপৰীতে উত্তৰ পূৱ-ভাৰতৰ জনমুৰি কৃষি মাটিৰ পৰিমান ০—১৩ হেক্টৰ।

স্থানবদ্ধ কৃষিৰ বিপৰীতে ঝুম খেতিয়েই উত্তৰ-পূৰ্ব্বাঞ্চলৰ পাহাৰীয়া অঞ্চলৰ বিভিন্ন জনজাতি সকলৰ মাজত প্ৰাধান্য বিস্তাৰ কৰি আহিছে। উত্তৰ পূৱ ভাৰতত সৰু বৰ ১৪৫ টা পাহাৰী জনজাতি সম্প্ৰদায়ৰ লোক আছে। অৰুণাচল প্ৰদেশৰ আপাতনি আৰু মনপা, নগালেণ্ডৰ আংগামী নগা আৰু মেঘালয়ৰ হাজং

জনজাতি সকলৰ বাহিৰে সকলোৱে ঝুমখেতি কৰে। পাহাৰীয়া জনজাতিসকলে ঝুমখেতিকেই মনত নপৰা দিনৰে পৰা জীৱিকাৰ উপায় হিচাবে লৈ আহিছে। এই অঞ্চলত ঝুমখেতিৰ মাটিৰ পৰিমান হ'ল ২৬.৯৫ লাখ হেক্টৰ বা প্ৰায় ৫০০০ বৰ্গ কি.মি. আৰু প্ৰত্যক্ষ বা পৰোক্ষ ভাবে নিয়োজিত লোকৰ সংখ্যা হ'ল ২.৭ নিযুত। অসমৰ দুখন পাহাৰীয়া জিলা উত্তৰ কাছাৰ পাৰ্ব্বত্য জিলা আৰু কাৰ্বিআংলং ত এই খেতি কৰা হয়। উত্তৰ কাছাৰত শতকৰা ৭০ ভাগ মাটিত ঝুমখেতি কৰে। তলৰ তালিকাখনত ঝুমখেতিৰ মাটি কালি আৰু তাত নিয়োজিত লোকৰ সংখ্যা দেখুউৱা হৈছে।

**তালিকা নং— ১**

**ঝুম খেতিৰ মাটিৰ পৰিমাণ আৰু নিয়োজিত জনসংখ্যা**
[ ১৯৭৪-৭৫ ]

| ৰাজ্য | ঝুমখেতিৰ মাটিকালি ( বৰ্গ কিঃ মিঃ ) | নিয়োজিত জনসংখ্যা ( '০০০ ) |
|---|---|---|
| অৰুণাচল প্ৰদেশ | ৯২০ | ৭৯৭ |
| অসম | ৬৯০ | ৩৩১ |
| মণিপুৰ | ৬০০ | ২৯৩ |
| মেঘালয় | ৭৬০ | ৩৪৪ |
| মিজোৰাম | ৬৫০ | ২৯৫ |
| নগালেণ্ড | ৭৩০ | ৫৯৬ |
| ত্ৰিপুৰা | ৬২০ | ২৪৬ |

উৎস : শৰ্ম্মা, বি, ডি ১৯৮৪

মুঠ কৃষিভূমিৰ কিমান শতাংশ ঝুমখেতিৰ বাবে ব্যৱহাৰ কৰা হয় আৰু মুঠ কিমান শতাংশ লোক এই খেতিত নিয়োজিত হৈ আছে সেইটো কথাও মনকৰিবলগীয়া। তলৰ তালিকাখনত ইয়াক দেখুওৱা হৈছে।

**তালিকা— ২**

**কৃষিভূমি আৰু ঝুম খেতিত নিয়োজিত জনসংখ্যাৰ শতাংশ। ১৯৭৬**

| ৰাজ্য | ঝুমখেতিৰ মাটি ( হেক্তৰ ) | মুঠ কৃষি ভূমিৰ শতকৰা | ঝুম খেতিত নিয়োজিত জনসংখ্যা ( '০০০ ) | মুঠ জনসংখ্যাৰ কিমান শতাংশ ঝুম খেতিত নিয়োজিত |
|---|---|---|---|---|
| অৰুণাচল প্ৰদেশ | ৭০,৩০০ | ৬১·১৩ | ২৭০ | ৫৭·৬৯ |
| মেঘালয় | ৭৬,০০০ | ৪২·৬৯ | ৩৫০ | ৩৪·৫৮ |
| মণিপুৰ | ৫০,০০০ | ৩৫·৭১ | ৩০০ | ২৭·৯৫ |
| নগালেণ্ড | ৮৩,৬০০ | ৪৫·৯৩ | ? | ? |
| মিজোৰাম | ৬০,০০০ | ৭৭·৯২ | ২৬০ | ৮০·৭৪ |
| ত্ৰিপুৰা | ১৭,০০০ | ৬·০১ | ১০০ | ৬·৪২ |
| অসম | ৭০,০০০ | ২·৬১ | ৪০৩ | ০·৪৮ |

উৎস : দাস, এম, এম, নৰ্থ ইষ্টাৰ্ণ জিঅ'গ্ৰাফাৰ, ১৮ নং

ইয়াত দেখা গৈছে যে মিজোৰামত সৰ্ব্বাধিক ৭৭.৯২ শতাংশ কৃষি ভূমি ঝুম খেতিৰ বাবে ব্যৱহাৰ কৰা হৈছে। অসমত মাত্ৰ ২.৬১ শতাংশহে ঝুম খেতিৰ মাটি আছে। তেনেদৰে মিজোৰামত মুঠ জনসংখ্যাৰ শতকৰা আশী ভাগৰো বেছি 'ঝুমিয়ান' আনহাতে অসমত মাত্ৰ ০.৪৮ ভাগ লোক হে 'ঝুমিয়ান'।

এই অঞ্চলত ঝুমখেতি কৰা প্ৰণালীবোৰ হ'ল—(ক) ঠাই নিৰ্ব্বাচন নভেম্বৰ-ডিচেম্বৰ (খ) জঙ্ঘল কটা—ডিচেম্বৰ-জানুৱাৰী (গ) জুই লগোৱা ফেব্ৰুৱাৰী-মাৰ্চ (ঘ) শস্য চটিওৱা এপ্ৰিল-জুন (ঙ) শস্য চপোৱা ডিচেম্বৰৰ আগভাগতে। ঝুমখেতিৰো ইয়াত স্থানীয় নাম আছে। গাৰোসকলে বাগাম, খাচীসকলে লাংখালুম, কাৰ্বিসকলে ৰীট, আও নগাসকলে টে কংগ্লু, আদিসকলে আদিয়াবিক আৰু ত্ৰিপুৰীসকলে হুক্‌নিচ্‌মংগ আদি নামেৰে মাতে।

**ঝুমখেতিৰ কাৰণ—**

ভূ-প্ৰাকৃতিক গঠনেই উঃ-পূৱ ভাৰতত ঝুমখেতি কৰাৰ প্ৰধান কাৰণ। উত্তৰ পূৱ ভাৰতৰ মানচিত্ৰখন চালেই দেখাপাম যে ইয়াৰ মুঠ মাটিকালিৰ শতকৰা ৬০ ভাগ পাৰ্ব্বত্য অঞ্চল, শতকৰা ১২ ভাগ মালভূমি অঞ্চল আৰু শতকৰা ২৮ ভাগহে সমভূমি অঞ্চল। ইয়াত স্থানবদ্ধ খেতি কৰা হয়, প্ৰধানতঃ মাত্ৰ চাৰিটা সমতল ভূমিত (১) ব্ৰহ্মপুত্ৰ উপত্যকা (৫৬৪৮০ ব, কি,মি,) (২) বৰাক উপত্যকা (৬৯৬২ ব,কি,মি,) (৩) মনিপুৰ সমভূমি ( ১৮৪৩ ব, কি, মি, ) আৰু ত্ৰিপুৰা সমভূমিৰ ( ৩৫০০ ব, কি, মি, )

ইয়াৰ উপৰি অন্যান্য দেশ যেনে জাপান আদিত প্ৰচলিত 'বেদিকা কৃষি' ( **Terrace cultivation** ) প্ৰচলন কৰাৰ বাবে উপযুক্ত কৌশল আৰু কাৰিকৰী জ্ঞানৰ অভাবৰ বাবেই পাহাৰীয়া জনজাতি লোকসকলে বাধ্যত পৰিয়েই জীৱিকা নিৰ্ব্বাহৰ বাবেই এই কষ্টসাধ্য অস্থায়ী খেতি কৰি থাকিব লগা হৈছে।

**সমস্যা আৰু সম্ভাৱনা—**

ঝুমখেতিৰ প্ৰচলনৰ ফলত এশ এবুৰি সমস্যাই গা কৰি উঠিছে। প্ৰধান সমস্যা কেইটা তলত আলোচনা কৰা হ'ল—

(ক) **ভূমিক্ষয়ঃ** ঝুমখেতিৰ ফলত হোৱা ভূমিক্ষয় এটা ডাঙৰ সমস্যা ৰূপে দেখা দিছে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ দুয়ো কাষে থকা পাহাৰীয়া এচলীয়া অংশত এই খেতি কৰাৰ ফলত কোমল মাটিবোৰ বোৱতী পানীয়ে উপনদী বোৰৰ সহায়ত উটুৱাই আনি ব্ৰহ্মপুত্ৰ নদীত গোট খুৱাইহি। ফলত নদীতল বাম হৈ উপনদী আৰু মূল নদীত বানপানীৰ প্ৰকোপ বৃদ্ধি পাব লাগিছে। এক বৰ্গ কি মি. আয়তনৰ অঞ্চল এটাৰ পৰা বছৰি ১৭৮০—৪০৯৫ টন পৰ্য্যন্ত ভূমি ক্ষয় হয়। উত্তৰ-পূৱ ভাৰতত ৮.৮ নিযুত হেক্টৰ মাটি ভূমিক্ষয়ৰ দ্বাৰা আক্ৰান্ত হৈছে। ইয়াৰ উপৰি এই খেতিৰ ফলত পৃষ্ঠভূমি অংশ নষ্ট হয়।

(২) **বনাঞ্চল ধ্বংস—**

ঝুমখেতিৰ ফলত বনাঞ্চল ধ্বংস হোৱাৰ কথা আগতেই উল্লেখ কৰা হৈছে। আদিতে 'ঝুমচক্ৰ'ৰ সময় ৩০—৪০ বছৰ আছিল। কিন্তু জনসংখ্যা বৃদ্ধিৰ ফলত ইয়াৰ পৰিমান কমি ৫—৭ বছৰত কৈয়ো কমহে হৈছেহি। সেয়ে বনাঞ্চল ধ্বংসৰ পৰিমানো বাঢ়ি আহিব ধৰিছে। ৰাষ্ট্ৰীয় বনাঞ্চল নীতি অনুসৰি পাহাৰীয়া অঞ্চলত ৬০% ভাগ আৰু সমভূমি অঞ্চলত কমেও

২০% ভাগ মাটি বনাঞ্চল হোৱা উচিত। কিন্তু তলৰ তালিকা খনত দেখা গৈছে যে অৰুণাচল প্ৰদেশ আৰু মনিপুৰতহে প্ৰয়োজনীয় বনাঞ্চল আছে। তুখন পাহাৰীয়া জিলাৰে অসমতো প্ৰয়োজনীয় বনাঞ্চল আছে যদিও ই ক্ৰমান্বয়ে কমি আহিব ধৰিছে। আনহাতে বাকী কেইখন ৰাজ্যত প্ৰয়োজনীয় বনাঞ্চল নাই।

### তালিকা নং— ৩

### উঃ পূঃ ভাৰতৰ বনাঞ্চল— ১৯৭৬-৭৭

| ৰাজ্য | আয়তন ( ব, কি, মি ) | মুঠ আয়তনৰ শতাংশ |
|---|---|---|
| অৰুণাচল প্ৰদেশ | ৪১,৫৪০ | ৬১.৫ |
| অসম | ২৮,৬০৮ | ৩৭.০ |
| মণিপুৰ | ১৫,১৫৪ | ৬৭.০ |
| মেঘালয় | ৮,৫২৮ | ৩৩.৫ |
| মিজোৰাম | ১২,২৩৩ | ৫৭.০ |
| নগালেণ্ড | ২,৮৭৬ | ১৭.৫ |
| ত্ৰিপুৰা | ৬,০১১ | ৫৭.০ |
| উঃ পূৰ্ব্বাঞ্চল | ১,২৪,৯৫০ | ৪৯.০ |

উৎসঃ বেচিক ষ্টেটিচটিক্‌চ অফ নৰ্থ ইষ্ট ৰিজন, ১৯৮০, এন, ই, চি, চেক্ৰেটৰিয়েট, শ্বিলং

### পাৰিপাৰ্শ্বিক ভাৰসাম্যৰ সমস্যা :

ঝুমখেতিৰ বাবে হোৱা ভূমিক্ষয়, বনাঞ্চল ধ্বংস আদিয়ে পাৰিপাৰ্শ্বিক ভাৰসাম্য ৰক্ষাত বেয়া ধৰণে প্ৰভাৱ পেলাইছে। বৰষুণ কমি যাব লাগিছে অথবা অনিয়মীয়া হৈছে। হঠাতে হোৱা বৰষুণেও বানপানী হোৱাত অৰিহনা যোগাইছে। এই বিলাকৰ ফলত সমভূমি অঞ্চলত বসবাস কৰা লোকৰ ওপৰত কু-প্ৰভাৱ পৰিছে।

### সমাধান :

ঝুমখেতিৰ পৰা হোৱা ক্ষয়ক্ষতিৰ পৰা ৰক্ষা পাবৰ হেতু ইয়াৰ বিকল্প ব্যৱস্থাৰ বাবে বিভিন্নজনে চিন্তা-চৰ্চ্চা কৰি বিভিন্ন পৰামৰ্শ আগবঢ়াইছে। তলত কেইটামান পৰামৰ্শ আগবঢ়োৱা হ'ল —

### বেদিকা কৃষিৰ প্ৰবৰ্ত্তন :

পাহাৰীয়া এচলীয়া অংশত বেদিকা সাজি উন্নত পদ্ধতিৰে খেতি কৰাৰ সা-সুবিধা আগবঢ়াব লাগিব।

### ৰোপণ কৃষি :

নিৰ্দ্দিষ্ট কিছুমান অঞ্চলত ৰবৰ আৰু কফি খেতি কৰিব পৰা যায়। এই দুটি খেতি অসমৰ পাহাৰীয়া জিলা দুখনত কৃতকাৰ্যতাৰে সম্পন্ন কৰা হৈছে। তেনেদৰে ত্ৰিপুৰা আৰু মণিপুৰতো ক্ৰমে ৫০০ হেক্তৰ আৰু ১০০ হেক্তৰ মাটিত পৰীক্ষামূলক হিচাবে লগোৱা হৈছে। গতিকে পৰিয়াল ভিত্তিত ঝুমিয়ান সকলক এই খেতি কৰিবৰ বাবে চৰকাৰে সকলো সা-সুবিধা দিয়া উচিত।

**বিকল্প উপাৰ্জনৰ ব্যৱস্থা ঃ**

ঝুমিয়ান সকলক দ্বিতীয়ন্দ (Secondary) আৰু তৃতীয়ন্দ ( Tertiary ) কাৰ্য্যত উদ্‌গনি দিয়াৰ উদ্দেশ্যে চৰকাৰে ঋণ, কাৰিকৰী ছাত্ৰৰ নিৰ্দ্দেশনা আদি দিয়া উচিত।

**সামৰণি ঃ**

ঝুমখেতি পাহাৰীয়া অঞ্চলৰ লোক সকলৰ সংস্কৃতিৰ অংগ। গতিকে তাক বিকল্প ব্যৱস্থা নোলোৱাকে আৰু সেই লোক সকলৰ সন্মতিৰ অবিহনে বন্ধ কৰিব নোৱাৰি। সুক্ষ্ম অধ্যয়নৰ দ্বাৰা পৰিকল্পিত ভাবে ঝুমিয়ান সকলক বিকল্প অৰ্থনৈতিক কাৰ্য্য ক্ষেত্ৰত নিয়োজিত কৰিলেহে সমস্যাটো সমাধান হ'ব।

—সহায়ক গ্ৰন্থপঞ্জী—


1. Guha, J. L. & Chattaraj, P. R.— "Economic Geography-A Study of Resource"
2. Hussain, M.— "Agricultural Geography"
3. Das, M. M. & Dutta, L. — "Regional Variation in land-use and Agriculture in North-East India"
North Eastern Geographer, Vol. 18, 1986
4. Bhagawati, A. K. — "A Spatial Apprisal of Land and Natural Vegetation in N. E. India", North Eastern Geographer, Vol. 18, No. 182, 1986

বিজ্ঞানভিত্তিক—

# ন'ভা আৰু চুপাৰ ন'ভা

## Nova & Super Nova

—বিৰাজ বৈশ্য
স্নাতক, দ্বিতীয় বাৰ্ষিক (বিজ্ঞান)

আপুনি জানেনে যে জীৱজগতৰ দৰে তৰাৰো জন্ম মৃত্যু আছে। কথাষাৰ ভাবিলে আচহুৱা যেন লাগে নহয় জানো। কিন্তু সেইটোৱেই সঁচা। অৱশ্যে মানুহৰ জীৱন কালতকৈ তৰাৰ জীৱন কাল অতিশয় দীঘলীয়া। সূৰ্য্যৰ দৰে মধ্যমীয়া তৰাবোৰৰ জীৱন কাল প্ৰায় দহ বিলিয়ন বা এহেজাৰ কোটি বছৰ।

এটা নিৰ্দিষ্ট জীৱন চক্ৰৰ মাজেৰে যোৱাৰ পিছত এটা তৰাৰ মৃত্যু হব পাৰে। যিবোৰ তৰাৰ শেষ বয়সত কোনো এটা অংশত প্ৰচণ্ড বিস্ফোৰণ ঘটে তাক ন'ভা (NOVA) বোলে। আনহাতে যদি গোটেই তৰাটো একেলগে বিস্ফোৰিত হয় তেনেহলে তাক চুপাৰ ন'ভা (SUPER NOVA) বোলা হয়। বিস্ফোৰণৰ ফলত ওলোৱা উজ্বল পোহৰ পৃথিবীৰ মানুহৰ চকুত পৰিলে নতুনকৈ দেখা পোৱা তৰা বুলি ভাবে বাবে ইয়াক ন'ভা বা 'নতুন তৰা' বুলি কয়।

১৫৭২ চনত কাশ্যপী মণ্ডলত (Cassiopia) দেখা ন'ভাটো জ্যোতিৰ্ব্বিদ টাইকো ব্ৰাহেই আটাইতকৈ উজ্বল ন'ভা বুলি কৈছিল। তেওঁ ইয়াৰ নাম "টাইকো তৰা" ৰাখিছিল। আমাৰ হাতী-পতিত থকা দহ মিলিয়ন তৰাৰ ভিতৰত বছৰি ৫০-ৰ পৰা ১০০ টা মান ন'ভাৰ বিস্ফোৰণ ঘটি থাকে। ন'ভাৰ উজ্বলতা কম হোৱা বাবে বহুতক আকৌ চিনাক্তই কৰিব নোৱাৰি।

আনহাতে চুপাৰ ন'ভাৰ উজ্জলতা ন'ভাৰ তুলনাত প্ৰায় ১০ হাজাৰ গুণ বেছি। আমাৰ সূৰ্য্যতকৈ হাজাৰ কোটি গুণে চুপাৰ ন'ভাৰ উজ্জলতা বেছি। সেইবাবে ইয়াক খালী চকুৰেও দেখা হয়। ১৯৮৬ চনৰ ২৩ ফেব্ৰুৱাৰীত দেখা চুপাৰ ন'ভাটো হাতীপতিৰ বাহিৰত অৱস্থিত। আমাৰ পৰা ইয়াৰ দূৰত্ব ১৭০,০০০ পোহৰ বছৰ। সেই বিস্ফোৰণৰ পোহৰ পৃথিবীত আহি পাওঁতে সময় লাগিছে একলাখ ৭০ হাজাৰ বছৰ

( চেকেণ্ডত তিনি লাখ কিলোমিটাৰ বেগেৰে )। ন'ভাতকৈ চুপাৰ ন'ভাৰ সংখ্যা বহুত কম। ১৬০৪ চনৰ পৰা এতিয়ালৈ হাতীপতিত চুপাৰ ন'ভাৰ বিস্ফোৰণ ঘটা নাই। এই চনতে জ্যোতির্ব্বিদ কেপলাৰে অফিউছাছ নক্ষত্ৰ মণ্ডলত (Ophiuchus) এটা চুপাৰ ন'ভা আবিস্কাৰ কৰিছিল।

কোনো এটা তৰাৰ জন্মৰ পাছত তাৰ কেন্দ্ৰ ভাগৰ উষ্ণতা ২ কোটি ডিগ্ৰী ছেলছিয়াছ হৈ থাকে। তৰাটোত থকা হাইড্ৰ'জেন পৰমাণুবোৰৰ মাজত ফিউছন ( Fusion ) ঘটি প্ৰচণ্ড শক্তি বিকিৰণ হয়। এই অবস্থাত তৰাটোৰ অন্তৰ্মুখী মহাকৰ্ষীয় চাপ আৰু বৰ্হিমুখী চাপ একে হৈ থাকে বাবে ই অধিক নিপাত ( Collapse ) নহয়। হাইড্ৰ'জেন শেষ হলে ফিউছন কমে আৰু তেতিয়া বৰ্হিমুখী চাপ কমে। ফলত তৰাটোৰ দ্ৰুত সংকোচন হয় আৰু কেন্দ্ৰৰ ঘনত্ব বাঢ়ে। আকৌ উষ্ণতা বৃদ্ধিহৈ হিলিয়াম পৰমাণুৰ ফিউছন হৈ কাৰ্বন উৎপন্ন হয়।

হিলিয়াম নিঃশেষ হলে পুনৰ মহাকৰ্ষণীয় চাপ আৰু উষ্ণতা বাঢ়ে। আকৌ ফিউছন ঘটি কাৰ্বনৰ পৰা ক্ৰমে ছিলিকন, ছালফাৰ, আৰ্গন, কেলছিয়াম আৰু শেষত লোহা উৎপন্ন হয়। ফলত ফিউছন ক্ৰিয়া একেবাৰে বন্ধ হয়। তেতিয়া তৰাৰ ঘনত্ব অতিপাত বৃদ্ধি হয় আৰু বৰ্হিমুখী চাপৰ প্ৰভাব শূন্য হোৱাৰ ফলত মহাকৰ্ষণীয় চাপে তৰাটোৰ দ্ৰুত নিপাত ঘটায়। এই কাৰ্য্যত উৎপন্ন হোৱা প্ৰচণ্ড পৰিমাণৰ মহাকৰ্ষণ বলে তৰাটোৰ কাষৰীয়া অংশলৈ শক্তিশালী শ্বক তৰংগ ( Shock Wave ) পঠিয়াই। সেই তৰংগই তৰাটোৰ প্ৰচণ্ড বিস্ফোৰণ ঘটাই তাক চুপাৰ ন'ভাত পৰিণত কৰে। বহু বিলিয়ন বছৰৰ আগতে চুপাৰ ন'ভা বিস্ফোৰিত হৈ সূৰ্য্যৰ সৃষ্টি হৈছে। □

**কৌতুক :** এখন সভাত এজন অতি চাপৰ মানুহে ( নেতাই ) ভাষণ দি আছে। হঠাৎ ৰাইজৰ মাজৰ পৰা চিঞৰ আহিল— 'আমি আমাৰ নেতাক দেখা নাই। অনুগ্ৰহ কৰি তেখেতে থিয় হৈ ভাষণ দিয়ে যেন''।

নেতা : ৰাইজসকল, মইতো থিয় হৈয়েই ভাষণ দি আছোঁ।

ৰাইজে পুনৰ চিঞৰি ক'লে— ''তথাপিও আমি আপোনাক দেখা নাই। অনুগ্ৰহ কৰি মেজত থিয় হৈ ভাষণ দিয়ক''।

নেতা : (লাজ লাজ ভাৱত) ৰাইজসকল মই মেজৰ ওপৰত থিয় হৈয়েই কৈ আছোঁ।

সংগ্ৰাহক / দ্বিজেন্দ্ৰ ডেকাৰজা
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ ( কলা )

# STUDENTS' UNION BODY



Sitting (L to R)
B. Pattor (secy. Minor Games), D. Dutta (I/C Social Service), P. Gogoi (I/C Culture), M. Ahom (Principal & President), A. Gohain (I/C Games & Sports), H. Chutia (Magazine), N. Sai-kia (Secy, Debates & Symposium)

Standing (L to R)
B. Doloi (Assitt. G.S), M. Basumatari (Secy, Culture), R. Bey (Social Servi ce), R. Thakuria (Secy, Magazine), T. Bordoloi (Secy, Major Games)

Not seen in the photograph
R. Bhuyan (Secy. Boys' Common Room), Miss R. Sarma (Secy. Girls Common Room),

"স্বপ্নৰ উদ্যান চুই অহা মোৰ এই শব্দবোৰত জীৱন ধাৰাৰ সুষমা, সময়ৰ ঘনিষ্ঠ উত্তাপ, মোৰ কোনো নিজস্ব আবিস্কাৰ নাই, মোৰ ভিতৰত এটা যেন খেতিয়ক, মই শব্দবোৰ জিভাত দি চাওঁ, কাৰ কি সোৱাদ .... .... .... কান্ধ সলনি কৰি বৈ অনা মোৰ এই শব্দবোৰত মানুহৰ নিদাৰুণ অভিজ্ঞতা, বুৰঞ্জীৰ নিঠুৰ আঁচোৰ"।

—হীৰেন ভট্টাচাৰ্য

# কবিতা শিতান

যি সকলৰ কবিতা আছে ঃ ৰুমী শৰ্ম্মা / ৰুবী বৰুৱা / মদন কোঁৱৰ / কন্দৰ্প কুমাৰ শইকীয়া / প্ৰবক্তা পবন গগৈ / ৰণ্টুমণি শইকীয়া / বিশ্বজিৎ নাথ / ৰাজুমণি শইকীয়া।

## তোমালৈ

—ৰুমী শৰ্ম্মা
স্নাতক, ২য় বাৰ্ষিক ( কলা )

ঊষাৰ উদ্দীপ্ত আজিৰ এই
ৰাঙলী সুৰুজ,
আঁকিলো মই তোমাৰ কপালত
ধ্বংসকামী বিভীষিকা ৰূপী
সময়ৰ বলীয়া বানৰ
তীব্ৰ আঁচোৰত
উৰলি যোৱা মোৰ জীৱনতৰী !

দুৰ্য্যোগৰ সেই অমানিশা
পাহৰি যাব দিয়া মোক,
বৰ্ত্তমানৰ আঁচলত
বিক্ষিপ্ত মনৰ মোৰ
বেদনাৰ ৰঙ্‌বোৰ
ধুই তুমি নিকা কৰা
আনি তাত জীৱনৰ উজ্জ্বল ৰহণ । □

## এমুঠি ছাই হৈ উৰিছে

—ৰুবী বৰুৱা
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

মই দেখিছোঁ
মোৰ চাৰিওফালে
একুৰা জুই জ্বলিছে।
পুৰি পুৰি শেষ হৈছে
মানৱতা — ভালপোৱা
মানৱীয় সত্ত্বা — দয়া মমতা
মায়া মোহ — হেপাহ
বিবেক !
অতীত বৰ্ত্তমান - ভৱিষ্যত
আৰু দেখিছোঁ
বিংশ শতাব্দীৰ সভ্যতাৰ
এমুঠি ছাই হৈ উৰিছে
শান্তিৰ কপৌজনী,
উৰি উৰি ভাগৰি পৰিছে।
মিচাইল - ৰকেট - এট'ম বোম
ফ'কাৰ - এৱাক্স আদিয়ে
পৃথিৱীখন চেপি চেপি
এফালৰ পৰা নিঃশেষ কৰি নিছে। □

# অগ্রদূত

—মদন কোঁৱৰ
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ ( কলা )

মই আহো ঋতুৰাজ বসন্ত হৈ
সংগ্ৰামৰ সংবাদ লৈ;
মৃত্যুঞ্জয়ী শ্বহীদৰ ৰাঙলী তেজৰ
ফুলাম বিহুৱান লৈ।
শোষণ, নিস্পেষণ—
অত্যাচাৰ, অনাচাৰ
ভণ্ডামী বন্ধন
নিঃশেষ কৰি
প্ৰলয়ৰ সুচনা কৰো
কালজয়ী সৃষ্টি হৈ।

ধ্বংসৰ কৰাল মুৰ্ত্তিত
ভীত হলে
মই আহো অৰ্জুন হৈ;
কুৰুক্ষেত্ৰৰ বিশাল শ্মশানৰ মাজেৰে
বিপ্লৱ হৈ। △

# কবিতা

—কন্দৰ্প কুমাৰ শইকীয়া
স্নাতক, ১ম বাৰ্ষিক ( কলা )

বিংশ শতিকাৰ বোজা বহন কৰি
ক্লান্ত মোৰ দেহ !
কবিতা ! ৰ'ছোন
তোৰ শীতল কোলাত
মই ক্ষণিক জিৰাওঁ;
আধুনিকতাৰ প্ৰচণ্ড দৌৰ
ৰাজনীতিৰ নিৰ্মম ছলনা,
নিবনুৱা, সাম্প্ৰদায়িকতা
আদিৰ দৰে কুৰি শতিকাৰ
সকৰুণ স্মৃতিৰ বোজালৈ
মই গতি কৰিছোঁ
আন এটা শতিকালৈ;

কবিতা ! ৰ'ছোন তই;
চাই লওঁ চকুত তোৰ
বিগত শতিকাৰ ৰেণুণী। △

# কলঙৰ পাৰত বিষ্ণুৰাভা

—পবন গগৈ
প্ৰৱক্তা, শিক্ষা বিভাগ

বিষ্ণুৰাভা, তোমাক আকউ লগ পালো
কলঙৰ পাৰত।
'বৰদৈচিলা' সংঘৰ নিমন্ত্ৰণী পত্ৰত তোমাৰ নাম।
তোমাৰ নাম থকা কাগজবোৰ কঢ়িয়াই ফুৰা
ডেকা দলৰ হাতত আজি বহুত কাম।

বিষ্ণুৰাভা, তোমাৰ সপোনৰ দেশখন—
'হিয়াৰ আমঠু' হেন ৰাইজৰ 'বৰসংস্কৃতি'
কেনেকৈ থাকিব বাচি?
বছৰত চাৰিবাৰকৈ আহে যখিনী বানপানী!

আকাল-অনাটন, শোষণ-নিস্পেষণৰ বৰ নোৱাৰা
বোজাত
অমিত শক্তিধৰ তোমাৰ কলিজাৰ এফাল
জন-গণ-মনৰ অসীম শকতিও যেন এই পৰো
পৰো হালি

সেয়েহে বিষ্ণুৰাভা,
তোমাৰ নাম থকা কাগজবোৰ কঢ়িয়াই ফুৰা
ডেকা জাকৰ হাতত আজি বহুত নতুন কামৰ ভাৰ।

তোমাৰ কবিতা, তোমাৰ ষ্টেনগান,
তোমাৰ গানৰ আছিল অমোঘ সূৰ্য্য-সুৰ—
দুখীয়াৰ মঙহ 'কুৰুকি কুৰুকি খোৱা' শগুণ জাকক
তুমিয়েই শুনাইছিলা 'সাৱধান সাৱধান'—
ভাঙি লোহাৰ শৃঙখল ছিঙি দাসৰ বন্ধন
তুমিয়েই দেখুৱাইছিলা তেজপিয়া হতঁক
খঙাল-তেজাল

তোমাৰ জুই ৰঙা হৃচকু,
সেয়ে হয়তু দহ হেজাৰ মূল্যৰ তোমাৰ মুৰ!

মহাশিল্পী বিষ্ণুৰাভা,
তুমিয়েই দেখুৱাই গলা কিদৰে বাচি থাকিব
লাগিব মানুহ,
মানুহৰ দেশ - মানুহৰ সভ্যতা - মানুহৰ সংস্কৃতি।
সংগ্ৰামৰ প্ৰতীক হৈ সেয়েহে আজি
বতাহত আকাশত তোমাৰ নাম থকা
কাগজবোৰ বেলি-ৰঙচুৱা পতাকা হৈ উৰে
সমবেত সুধীজনে সেই পতাকাৰ তলত
তোমাৰ উচ্চ আদৰ্শত যেন
দুঃসহ জীৱনবোৰ সঁপে।

বিষ্ণুৰাভা, তোমাক আকউ লগ পালো কলঙৰ
পাৰত।
'বৰদৈচিলা' সংঘৰ নিমন্ত্ৰণী পত্ৰত তোমাৰ নাম।
তোমাৰ নাম থকা কাগজবোৰ বিলাই ফুৰা
ডেকা-গাভৰু জাকৰ হাতত আজি বহুত নতুন কাম
তোমাৰ নাম জিলিকি থকা কাগজবোৰ কঢ়িয়াই
ফুৰা
ডেকা-গাভৰু জাকৰ হাতত আজি বহুত নতুন
কাম ॥ △

# সমন্বয়

—ৰণ্টুমণি শইকীয়া
স্নাতক, তৃতীয় বাৰ্ষিক ( বিজ্ঞান )

............আৰু বহুত বাট চালো
সিহঁতে আকৌ তাকেই কলে,
কিনি থলে পাইকাৰী হাৰত
জনতাৰ হাতৰ চাপৰি।

আকৌ শুনাই আহিল
বহাগী বতৰা,
উৰুখা পজাঁৰ ফাঁকে ফাঁকে
সৰকি আহিল
ক্ষুধিত জনতাৰ কোলাহল,
"ইনকিলাৱ জিন্দাবাদ
ইনকিলাৱ জিন্দাবাদ............"

# বসন্ত

—বিশ্বজিৎ নাথ
স্নাতক, প্ৰথম বাৰ্ষিক ( কলা )

বসন্ত এটা নাম
যাৰ সৌন্দৰ্য্যত আছে যৌৱনৰ উন্মাদনা
হাস্য, উল্লাস আৰু অফুৰন্ত শোভাৰ উজান।
ৰসন্ত এক প্ৰতিচ্ছবি
যাৰ দেহৰ কোমল কুঁহিটিয়ে কৰ খোজে
অপৰূপ নতুনত্ব প্ৰকাশৰ আনন্দ।
বসন্ত এটি কবিতা
যাৰ বুকুৰ ভাজে ভাজে শুৱদী গীতৰ ঝংকাৰ
মন পৰসা এটা বিস্ময়কৰ আভাস।
বসন্ত এটা ক্ষণ
যাৰ বিস্ফোৰণে মোৰ হৃদয়লৈ আনে
জীৱনৰ এটি আনমনা অবুজ শিহৰণ।

# অপ্ৰকাশ আৰতি

—ৰাজুমণি শইকীয়া
( প্ৰাক্তন ছাত্ৰ )

লঠঙা গছত সাৰুটি
মই জীয়াই আছোঁ
মোৰ কলিজা কামুৰি।
কিহৰ আশাত জানো
কঁপি আছে
মোৰ উচুপনি ॥

এতিয়াও প্ৰতি ৰাতি মোৰ বুকুৰেদি নিগৰি আহে
সেই চিনাকী গুমুনিয়াহ,
তেজ মঙহৰ জীয়া সাক্ষী। প্ৰতিৰাতিৰ আৰতি।

"সাহিত্যৰ লক্ষ্য হৈছে মানুহক নিজে বুজিবলৈ সক্ষম কৰা, আত্মবিশ্বাস জন্মোৱাত আৰু সত্যৰ অনুসন্ধান কৰাত সহায় কৰা, সত্য কথাত আত্ম নিয়োগ কৰিবলৈ বল দিয়া আৰু অন্তৰত সৌন্দৰ্য্যবোধ জন্মাই জীৱনটো পবিত্ৰ কৰা"।

—মেক্সিম গৰ্কী

# গল্প শিতান

ছুটা গল্প লিখিছে : বিষ্ণু কুমাৰ ৰজা আৰু মাইনু ডেকাই।

# প্ৰতীক্ষা

—শ্ৰীবিষ্ণু কুমাৰ ৰজা
স্নাতক, দ্বিতীয় বাৰ্ষিক ( কলা )

দেৱজিতে এটা ভাৰাক্ৰান্ত মন লৈ ঘৰ অভিমুখে আগবাঢ়িছিল। সি ভাৱত ইমানেই বিভোৰ আছিল যে নিজৰ ঘৰৰ পদূলী পাৰ হোৱাৰ উপক্ৰম হৈছিল। এনেতে পদূলীৰ শেৱালী-জোপাৰ চিনাকী সুৱাস নাকত লগাতহে তাৰ তন্দ্ৰা ভাগিল। সি যেতিয়া ঘৰ আহি পাইছিল তেতিয়া সুৰুযে পশ্চিম আকাশত বুৰ মাৰিছিল

দেৱজিতে হাত মুখ ধুই খাবলৈ বহাত মাহীমাক দীপালীয়ে কৈছিল— "দেৱ, তইঁতৰ কলেজ ৰাতিলৈকে হয় নেকি? এনেকৈ দিনটো যদি কলেজতে কটাই দিয় ঘৰৰ বন কৰিব কোনে"? দেৱজিতে এই কথাখিনি নিৰৱে শুনিছিল। কোনো প্ৰত্যুত্তৰ দিয়া নাছিল। কেৱল খোৱা পৰ্ব সামৰি ( শেষ কৰি ) নিজৰ পঢ়া কোঠালীটোলৈ গৈছিল।

কোঠালীত সোমাই টেবুলৰ ওপৰৰ বেৰত ওলমাই থোৱা মাকৰ প্ৰতিচ্ছবিখনলৈ চাই চাই এক অবুজ বেদনাত অশ্ৰু তুকিছিল। তাৰ জীৱনটো যেন সাগৰৰ মাজৰ বঠা নোহোৱা এখন নাওঁ।

দেৱজিতৰ দেউতাক ৰত্নেশ্বৰ এজন দিন হাজিৰা কৰি জীৱিকা নিৰ্বাহ কৰা মানুহ। দেৱজিতৰ সৰু অৱস্থাতেই মাক বিমলাৰ মৃত্যু হৈছিল। ৰত্নেশ্বৰে পত্নী বিয়োগৰ ছমাহ কাল পাৰ নহওঁতেই দীপালীক দ্বিতীয় পত্নীৰূপে ঘৰলৈ আনে।

দীপালীৰ প্ৰতি প্ৰেম ( ভক্তি ) ঠিকেই আছিল যদিও বিমলাৰ পুত্ৰ দেৱজিতক সিমান ভাল নেপাইছিল।

দীপালীৰো এটা সন্তান আছিল, তাৰ নাম বিজু। নিজৰ ল'ৰা বিজুক সুখত ৰাখি দীপালীয়ে দেৱজিতক ঘৰৰ বন কৰাত নিয়োগ কৰিছিল। ( ঘাঁহ কটা, খৰি কটা, কাপোৰ ধোৱা, বাচন বৰ্তন ধোৱা ইত্যাদি )।

দেউতাক ৰত্নেশ্বৰৰ দেৱজিতৰ প্ৰতি মৰম থাকিলেও তেওঁ তাক বাস্তৱত ৰূপ দিব পৰা নাছিল। দিনৰ দিনটো পৰিশ্ৰম কৰি সন্ধিয়া ঘৰ পালেহি তেওঁক গোটেই দিনটোৰ ক্লান্তি আৰু অৱসাদে আগুৰি ধৰে। তেওঁ বৰ ভাগৰুৱা অনুভৱ কৰে। সেয়ে তেওঁ এমুঠি খাই বিচনাত বাগৰ দিয়ে। ৰত্নেশ্বৰে নিজেই বুজিছিল যে নিজৰ নিৰক্ষৰতাৰ কাৰণে তেওঁ আজি জীৱনত

কিমান কষ্ট ভোগ কৰিব লগীয়া হৈছে। কিমান ভুল কৰিছে। সেয়ে তেওঁ দেৱজিতক স্কুলত নাম ভৰ্ত্তি কৰাইছিল।

এই কাৰ্য্যত দীপালী কিন্তু মুঠেই সন্তুষ্ট হোৱা নাছিল। দীপালীয়ে ভাবিছিল নিজৰ সন্তান বিজুকেই পঢ়াই-শুনাই ডাঙৰ মানুহ কৰিব আৰু নিজৰ একমাত্ৰ পুত্ৰ বুলি সমাজত পৰিচিত কৰাব। দেৱজিৎ হব ঘৰৰ বন কৰা লৰা।

দেৱজিৎ আৰু বিজু দুয়ো স্কুললৈ গৈছিল। নানা কষ্টৰ মাজেৰেও এদিন দেৱজিতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত যোগ্যতাৰে উত্তীৰ্ণ হৈছিল। বিজুৱে এটা পৰীক্ষাতেই চাৰিবাৰমান চেষ্টা কৰিও নোৱাৰি চিনেমা, জুৱা, মদ আদিকে জীৱনৰ সঙ্গী কৰি লৈ তথাকথিত "হিৰো" হৈ পৰিছিল।

বিজুৰ মাকে তাৰ বিৰুদ্ধে কৰা সকলো ষড়যন্ত্ৰৰ কথা গম পালেও দীপালীক দেৱজিতে নিজৰ মাকৰ দৰে ভক্তি কৰিছিল। বিজুকো বহু কথা বুজাইছিল।

ইফালে দেউতাক ৰত্নেশ্বৰো বুঢ়া হৈ আহিছিল। জীৱনৰ সকলো তিতা কেহা ভোগ কৰি অৱশেষত তেওঁ মৃত্যুৰ ক্ষণ গণিছিল। এনেদৰে থাকি এদিন তেওঁ হঠাৎ এক অচিন দেশলৈ গতি কৰিছিল।

নিজৰ বন্ধু বান্ধৱৰ অনুপ্ৰেৰণা, দুই এজন মহানুভূতিশীল, দূৰদৰ্শী লোকৰ সহায়ত দেৱজিতে কলেজত নাম ভৰ্ত্তি কৰিছিল।

ইফালে নিজৰ পুত্ৰৰ অধঃপতন আৰু বিমলাৰ পুত্ৰ দেৱজিতৰ উন্নতি দেখি দীপালীৰ গা ছাটি ফুটি কৰিছিল।

এনেকৈয়ে দেৱজিতৰ কেইবাটাও বসন্ত পাৰ হৈ গৈছিল।

সিদিনা দেৱজিতে মাকৰ প্ৰতিচ্ছবিখন দুহাতৰ মাজত লৈ হুক-হুকাই কান্দিছিল। নিৰ্জিব প্ৰতিচ্ছবিখনৰ পৰাই বহু প্ৰশ্নৰ উত্তৰ বিচাৰিছিল।

দেৱজিতে ভাৱিছিল— "মোকতো আনে টকা-পইচা দি চিৰদিন সহায় নকৰে। কিবা এটা জীৱনৰ পথ লব লগা হলেও উপযুক্ত শিক্ষা লাগিব। মই জানো সেই শিক্ষা লব পাৰিম? মোৰতো নিজৰ বুলিবলৈ কোনো নাই'। এই-বোৰ কথা ভাবিলেই দেৱজিতে বৰ দুৰ্ব্বল অনুভৱ কৰে।

আনকালে দেৱজিতে নিজৰ ভাই বিজু আৰু তাৰ সমনীয়া লৰা-ছোৱালী কিছুমানৰ কথা ভাবিছে। যিবোৰে দিনে দিনে অন্ধকাৰৰ গহ্বৰলৈ গৈ আছে। অন্ধকাৰৰ কৰাল গ্ৰাসে সিহঁতক যেন গ্ৰাস কৰিছে। সিহঁতক বচাবলৈ আজি কোনো নাই। এই চাম ল'ৰা-ছোৱালীয়ে যে নিজকে তিল তিলকৈ হত্যা কৰিছে তালৈ লক্ষ্য কৰিবলৈ কাৰো আহৰি নাই। সকলোৱে নিজৰ স্বাৰ্থত অন্ধ।

দেৱজিতে আকৌ নিজকে প্ৰশ্ন কৰিছে "মই এইবোৰ ভাবিছো কিয়? মই জানো ইয়াৰ সমাধান কৰিব পাৰিম? মোৰ দেখোন একো নাই"।

এনেকৈয়ে দেৱজিতে বহু কথা ভাবিছিল। তাৰ মূৰটো কানোবি ধৰিছিল।

অৱশেষত কিবা এটা বিচাৰি পোৱাৰ সন্ধানত চকু দুটা মুদি দিছিল। □

# ভাবনা

শ্ৰীমতী মাইনু ডেকা
স্নাতক, ২য় বাৰ্ষিক (বিজ্ঞান শাখা)

ঐ, আলোচনীত কিবা এটা নিদিয় নেকি ?

হঠাতে বুলুৰ কথাষাৰ মনলৈ আহিল। হয়তো, চাওঁতে চাওঁতে আজি ১২ তাৰিখ পৰিলহি।। পোন্ধৰ তাৰিখেইতো গল্প, কবিতা জমা দিয়াৰ শেষ দিন। মোৰ লগৰ আটাইবোৰেই কিবাকিবি দিলে। মইনো কি লিখো ? এবাৰ ভাবিলো কুইজকেই চুটামান সংগ্ৰহ কৰি দিও নেকি ? নহলে মহৎ লোকৰ বাণী ? নাই ভাল নালাগে। এতিয়া আৰু ধাৰ কৰা সাহিত্য ভাল নালাগে। এতিয়া প্ৰতিভা বিকাশ কৰাৰ সময়। তত্‌পৰি আলোচনীবোৰৰ প্ৰতি মোৰ বৰ হাবিয়াস। সি কলেজৰেই হওক বা আন যিয়েই নহওক। গতিকে মই নিশ্চয় কিবা এটা লিখিব লাগিব। কথাখিনি ভাবি ভাবি কেতিয়া টোপনি গ'লো কবই নোৱাৰিলো।

শীতৰ হাড় কপোঁৱা জাৰত লেপৰ তলত দন্ত্য দ হৈ শুই আছো। চকামকাকৈ ভূমিকম্প অহা যেন পাই "হৰিব'ল" বুলি কৈ উঠি বহিলো।। পিছে গম লৈ জানিলো ভূমিকম্প নহয়।। মোৰ লগতে শুই থকা মায়েহে কাঁহ চুটামান মাৰি বাগৰ সলাইছে। মই উঠা মায়ে গম নাপালে। আজি তিনিদিন মানৰ পৰা মাৰ চৰ্দ্দি কাঁহ হৈ আছে। ঔষধ খায়ো আৰোগ্য হোৱা নাই। ড্ৰিম লাইটৰ পোহৰত মাৰ মুখখন অতি কৰুণ যেন দেখা গৈছে। দিনৰ দিনটো পৰিশ্ৰম কৰাৰ অন্তত ৰাতিৰ টোপনিতো যেন কিবা এটা চিন্তা কৰিহে শুই আছে। মাৰ এই কৰুণ মুখখনিত যেন মই দৃষ্টিয়েই ৰাখিব নোৱাৰো। কিমান দুখ, কিমান কষ্ট কৰি আমাক ডাঙৰ দীঘল কৰিলে। অথচ তাৰ ক্ষতি পূৰণ আমি এতিয়াও দিব পৰা নাই। দেউতা ঢুকোৱাৰ পাছত মাৰ সেই প্ৰাণখোলা হাঁহিটো কোনো-দিনেই দেখা নাই। এইবোৰ কথা শুনিলে মোৰ চকুত টোপনি নোহোৱা হয়। লাহেকৈ লেপখন জাপি লৈ টোপনি যাবলৈ চেষ্টা কৰিলো।

নাই, নাহে একেবাৰেই টোপনিতো ভাঙি গ'ল। এই যে সাতামপুৰুষীয়া বিছনাখন মাৰ সামান্য বাগৰটোতেই ভূমিকম্পত কঁপাদি কপিব লাগেনে ? কথাষাৰ ভাবি হাঁহি উঠি গ'ল। আজি যদি কোনোৱাই মই এইদৰে "হৰিব'ল" বুলি চিঞৰি উঠা শুনিলেহেতেন........।

অৱশ্যে শুনিব লগীয়া কোনো নাই। কাৰণ ভাইটি সেয়া ওচৰৰ বিছনাখনতেই শুই আছে। তাৰো যিহে ডালুভা-ইনডাষ্ট্ৰীৰ (নাকৰ) মাত। যেন আগত মানুহ দেখিও খাব নোৱাৰি গুজৰি গুমৰি থকা বাঘিনীজনীহে। কেতিয়াবা চোৰে আহি ঢোল তাল বজোৱাদি বজাই বস্তুবোৰ নিলেও তাৰ নাকৰ মাতত কোনোৱে গমকেই নাপাব। আৰু ভন্টি ? তাইৰো যে ইমান টোপনি ! তাইকতো কোনোবাই বিচনাৰ পৰা উঠাই বাহিৰত পেলাই থৈ আহিলেও তাই কবই নোৱাৰিব।

□ ।........ক্ৰমশঃ।

ছিঃ কি যে ভাববোৰ আহি আছে। টোপনি হলে নাহে। কি যে কৰো, এই মাজৰাতিখন। এইবাৰ বিচনাৰ পৰা লাহেকৈ উঠিলো। খুব লাহেকৈ লাইটটো জ্বলাই দিলো। কাৰণ মায়ে লাইট জলোৱা গম পাব লাগিলে গালিত এই মাজৰাতিয়েই মোৰ মূৰৰ যন্ত্ৰখিনি শ্ৰীকৃষ্ণৰ চকৰি ঘূৰা দিব। টেবুলৰ ওচৰত ভৰি দুখন কোচাই লেপখন ভালকৈ কাণে মূৰে জাপি ললো। যাতে ঠাণ্ডাই কোনোকালে প্ৰবেশ কৰিবলৈ সুৰুঙা নাপায়। অ, এতিয়াহে ডাঙৰ কথা হ'ল। হাতখনবা কেনেকৈ উলিয়াও। ইচ্ ৰাম! হাতখন কেনেবাকৈ উলিয়াব লাগিলে একেবাৰে সৰ্ব দেহত লাগিব নোৱাৰা ঠাণ্ডা-খিনি হাতখনতে হিয়া উবুৰিয়াই লাগিব। হাত মোজা যোৰো ভাত খাব যাওঁতে ক'ত বা থৈ দিলো তাৰ পাত্তা নাই। পিছে এতিয়া সেই-যোৰ পিন্ধিবৰ মন থাকিলেও বিচাৰিবৰ মন নাই। কাৰণ ইতিমধ্যে লেপৰ তলত এয়াৰ কণ্ডিচনৰ ব্যৱস্থা কৰা হৈ গৈছে। গতিকে বুদ্ধি এটা কৰিলো লেপৰ তলত থকা স্কাৰ্ফখনকে আঙুলিৰ দৰে কৰি লাহেকৈ হাতখন উলিয়ালো। টেবুলত ঘড়ী চাই দেখো নিশা ২ বাজি গৈছে। ওচৰতে থকা থানাখনৰ পৰাও দুই বজাৰ সংকেত ধ্বনি শুনিবলৈ পালো। Pyhsics-ৰ কিতাপ এখন উলিয়াই ললো। ৰাহিবা বহীখন আৰু কলমটো যোগাৰ কৰি ললো।

Physics, এতিয়া Physics পঢ়িম। পঢ়িবই লাগিব। কাৰন আগতে দুয়োটা পৰীক্ষাত Physics বেয়া হৈছে। গতিকে এইবাৰ পাছ কৰিবই লাগিব। সকলোতে ফেইল কৰিলেও Physics-ত পাছ কৰিবই লাগিব। এইবাৰ জানুৱাৰিতেই বোলে Test হব। মই আকৌ Pre-test হব বুলিহে অতদিন ভাবি আছিলো। যোৱা কালিহে গম পালো আচলতে জানুৱাৰিত আমাৰ Test-তেই হব। কাৰণ এপ্ৰিল মাহত এইবাৰ Part-1-ৰ ফাইনেল হব।

আজি ডিচেম্বৰৰ ১৩ তাৰিখ পৰিলেই। কালিলৈ চৈধ্য আৰু পৰহিলৈ? পৰহিলৈতো আলোচনীৰ লেখাবোৰ জমা দিয়াৰ শেষ তাৰিখ। তেন্তে লিখিম কেতিয়া? ঠিক আছে, মই এতিয়া এটা গল্পকেই লিখো। আজিলৈ Physics থাওক। লাহেকৈ Physics-ৰ কিতাপখন সামৰি থলো। পুনৰ ঘড়ীটোলৈ চাই দেখো তিনি বাজি গৈছে। এতিয়াই গল্পটো লিখি উলিয়াও। একেবাৰে ৰাতিপুৱা কাম-বন কৰি ছয় বজাৰ পৰা ন বজালৈ Physics পঢ়িম।

বহী আৰু কলমটো লৈ ভাবিলো গল্পৰ বিষয় কি হব। ও পাইছো, আজি ৰাতিৰ ঘটনা-খিনিকেই মই গল্প আকাৰে সুন্দৰকৈ লিখো। মোৰ ইমান ধুনীয়া টোপনিটো আজি ভগৱানে চকুৰ পৰা নাইকীয়া কৰিলে যেতিয়া ময়ো এই নিশাটোৰ সং ব্যৱহাৰ কৰিব লাগিব। ঘটনাখিনি একালৰ পৰা বৰ্ণনা লিখি গলো। গল্পটোৰ নাম বাৰু কি হব। ও, নাম ৰাখিম 'ৰাতিৰ উদ্ভাৱন'। কাৰণ ৰাতিয়েই মোৰ গল্পটোৰ উদ্ভৱ হৈছে।

প্ৰকাশ হয়নে নহয় নাজানো। যদি নহয় অৱশ্যেই মোৰ দুখ লাগিব। কাৰণ মোৰ নিশা তৃতীয় প্ৰহৰৰ আমেজ লগা টোপনিখিনি ক্ষতি হোৱাৰ লগতে ইমানখিনি সময়ৰ অপব্যৱহাৰ কৰা যেন লাগিব। আৰু যদিহে প্ৰকাশ পায় তেন্তে নামটো চায়েই পঢ়ুৱৈসকল আকৰ্ষিত হব। হয়তো ভাবিব, ৰাতিটোতে কিনো উদ্ভৱ কৰিলে এই ছোৱালীজনীয়ে, পঢ়োৰেইচোন। কিন্তু........। □

# NORTH EAST INDIA HISTORY ASSOCIATION



XII ANNUAL CONFERENCE JAGIROAD COLLEGE বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান।



অংশ গ্ৰহণ প্ৰতিনিধি আৰু অভ্যৰ্থনা সমিতিৰ সদস্য সকলৰ একাংশ



সাংস্কৃতিক অনুষ্ঠানৰ এটা দৃশ্য

PHOTO: PROF. M. PHUKAN.

# বিদ্যায়তনিক প্ৰতিবেদন

এই শিতানত সহ-পাঠ্যক্ৰমিক বিষয়বস্তুৰ ওপৰত হোৱা আলোচনা চক্ৰ, সভা-সমিতিৰ এটি প্ৰতিবেদন দাঙি ধৰা হৈছে।

—সম্পাদক

# মহাবিদ্যালয়ৰ পাঠ্যক্ৰম বহিৰ্ভূত বিদ্যায়তনিক চৰ্চ্চা ঃ এটি প্ৰতিবেদন

—ডঃ সুভাষ সাহা
আহ্বায়ক, আলোচনা চক্ৰ সমিতি, জাগীৰোড মহাবিদ্যালয়

আমাৰ দেশৰ শিক্ষা ব্যৱস্থা সম্পৰ্কে সমালোচনাৰ অন্ত নাই। স্বাধীনতাৰ পিছৰ ফালত কোঠাৰি আয়োগ, মোদালীয়াৰ আয়োগ, ৰাধাকৃষ্ণণ আয়োগ আদি কেবাটাও শিক্ষা সংস্কাৰৰ আয়োগ গঠন কৰা হৈছিল আৰু তাৰ প্ৰতিবেদনও প্ৰকাশ পাইছে। এই আয়োগৰ প্ৰতিবেদনসমূহে শিক্ষাৰ সম্প্ৰসাৰণ আৰু মানদণ্ড উন্নত কৰাৰ লগতে প্ৰচলিত শিক্ষা ব্যবস্থাত থকা আসোঁৱাহ সমূহ দূৰ কৰিবলৈ বিবিধ পৰামৰ্শ দিছিল। কিন্তু বাস্তৱত কেন্দ্ৰত শাসন কৰা চৰকাৰে সেই পৰামৰ্শ সমূহ যথাৰ্থৰূপত কাৰ্য্যকৰী কৰিবলৈ বাস্তৱসন্মত কোনো উদ্যোগ নললে। তাৰ পৰিবৰ্তে এফালে সংবিধানত ঘোষণা কৰা মতে সাৰ্বজনীন শিক্ষা প্ৰদানৰ নীতি বিসৰ্জন দি এফালে ব্যাপক শিক্ষা সংকোচন নীতি আনফালে প্ৰয়াত প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীৰ সময়ত নতুন শিক্ষা নীতিৰ নামত শিক্ষাক ভদ্ৰলোকীয় ( Elite ) আৰু এমুঠিমান আঢ্যৱন্ত শ্ৰেণীৰ বিশেষাধিকাৰ কৰি তুলিলে। ফলত আজিও আমাৰ দেশত শতকৰা ৭০ ভাগ নিৰক্ষৰ হৈ থাকিল। বাকী যৎসামান্য যি ৩০ ভাগ ছাত্ৰ ছাত্ৰীয়ে শিক্ষা গ্ৰহণৰ সুযোগ পায়, তেওঁলোকৰও এক গৰিষ্ঠসংখ্যকে পাঠ্যক্ৰমৰ বোজা ক্ৰটিপূৰ্ণ ব্যৱস্থা, পুথিগত মুখস্থ বিদ্যা আদি বিভিন্ন কাৰণত সফলতাৰে উত্তীৰ্ণ হব নোৱাৰি ফেইল কৰে। ফলত ব্যাপক হাৰত প্ৰতি বছৰতে শিক্ষাৰ অপচয় ঘটি আছে। এইবোৰ আমাৰ দেশৰ শিক্ষা ব্যৱস্থাৰ মৌলিক সংকট। কিন্তু প্ৰচলিত শিক্ষা ব্যৱস্থাৰ ভিতৰতে যিখিনি আছে তাৰ উপযুক্ত সদ্‌ব্যৱহাৰও আমি কৰিব পৰা নাই। শিক্ষক-ছাত্ৰৰ মাজৰ সম্পৰ্ক, শিক্ষানুষ্ঠানত উপযুক্ত শৈক্ষিক পৰিবেশ, জ্ঞানৰ প্ৰতি অনুসন্ধিৎসু কৌতুহলী চিন্তা চৰ্চ্চাৰ পৰিবেশও আমি গঢ়ি তুলিব পৰা নাই। গতানুগতিকতাই ছাত্ৰ ছাত্ৰীৰ মাজৰ সৃজনশীলতা দিনে দিনে নষ্ট কৰি তুলিছে। যান্ত্ৰিকতাই আমাৰ প্ৰচলিত

শিক্ষা ব্যৱস্থাৰ অন্যতম সমস্যা। এই যান্ত্রিকতা দূৰ কৰি এক সৃষ্টিশীল শৈক্ষিক পৰিবেশ গঢ়ি তোলাৰ উদ্দেশ্যেই, বিশেষকৈ পাঠ্যক্রম বহিৰ্ভূত শৈক্ষিক আলোচনাৰ পৰিবেশ গঢ়ি তোলাৰ উদ্দেশ্যেই ১৯৮৮ চনৰ এপ্রিল মাহত আমাৰ মহাবিদ্যালয়ত এটি "আলোচনা চক্র সমিতি" গঠন কৰা হয়। অধ্যক্ষ শিক্ষক আৰু ছাত্র ছাত্রীৰ প্রতিনিধিৰ দ্বাৰা গঠিত এই সমিতিয়ে পাঠ্যক্রমৰ উপৰিও গোটেই বছৰটোত আলোচনা চক্র, প্রদর্শনী আদিৰ আয়োজন কৰে। প্রতিটো অনুষ্ঠানতেই অন্যান্য মহাবিদ্যালয় বা বিশ্ববিদ্যালয় বা সমাজৰ বিভিন্ন ক্ষেত্রৰ গুণী জ্ঞানী বিশিষ্ট ব্যক্তিক আলোচ্য বিষয়ৰ ওপৰত আলোচকৰূপে আমন্ত্রণ জনোৱা হয়। মহাবিদ্যালয়ৰ প্রতিটো বিষয়ৰ বিভাগীয় উদ্যোগত এনে আলোচনা চক্র অনুষ্ঠিত কৰাটো দায়বদ্ধভাৱে অৱশ্যে কৰণীয়। যোৱা বছৰটোত আলোচনা চক্র সমিতিৰ উদ্যোগত আয়োজিত আলোচনা চক্র আৰু প্রদর্শনীৰ এটি চমু আভাষ তলত দিয়া হ'ল—

**বিজ্ঞান বিভাগৰ প্রদর্শনী ঃ**

আমাৰ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাটি এতিয়াও চালুকীয়া। কিন্তু তৎস্বত্বেও আলোচনা চক্র সমিতিৰ সিদ্ধান্তমৰ্ম্মে আৰু বিজ্ঞান শাখাৰ প্রবক্তা আৰু ছাত্রছাত্রীৰ সহযোগত প্রথম বাৰৰ বাবে এটি বিজ্ঞান বিষয়ক প্রদর্শনী আয়োজন কৰা হৈছিল ১৯৯০ চনৰ ৩, ৪ আৰু ৫ ফেব্রুৱাৰী তাৰিখে। প্রদর্শনীৰ দ্বাৰ উন্মোচন কৰি গুৱাহাটি বিশ্ববিদ্যালয়ৰ ডঃ কিশোৰী মোহন পাঠকে এনে প্রদর্শনীৰ প্রয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। জাগীৰোড মহাবিদ্যালয়ৰ দৰে তেনেই চালুকীয়া বিজ্ঞান শাখাৰ উদ্যোগত এনে প্রদর্শনীৰ আয়োজন কৰাটো সঁচাকৈয়ে প্রশংসনীয় কাম বুলি তেখেতে উল্লেখ কৰে। ৰসায়ণ, পদার্থ বিজ্ঞান, উদ্ভিদ বিজ্ঞান, প্রাণী বিজ্ঞান আৰু ভূগোল বিজ্ঞান বিভাগৰ উদ্যোগত মুঠ চাৰিটা প্রদর্শনী কোঠা আটক ধুনীয়াকৈ সজাই তোলা হৈছিল। প্রদর্শনীত ছাত্র-ছাত্রীৰ দ্বাৰা নির্মিত বিভিন্ন আৰ্হি ( Model ), বিভিন্ন বিষয়ক তালিকা ফলি ( Chart ) আৰু যন্ত্রপাতি তথা সা-সজুলি সজোৱা হৈছিল। দর্শক সকলক ছাত্র-ছাত্রীসকলে সকলো বিষয় আন্তৰিকতাৰে বুজোৱাৰ মাজেদি দর্শকসকল উপকৃত হোৱাৰ লগতে ছাত্র-ছাত্রীসকলৰ নিজৰ উপলব্ধিৰ প্রকাশ ক্ষমতা বৃদ্ধিৰও সুযোগ পাইছিল। এই প্রদর্শনীৰ মাজেদি বিভিন্ন ৰাসায়ণিক পদার্থৰ ক্রিয়া-প্রতিক্রিয়া প্রদর্শনৰ লগতে উদ্ভিদ আৰু প্রাণী জগতৰ বিভিন্ন ৰহস্য উদঘাটন কৰি দেখুওৱা হৈছিল, ফলত ছাত্র - ছাত্রীৰ লগতে দর্শকৰও বিজ্ঞান অধ্যয়নৰ প্রতি কৌতুহল বৃদ্ধি হয়। সীমিত অর্থৰ বিনিময়ত এনে কৌতুহলোদ্দীপক প্রদর্শনী আয়োজন কৰাৰ বাবে বিজ্ঞান শাখাৰ প্রবক্তাসকল আৰু ছাত্র-ছাত্রীসকল বিশেষভাৱে ধন্যবাদৰ পাত্র।

**'জাতীয় সংহতি' শীৰ্ষক আলোচনা চক্র ঃ**

যোৱা ১৯৯০ চনৰ ১৮ চেপ্তেম্বৰ তাৰিখে অসম চৰকাৰৰ জাতীয় সংহতি পৰিষদ (National Integration Council) ৰ সৌজন্যত আৰু মহাবিদ্যালয়ৰ আলোচনা চক্র সমিতিৰ উদ্যোগত 'জাতীয় সংহতি' শীৰ্ষক এটি আলোচনা চক্র

অনুষ্ঠিত হয়। প্রসঙ্গক্রমে উল্লেখযোগ্য যে এই আলোচনা চক্রটি এনে এক সময়ত আয়োজন কৰা হৈছিল যেতিয়া আমাৰ দেশৰ বিভিন্ন প্রান্তত হিন্দু মুছলমানৰ সাম্প্রদায়িক সংঘৰ্ষই ব্যাপক ৰূপ লৈছিল। অসমতও বৰ্ণগত, ভাষাগত, জাতিগত সংঘাতে এক ভয়ংকৰ ৰূপ লৈছিল। জনজাতি-অজনজাতিৰ মাজত পৰস্পৰ সদ্ভাব-সম্প্রীতি তথা বিশ্বাস নোহোৱাৰ উপক্রম হৈছিল। এনে এক পৰিস্থিতিত 'জাতীয় সংহতি' বিষয়ক আলোচনা চক্রৰ প্রাসঙ্গিকতা নিঃসন্দেহে তাৎপৰ্য্যপূর্ণ। অধ্যক্ষ মহেন্দ্র আহোমৰ সভাপতিত্বত বহা এই আলোচনা চক্রত জাতীয় সংহতি পৰিষদৰ সচিব শ্ৰীযুত শশীধৰ দত্ত, আলোচনা চক্র সমিতিৰ আহ্বায়ক সুভাষ সাহা আৰু মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সম্পাদক ৰাণা ভূঞাই আলোচনা কৰি সাম্প্রদায়িকতাৰ বিপদৰ বিভিন্ন দিশ দাঙি ধৰে। বক্তাসকলে ছাত্র-ছাত্রী সকলক সাম্প্রদায়িকতাৰ উৰ্দ্ধত যুক্তিবাদী মনেৰে সকলো বিচাৰ বিশ্লেষণ কৰি সমাজত শান্তি সম্প্রীতি অটুট ৰাখিবলৈ আবেদন জনায়। আলোচনা চক্রত সৰ্বশ্ৰী প্রবক্তা তুলসী বৰদলৈ হৰেকৃষ্ণ দেৱশৰ্ম্মাই উত্থাপন কৰা কেইবাটাও প্রশ্নৰ উত্তৰত বক্তাসকলে আলোচনা কৰে। আলোচকসকলে সংহতি ৰক্ষা বা সুদৃঢ় কৰাৰ ক্ষেত্রত 'জাতীয় সংহতি পৰিষদ'ৰ ভূমিকা আশানুৰূপ নহয় বুলি ক্ষোভ প্রকাশ কৰি মন্তব্য কৰে যে এই পৰিষদ প্রকৃততে চৰকাৰৰ আন আন দহটা বিভাগৰ দৰে এটা আমোলাতান্ত্রিক বিভাগ হৈ পৰিছে। এই দুৰ্বলতা অতিক্রম কৰিব নোৱাৰিলে এই সংগঠনৰ প্রাসঙ্গিতা নাথাকিব।

**ভূগোল বিজ্ঞান বিভাগৰ আলোচনা চক্র ঃ**

The early political history of Kashi is a continuous tradition. The family of kasha ruled fcr at least thirty generations before the Mahabharata war (about 1400 B.C.). The most notable event prior to the great war was the part taken by the rulers of Kashi in a military league with the rulers of Ayodhya and the rulers of Kanyakubja against Hainayas of Deccan. The leading figure of this military confederacy was the Bhargava Barhmana Parashurama whose father Jamadagni had been killed by Sahasrarjuna Kartavirya, the Hainaya king. Later the ruler of Kashi took part in the Mahabharat war on behalf of the Pandavas.

The Ganga flowing in a crescent by the side of the city gives it a beauty of its own. The city and the river have since long been so much interwoven in the cultural background of the India that one cannot be thought without the other. Combined with this magestic river, the sacred city has from ages attracted pilgrims and Pandits, reformers and reclusers, students and scholers, and travellers

and tourists alike. With a hoary tradition of religion, learning, art and culture the deep mystical atomosphere of Varanasi had attracted the Jain monks and to the Buddhists. It has become a place of great religious significance, for it was at Sarnath a supurb of the city, that the Buddha preached his first sermon after attaining enlightnment ( 6th century B.C. ). Thus like the confluence of three great rivers, Hinduism, Buddhism and Jainism meet here to affect and enrich each other and show up Varanasi as a model of religious tolerance.

Adi Sankaracharya, the great philosopher, came to Varanasi(8th centuray A.C.) and resided here for a considerable period. Here he wrote his famous commentary on the Vedas. He expressed his enchantment and praised of Varanasi through a beautiful verse, where in he hailedit as the most blessed city for attaining salvation. Ornamented by the Ganga, the pleasant Monikarnika (burning ghat) finds salvation itself as its maid servant. He further says that lord Brahma put the scholars of Kashi on balance against the Gods and found the weight of the scholars greater kashi remained on the earth and the Gods being lighter went above the sky. Another saint from the South Sri Ramananda, made the Panchaganga ghat famous by preaching devotion to Rama. His disciple Kabirdas, great in his own right, was born and brought-up in Lahartara, a suburb of Varanasi. He defenied here a trend of criticise on the social and religious evils of Hindu and Muslim societies alike. Like Kabirdas Saint Rabidas, a Harijon, also live and preached here. Sri Vallbhvacharya and Chaitanya Mahaprabhu paid here respectful visit to Varanashi. But all of these saints it was the teachings of Tulasidas which seem to have made the great impact on the minds of the people of madieval period. His famous Ram Charita-manasa, composed at Tulsighat on the bank of the Ganga popularised the worship of Rama and Hanumana throughout the country.

The association of Varanasi to Lord Siva has been as old as its history. The traditionalists

believe there exists Trisula, on the trident of that deity. From the theistic point of view, Siva Sankara, and Mahadeva have all been combined into the Kashi Viswanath of today. Needless to say that the area around the Viswanath temple almost always have been the cultural and religious hub and the most sacred place of Pilgrimage of the city. The existing Viswanath temple had been built at its present site by Maha Rani Ahalya Bai of Indore in 1777 A.C.

The temples which lie scattered all over the city are not very old. All the ancient temples had been destroyed by invaders. The important temple of Varanasi at present are the Viswanath Mandir, the Durga Mandir and the Tulsimanasha Mandir. The University also has on its campus a beautiful Viswanath temple.

Many facts of economic life of ancient Varanasi are represented in the life of the present city.As in the case today it has always been a great centre of Silk and Cotton industry, muslim manufacture, wood works, dolls, brass utensils, other types of brass ware, as wall as Copper warer, ivory and stone works, carpentry, perfumary and music. The Buddhist Jatakas and Sanskrit works are replete with references to them, It was not only a producing centre but also a great trading centre of great fame from where caravanas, laden with goods went to import station of inland trade as well as port towns handling foreign trade. Foreign traders like Magasthenes, Fa-Hsien and Hiuen tsang spoke highly of its economic proseperity. The foreign trade like of Varanasi flourished till the beginning of the early medieval period when it got disrupted due to the disturbed condition of north india under the pressure of muslim invasions. But the local markets continued to hold their own through all the stress and strain of the muslim period. At present

the city is fast growing into an industrial complex. The Diesel locomotive works with a capacity of producing 100 locomotives per-month, Sahu Camical which caters to the fertilizer requirements of the country , the Soda Ash factory, and the stupendous rail yard of Mugalsarai vividly tell us about the modern industrial development of the city.

Varanasi has always been a great seat of learning. Before Buddha came on the religious and social plateform of the country. Varanasi had distinctly attained an important place for itself on the literary and educational map of the country. By the 8th century B. C. it had shot up in the fame as a great centre of vedic learning, especially the Upanishadi philosophy Kashi's royal had turned almost in to a school of discussions on such adstruse matapysical problems as God, Brahma, Atman and the question of life and death under the patrona king Ajatshatru. There is a referance in the Buddhist Jataka to a teacher of Varanasi, who originally studied here and later conducted a school of 500 students at his residence. According to another evidence a school of music was presided over by a master of whose qualification there was no match in the country. The Haribansha and the Puranas speak of king of Kasi, named Dhanvantari, who was a great physician and the author of many works on Ayurveda.

Varanasi still continued to be a seat of oriental learning, technology and music. It represents the traditionalists but it has not been shy of modernity. It was in theirs great seat of Sanskrit learning that Mahamanya Pandit Modan Mohan Malviya established the Benras Hindu University which takes care not only of oriental studies but also imparts education in modern science and technology. Besides B.H.U. there are two more Universities. The Kashi Vidyapeeth and the Sanskrit University and a number of post graduate and Degree colleges, Sanskrit pathshalas and schools of music.

The city is justly proud of having been the centre of activity

of such illustrious scholars and educationists as Mahamanya Pt. Madan Mohan Malviya, Dr. Miss Annie Besant, Dr. Bhagwan Das and Pt. Gopinath Kaviraj who were the acknowledged leaders of traditional culture and scholarship in modern India. Present day celebrities like Pt. Ravi Sankar, Sri Vismillah Khan, Smt. Giraja Devi, Pandit Kishan Maharaj and Pandit Gopi Krishna and many other represent the great musical tradition of Varanasi

# DIGESTION IN MAMMAL

—*Sri Jiten Baruah*
T. D. C. 3rd Year ( Science )

Digestion is a process by which the complex substances are broken down into Simpler froms and transformed into a Soluble State.

The diet should serve four general purposes— energy supply, growth, repair, source of compounds and elements required in the body. For those purposes digestion is taking place in the humen body.

A number of organic and inorganic components are wanted as a dietary requirement. The Principle food are Carbohydrates, Proteins, fats or lipid, Vitamins, mineral salts and water. The fundamental energy yielding substances in the diet are carbohydrates. There are compounds of carbon, hydrogen and oxygen, Proteins are very large molecules formed of simple unit called amino acids. ( $R.C.H.\ NH_2$ COOH ). Fats or lipids are compound of carbon, hydrogen and oxygen. These are general structure formula— $R.C.H_3\ CH_2$ COOH. Vitamins, are indispensible for the human body. The important vitamins are vitamin— A, C, D, E, K and $B_1$, $B_2$ $B_3$, $B_{12}$ etc. Animals are unable to synthesize vitamins and have to obtain them from green plants. Mineral Salts— Mineral Salts which are included in our food stuffs such as Cl, Ca, K, $So_4$, P, $Co_3$, Mg, I, Na, etc. water— of all in organic compounds— water is most important components.

Carbohydrates, Proteins, fats however are very complex organic compounds which can't be absorbed unless they are broken down into simpler substances in the alimentary system. Water, mineral salts and vitamins are also directly absorbed into the body by the alimentary canal wall.

Digestive System— The system comprises about a 28 feet long tube or convoluted alimentary canal and the associated Glands. The system has the following organs :— Mouth, Buccal Cavity, Pharynx, Oesophagus, Stomach, Small

intestine, large intestine, liver and pancreas. The entry into the alimentary canal is through mouth and exit by anus.

**Digestion of Food**— Food is effected by the digestive juices secreted by the inner wall of the alimentary canal. Digestive juices contains enzymes. The enzymes are responsible for the digestion of carbohydrates, proteins and fats. Each enzyme is specific, that is, can act upon only one particular kind of food. Various enzymes are added to food in the different parts of digestive tract to bring about complete digestion of various foodstuffs.

**Digestion in the buccal cavity**—Located in the cheeks, under the tongue and in the lowar jaw, these produce saliva, a digestive juice which helps to lubricate food and break it down to simple sugars.

**Digestion in the Oesophagus**— A muscular tube which carried food from throat to stomach. It is closed at each end by a sphincter or ring of muscle.

**Digestion in the Stomach**— When the food reaches the stomach then the gastric glands are stimulated to secrete gastric juice in to the stomach. The peristaltic movement of the stomach reduce the food in to a thick pulpy mass which is known as chyme. The gastric juice contains 4% hydrochloric acid and enzymes pepsin, renin and gastric lipase, Hydrochloric acid also destroys bacteria that may have been swallowed with the food.

**Digestion in the liver**— The products of digestion ( excluding fats ) are absorbed into the bloodstream and carried along the portal vein to the liver. There they are stored or used in the synthesis of chemicals needed by the body.

**Digestion in the Duodenum**— The first 25-30 cm. of the small intestine, where to the mixture of food and enzymes from the stomach is added the digestive juices from pancreas, gall blodder and glands in the intestinal walls. Pancreas produces a juice called pancreatie juice which is alkaline and contains threa enzymes. Ttypsin converts proteins in to Peptones, proteose and amino acid. Amylopsin changes starch in to glucose. Lipase hydrolyses the fat in to glycerol and fatty acid.

**Digestion in the small intestine**— A coiled muscular tube about 7 m long made up of the jejunam and ileum. The small intestine which contains three enzymes. Enterdcinass activates the trypsinogen in to trypsin. Erepsin brings about the final digestion of peptons and protease which are now converted in to fatty acid and glycerol.

**Absorption of Food**— Absorption of food mainly takes place in small intestine. Its wall is produced in to numerous folds and villi to increase is absorption capacity. Small intestine is supplied wtth blood capilaries. Fatty acid and glycerol makes their way in to the lymph vessels of intestine, glucase and amino acid, after mixing with blood are carried to the liver. The liver excess of glycogen and converts the excess of amino acid in the urea and rest is circulated to living cell. Inside the cell the amino acids synthesize new protoplasm and carbohydrates and fats provide energy.

☐ ☐ ☐

# : POEM :

*( A Sad Sad Story about Somebody )*

**Shri Nandeswar Kathar**
T. D. C. (B. A.) Third Year

There was an important job to be done
And Everybody was sure that
Somebody would do it.
Anybody could have done it
But Nobody did it.

Somebody angry about that,
Because it was Everybody's job
But Nobody believed that
Everybody would not do it.

It ended up that Everybody blamed
Somebody, when Nobody did what
Anybody could have done.

N. B. : This is a story about four people named—
(i) Everybody (ii) Anybody
(iii) Somebody (iv) Nobody ☐

# AN ODE TO CIGARATTE

**Prabir Banerjee (M. Sc.)**
Dept. of Physics.

White smoke encircles,
When you ignite me ;
Inhale my smoke with pleasure ;
Of the acrid smell,
You find satisfaction.
You treat me as if
Your bosom friend;
You use me to quell anxiety,
Your despair.
Despite warning over my abode,
You burn me,
One after another
I'm your most formidable enemy;
Recognise me ?
I laugh at you,
When you fail to recognise me;
I feel pity for you,
When you consider me
Your indispensible companion.
I feel happy,
When scholars ignite me
To boost their thirst for knowledge;
I get irritated
When opportunists use me
To make their evil desires fulfilled.
I have no class, no religion;
I can become friend in disguise—
From plebeians to aristocrates,
When you use me for noble works,
Hold me between your lips,
Make me feel as if
We' re made for each other.
Alas ! when you burn me to ashes,
Throw me into the astray,
Floor or dustbin;
Nobody even looks at me. □

## TEACHING & NON-TEACHING STAFF



Sitting (L to R)

Sarbasree K. Sarma, R. Das, Dr. J. Das Chaudhury, P. Banerjee, R. Bhuyan, P. Gogoi, M. Ahom (Principal), A. Gohain, M. Tahbildar, Miss M. Paul, Miss M. Mahanta, Mrs. A. Dutta Barbra, Mrs. R. Baruah, Mrs. M. Goswami, Mrs. R. Borthakur (Library Assitt)

Standing (L to R)

Sarbasree A. Bora, D. Sarma Khataniar, P. Bha ndary, P. Bora, D. Dutta, H. Chutia, M. Phukan, B. Malakar (librarian), N. Sarma (L.D.A.), M. Bordoloi (U.D.A), P. Sarma (Grade IV). U. Deka (Grade IV), D. Bordoloi (L.D.A)

Not seen in the photograph Lecturers U.M. Phukan, Mrs. S. Phukan, Dr. S. Saha, B. Bora, Mrs. A. Purakayastha, Mrs. K. Dharchau-dhury, Mrs. I. Mahanta, D.J. Boruah, Dr. H.K. Devsarmah, T. Bordoloi, R. Nath, M. Goswami and M. Teron (Gr.IV), P. Chakravarty (Gr.IV), P. Sa rmah (L.D.A.), S. Phukan (Gr.IV)

ছাত্ৰ একতা সভাৰ
বিভাগীয়
সম্পাদক সকলৰ
প্ৰতিবেদন

# সাধাৰণ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন

**—বিপুল পাটৰ**
সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা

শিক্ষাৰ বিশেষ প্ৰয়োজনীয়তা হেতু জাগীৰোডবাসী এচাম সমাজ কৰ্মী আৰু উচ্চ শিক্ষাৰ দ্বাৰা প্ৰভাৱিত লোকৰ প্ৰচেষ্টাত এক-মাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাপে ১৯৭৯ চনত স্থাপিত হয় জাগীৰোড মহাবিদ্যালয়। কলং, কপিলী আৰু কিলিংৰ ত্ৰিবেণী স্থলত অৱস্থিত, মৰিগাওঁ জিলাৰ দক্ষিণ পশ্চিমাংশত অৱস্থিত ই এক উচ্চ শিক্ষাৰ অনুষ্ঠান। বিভিন্ন অঞ্চলৰ পৰা জ্ঞানৰ মুকুতা বুটলিবলৈ অহা ছাত্ৰ-ছাত্ৰীৰ ভিতৰত মৰো জ্ঞানৰ মুকুতা বুটলিবলৈ অহা ছাত্ৰ হিচাপে মহাবিদ্যালয়খনিৰ বিভিন্ন সমস্যা বুজলৈ মহাবিদ্যালয়খনিৰ ছাত্ৰ-ছাত্ৰী সকলৰ মোৰ প্ৰতি থকা আস্থাৰ বাবে অপ্ৰতিদ্বন্দ্বী-তাৰে ১৯৯০ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে সাধাৰণ সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰো।

প্ৰতিবেদনৰ আৰম্ভনিতে জাগীৰোড মহা-বিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন যাচিছোঁ। বিগত ছ-বছৰীয়া আন্দোলনত প্ৰাণাহুতি দিয়া বীৰ শ্বহীদ সকললৈয়ো মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। সাধাৰণ সম্পাদকৰ নিচিনা এটা গুৰুত্বপূৰ্ণ দায়িত্ব বহন কৰা কাৰ্য্যত নিজকে নিয়োজিত কৰিবলৈ পাই আপোনাসবৰ ওচৰত মই চিৰকৃতজ্ঞ। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ বিভিন্ন কাৰ্য্যসূচীত বিশেষভাৱে সহায় কৰা ছাত্ৰ বন্ধু শ্ৰীথানেশ্বৰ ডেকা, শ্ৰীশৰৎ ডেকা, শ্ৰীঅনুপম পাটৰৰ লগতে সহকাৰী সাধাৰণ সম্পাদক শ্ৰীবাবু লাল দলৈ তথা বন্ধু-বান্ধৱী সকললৈ মোৰ হিয়া ভৰা ওলগ যাচিছোঁ।

সভ্যতাৰ অন্যতম চাবি-কাঠি হিচাপে একোখন সুস্থ আৰু সৰ্বাঙ্গ সুন্দৰ সমাজৰ আৱ-শ্যকতাৰ কথা মানুহে বহু অতীতৰে পৰা অনুভৱ কৰাৰ ফলস্বৰূপেই হয়তো মানুহে নানা ধৰণৰ শিক্ষা গ্ৰহণৰ প্ৰচেষ্টা চলোৱা আমি দেখা পাওঁ। ক্ৰমবৰ্দ্ধমান সমাজখনত নিজকে উপযুক্ত শিক্ষাৰে সুশিক্ষিত কৰাৰ লগতে সমাজৰো উন্নতিৰ কথা বাৰকৈয়ে চিন্তা কৰাৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ-ছাত্ৰী সকলে এক সুশিক্ষাৰ অনুস্থান হিচাপে ১৯৭৯ চনত স্থাপিত হোৱা জাগীৰোড মহাবিদ্যালয়খনিত জ্ঞানৰ মুকুতা বুটলিবলৈ অহাৰ ফল স্বৰূপেই বৰ্তমানলৈ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পায় প্ৰায় ১২০০ হৈছে।

মানুহৰ সমস্যা সীমাহীন; কিন্তু ইয়াৰ অভাৱ পূৰণৰ উপায় সমূহ সীমিত। আমাৰ মহাবিদ্যালয়ত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে গাওঁ অঞ্চলৰ পৰা শিক্ষা গ্ৰহণৰ বাবে আহে আৰু তেওঁলোকৰ বেছি সংখ্যকৰেই সমস্যা বহুল। মহাবিদ্যালয়ৰ পৰা কমবেছি পৰিমাণে সকলো সুবিধা দিয়া হৈছে। কিন্তু, সকলোবোৰ সমস্যা পূৰণ কৰাতো, অতি কম সময়ৰ ভিতৰত গঢ়লৈ উঠা মহাবিদ্যালয়খনিৰ দ্বাৰা সম্ভৱো নহয়। মহাবিদ্যালয়ৰ ছাত্ৰাবাস নথকা ছাত্ৰ জিৰণী কোঠা নথকা আৰু ছাত্ৰ একতা সভাৰ কাৰ্য্যালয় নথকাৰ কথা বাৰুকৈয়ে অনুভৱ কৰা হৈছে। উক্ত অভাৱ সমূহৰ বাবে ছাত্ৰ-ছাত্ৰীৰ যথেষ্ট অসুবিধাৰ সন্মুখীন হোৱা কথাটোও নকৈ থাকিব নোৱাৰি।

সাধাৰণ সম্পাদক ৰূপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতেই প্ৰথমখন কাৰ্য্যনিৰ্বাহক সভাৰ প্ৰস্তাৱ অনুসৰি ছাত্ৰ একতা সভাৰ সভাপতি অধ্যক্ষ শ্ৰীযুত মহেন্দ্ৰ আহোমদেৱৰ অনুমতি মৰ্ম্মে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংবিধানখনি মোৰ কাৰ্য্যকালতেই ছপা কৰি উলিওৱা হয়। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ স্থায়ী সভাপতি অধ্যক্ষ মহোদয়ৰ সভাপতিত্বত কাৰ্য্যনিৰ্বাহক সভাত গৃহীত প্ৰস্তাৱ অনুসৰি তথা মহাবিদ্যালয়খনিৰ সৰ্বাঙ্গীন উন্নতিৰ বাবেই মহাবিদ্যালয়ৰ এখনি নাম ফলক, মহাবিদ্যালয়ৰ এখন স্থায়ী গেটৰ ব্যৱস্থা আৰু ১৯৯০-৯১ চনৰ ছাত্ৰ একতা সভাৰ ৰাহি টকাৰে মহাবিদ্যালয়ৰ 'ছাইকেল' থোৱা গেৰেজ নিৰ্ম্মানৰ বাবে প্ৰয়োজনীয় কাঠখিনি কিনি অনা হয়। মহাবিদ্যালয়ৰ ছাত্ৰাবাস, ছাত্ৰ জিৰণী কোঠা, একতা সভাৰ কাৰ্য্যালয় ইত্যাদি যিবোৰ অভাৱৰ কথা বাৰুকৈয়ে অনুভৱ কৰা হৈছিল, সেইবোৰ পুঁজিৰ অভাৱত কৰিব পৰা ন'গল। গতিকে উক্ত অভাৱসমূহ পূৰণৰ বাবে মহাবিদ্যালয়ৰ কতৃপক্ষই যত্ন কৰিব বুলি মোৰ কতৃপক্ষৰ ওচৰত অনুৰোধ থাকিল।

**কাৰ্য্যকাল ঃ** ছাত্ৰ একতা সভাৰ কাৰ্য্যকাল এবছৰীয়া হিচাপে এই সময় ছোৱাত যে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে কিবা উন্নতি মুলক কাম কৰিব পাৰিছো তাক ক'বলৈ মনত সন্দেহৰ অৱকাশ একেবাৰে নোহোৱা নহয়। কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতেই মহাবিদ্যালয়ৰ প্ৰথম কাৰ্য্যসূচী হিচাপে ২২ চেপ্তেম্বৰ ৯০ তাৰিখে নৱাগত ছাত্ৰ-ছাত্ৰী সকলক আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়। নৱাগত আদৰণি সভাত মুখ্য অতিথি হিচাপে মৰিগাওঁ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত নৰেন কেওঁট আৰু সভাপতি হিচাপে শ্ৰীযুত নন্দলাল উপাধ্যায়দেৱে যোগদান কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সন্ধিয়া উলহ-মালহেৰে সাংস্কৃতিক অনুষ্ঠান পতা হয় আৰু সেই অনুষ্ঠান মুকলি কৰে মানমীয় অধ্যক্ষ শ্ৰীযুত মহেন্দ্ৰ আহোমদেৱে। মহাবিদ্যালয় সপ্তাহ তিনি দিনীয়া কাৰ্য্যসূচীৰে ( ৫, ৬ আৰু ৭ ডিচেম্বৰ ৯০ তাৰিখে ) পালন কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ তৃতীয় দিনা বঁটা বিতৰণী সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক শ্ৰীযুত দীনেশ বৰুৱাদেৱে মুখ্য অতিথি হিচাপে যোগদান কৰি সভাৰ কাৰ্য্যসূচী চলাই নিয়াত সহায় কৰে। সন্ধিয়া বিভিন্ন নৃত্য গীত মাতেৰে সাংস্কৃতিক অনুষ্ঠান পালন কৰা হয়। ১৯৯১ চনৰ ৩ অক্টোবৰ তাৰিখে মই দ্বিতীয়

বাৰৰ বাবে নৱাগত ছাত্ৰ-ছাত্ৰী সকলক আনুষ্ঠানিকভাৱে আদৰণি জনাওঁ। সভাত মুখ্য অতিথি হিচাপে যোগদান কৰে অসম চৰকাৰৰ শিক্ষাধিকৰ্ত্তা ডঃ ৰমেশ চন্দ্ৰ দাসে আৰু সভাত সভাপতিত্ব কৰে মাননীয় অধ্যক্ষ শ্ৰীযুত মহেন্দ্ৰ আহোমদেৱে। ইয়াৰ উপৰিও মোৰ কাৰ্য্য কালতে উত্তৰ পূব ভাৰত বুৰঞ্জী সংস্থাৰ দ্বাদশ বাৰ্ষিক সন্মিলন ৩১ অক্টোবৰ ১ আৰু ২ নৱেম্বৰ ৯১ তাৰিখে তিনি দিনীয়া কাৰ্য্যসূচীৰে পালন কৰা হয়। সন্মিলনত উত্তৰ পূৰ্বাঞ্চলৰ প্ৰায় ৭ খন ৰাজ্যৰ ২৫০ জন সমাজ বিজ্ঞানীয়ে অংশ গ্ৰহণ কৰে। ৩১ অক্টোবৰ ৯১ তাৰিখে সন্মিলনৰ শুভ উদ্বোধন কৰে অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত হিতেশ্বৰ শইকীয়াদেৱে।

**অন্যান্য অনুষ্ঠান ঃ** মোৰ কাৰ্য্যকালৰ বছৰটোত বিভিন্ন উৎসৱ যেনে— ২০ জানুৱাৰী সৰস্বতী পূজা, ১০ চেপ্তেম্বৰ তাৰিখে মহাপুৰুষ শঙ্কৰ দেৱৰ তিথি —মহাপুৰুষ শঙ্কৰ দেৱৰ বিৰচিত বৰগীত প্ৰতিযোগিতা আৰু "শঙ্কৰ দেৱ আৰু অসমীয়া সমাজ" আদি প্ৰতিযোগিতা উলহ মালহেৰে পালন কৰা হয়। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ "আলোচনা চক্ৰ" সমিতিৰ সৌজন্যত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাৰ সহায় সহযোগত আলোচনা চক্ৰ পাতিবলৈ সিদ্ধান্ত গ্ৰহণ কৰি কাৰ্য্যকৰি কৰাৰ বাবে মই সাধাৰণ সম্পাদক হিচাপে বিশেষভাবে আগভাগ লওঁ।

১৯৭৯ চনত স্থাপিত হোৱা জাগীৰোড মহাবিদ্যালয়খনিয়ে অতি কম সময়ৰ ভিতৰত যে যথেষ্ট উন্নতিৰ পিনে ধাবিত হৈছে, তাক সকলোৱে স্বীকাৰ কৰিবই লাগিব। অৱশ্যে আমাৰ সকলোবোৰ অভাৱ পূৰণ হৈছে বুলি আমি ক'ব নোৱাৰো। কাৰণ, নতুনকৈ গঢ়লৈ উঠা এটা শিক্ষা অনুষ্ঠান হিচাপে সকলোখিনি সুবিধা ছাত্ৰ-ছাত্ৰী সকললৈ আগবঢ়োৱাটোও সম্ভৱ নহয়; তথাপি মহাবিদ্যালয়ৰ যিবোৰ অভাৱ-অভিযোগ আছে সেইবোৰ পূৰণৰ বাবে মহাবিদ্যালয়ৰ কতৃপক্ষই সদায় চেষ্টা কৰিব বুলি কতৃপক্ষৰ ওচৰত অনুৰোধ থাকিল।

সদৌ শেষত সদৌজন মোৰ মৰমৰ ছাত্ৰ-ছাত্ৰী ও বন্ধু-বান্ধৱীলৈ অনুৰোধ— আপোনাসবে ভ্ৰাতৃত্ব আৰু সহযোগিতাৰ মনোভাবেৰে বিভিন্ন সভা সমিতিৰ আৰু বিভিন্ন কাম কাজত অংশ গ্ৰহণ কৰক। ইয়াৰ উপৰিও ইজনে সিজনৰ লগত সু-আলোচনাত অংশ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ নিয়ম-শৃঙ্খলা অটুট ৰাখক ও মহাবিদ্যালয়ৰ বাবে শান্তিৰ সফুৰা কঢ়িয়াই আনক। শান্তি-শৃঙ্খলাই মহাবিদ্যালয়ৰ সৌষ্টৱ বৃদ্ধি কৰাৰ লগতে মহাবিদ্যালয়ৰ অধিক উন্নতিও হ'ব বুলি আমি দৃঢ়তাৰে ক'ব পাৰো। মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতিৰ বাবে সকলোৱে নিজস্ব প্ৰতিভা বিকাশৰ অৱদান আগবঢ়াব বুলি আশা কৰি মই প্ৰতিবেদন ইমানতে সামৰিলোঁ। ●

# গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

—শ্ৰীতিলেশ্বৰ বৰদলৈ

প্ৰতিবেদনৰ আৰম্ভণিতে জাগীৰোড মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক অভিনন্দন জনাইছোঁ। মই সেইসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ ওচৰত ঋণী, যি সকলে মোক যোগ্য বুলি বিবেচিত কৰি ১৯৯০-৯১ চনৰ মহাবিদ্যালয়ৰ খেল বিভাগৰ সম্পাদকৰ (গুৰু ক্ৰীড়া) পদবি অৰ্পণ কৰি মোক আপোনালোকলৈ অলপ সেৱা আগবঢ়োৱাৰ কাৰণে সুযোগ দিলে আৰু লগতে এই মহাবিদ্যালয়ৰ সমূহ শিক্ষা গুৰুক মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ।

খেল বিভাগৰ সম্পাদক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিয়ে মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহৰ খেল সমূহ অনুষ্ঠিত কৰিবলগীয়া হয়। কিন্তু, দুঃখৰ বিষয় আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ সংখ্যা আছিল অতি নগণ্য, যাৰ কাৰণে প্ৰতিযোগিতাৰ খেল সমূহ পৰিচালনা কৰাত যথেষ্ট অসুবিধা হৈছিল। ছাত্ৰ-ছাত্ৰী সকলৰ খেলৰ প্ৰতি থকা নিৰুৎসাহভাবে প্ৰতিযোগিতাৰ খেল সমূহ পৰিচালনা কৰোতে কিছু অসুবিধাত পৰিব লগা হয়, যদিও খেল বিভাগৰ তত্বাবধায়ক মাননীয় শ্ৰীযুত অশ্বিনী গোহাঁই চাৰৰ পৰামৰ্শ, অন্যান্য অধ্যাপক সকলৰ উৎসাহ, কিছু বন্ধু-বান্ধৱীৰ সক্ৰিয় সহযোগিতাত বিশেষকৈ মোৰ বন্ধু শ্ৰীবিমল শৰ্ম্মা আৰু শ্ৰীৰুদ্ৰ ডেকাৰ সহযোগিতাত ১০০ মি, ২০০ মি, ৪০০ মি, ৮০০ মি, ১৫০০ মি, জেভলিন থ্ৰ, ডিচ্কাচ থ্ৰ, ওৱেত থ্ৰ, ৫০০ মিটাৰ দৌৰ আৰু ছাত্ৰ একতা সভাৰ একাদশ বনাম অধ্যাপক একাদশৰ মাজত এখনি প্ৰীতি ক্ৰিকেট খেল অনুষ্ঠিত কৰা হৈছিল। উক্ত খেলত অধ্যাপক একাদশে বিজয়ী হৈছিল।

ইয়াৰ উপৰিও জাগীৰোড ক্ৰীড়া সন্থাৰ সৌজন্যত পৰিচালিত ফুটবল লীগ প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ো অংশ গ্ৰহণ কৰিছিল। প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে সুফল অৰ্জন কৰিব নোৱাৰিলেও প্ৰতিয়োগিতাৰ খেল সমূহত কিছু উন্নতমান বিশিষ্ট খেল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ

খেলৰ প্ৰতি আশানুৰূপ আগ্ৰহ দেখিবলৈ পোৱা নেযায়। বৰ্তমান সময়ত খেল-ধেমালিয়ে মানৱ সমাজক কিদৰে আগবঢ়াই লৈ গৈছে, সেই কথা নকলেও সকলোৰে বোধগম্য। তেনে স্থলত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলে খেল ধেমালিত পিছ পৰি থকাটো অতি পৰিতাপৰ কথা। বৰ্ত্তমান সময়ত ছাত্ৰ ছাত্ৰীয়ে অধ্যয়ণৰ দিশটোৰ লগতে খেল-ধেমালিৰ দিশটোতো গুৰুত্ব দিব লাগে। কিয়নো খেল-ধেমালি অকল এজন খেলুৱৈ হবৰ উদ্দেশ্যে খেলা নহয়। খেল - ধেমালিৰ জৰিয়তে সমাজত সুস্থ সবল যুৱক-যুৱতী গঢ়ি তোলাত সহায়ক হয়। খেল-ধেমালিয়ে মানুহৰ মনলৈ আনি দিয়ে শান্তি, সুস্থিৰতা। তেনে একোটা খেল ধেমালিৰ প্ৰতি ছাত্ৰ-ছাত্ৰীয়ে অৱহেলা কৰাটো অতি পৰিতাপৰ কথা। সাধাৰণতে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ খেলৰ দিশটো পঁয়া লগা অৱস্থাৰ দৰে। সেয়েহে মই আশা ৰাখিছো পৰৱৰ্তী কালত যাতে মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলে খেলৰ প্ৰতি মনোযোগ দিয়ে।

বিগত কালছোৱাত খেল বিভাগৰ সম্পাদকৰ কাৰ্য্যভাৰ পৰিচালনা কৰোতে যদি কিবা ভুল হৈ গৈছে তাৰ বাবে সকলোৰে ওচৰত মই ক্ষমা মাগিছো। ইয়াৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি অধ্যক্ষ মহোদয় আৰু সাধাৰণ সম্পাদকলৈ ধন্যবাদ জনালো। ☐

মানুহে আকাশত চৰাইৰ দৰে উৰিব জানে আৰু পানীত মাছৰ দৰে সাতুৰিব জানে
কিন্তু পৃথিৱীত মানুহৰ দৰে বিচৰণ কৰিব নাজানে।

—মেক্সিম গোৰ্কি

# লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

—বাবুল চন্দ্ৰ পাটৰ

মোৰ শ্ৰদ্ধেয় শিক্ষাগুৰু সকলৰ আশীৰ্ব্বাদত আৰু মৰমৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলৰ আন্তৰিক সহযোগিতাত জাগীৰোড মহাবিদ্যালয়ৰ ১৯৯০-৯১ চনৰ লঘু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাবে মই কৰ্তব্য পালন কৰিবলৈ পাই নিজেই গৌৰবান্বিত। সামান্য পৰিমাণে হলেও বছৰটোৰ ভিতৰত মই যিবোৰ কাম কৰি গৈছিলো, তাত যদি কিবা ভুল হৈ গৈছিল তাৰ বাবে মই আপোনাসৱৰ সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

ক্ৰীড়া, শিক্ষাৰ এটি অপৰিহাৰ্য্য অংগ। ক্ৰীড়াই সুস্থ সবল স্বাস্থ্য গঠন কৰাত সহায় কৰে। আজিকালি যি দৰে শিক্ষাৰ দ্বাৰা বহুতো সা সুবিধা অৰ্জন কৰিব পাৰি, ঠিক সেই দৰে গুণ সম্পন্ন ক্ৰীড়াবিদ হব পাৰিলে অনেক সা সুবিধা লাভ কৰিব পাৰি।

আমি দায়িত্ব লোৱাৰ পাছতেই 'মহাবিদ্যালয় সপ্তাহ' পতা হয়। এই সমাৰোহও মোৰ বিভাগৰ সৌজন্যত ভলীবল, বেডমিণ্টন, কেৰম ডবা আদি বিভিন্ন প্ৰতিযোগিতা হৈছিল। যি সকল ছাত্ৰ-ছাত্ৰীয়ে বিশেষ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছিল তেওঁলোকলৈ মোৰ আন্তৰিক শুভেচ্ছা জনালোঁ। আৰু বাকী সকল প্ৰতিযোগীলৈও মোৰ শুভেচ্ছা থাকিল, যাতে ভৱিষ্যতে তেওঁলোকে পাৰদৰ্শিতা দেখুৱাই সন্মান অৰ্জন কৰিব পাৰে।

সদৌ শেষত মহাবিদ্যালয়ৰ বিভাগীয় অধ্যাপক শিক্ষা গুৰু সকল আৰু যিসকল ছাত্ৰই মোক দায়িত্ব পালনত সহায় কৰিছিল তেখেত সকললৈ আন্তৰিকভাৱে কৃতজ্ঞতা জনালো। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে পঢ়াৰ লগতে যাতে খেল ধেমালীৰ ক্ষেত্ৰতো উন্নতি সাধন কৰি মহাবিদ্যালয়ৰ সুনাম বঢ়াব পাৰে সেই কামনাৰে প্ৰতিবেদন সামৰিলো। □

# তৰ্ক আৰু সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

—নকুল শইকীয়া

মোৰ প্ৰতিবেদন লিখাৰ আৰম্ভনীতে জাগীৰোড মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে মোক ১৯৯০-৯১ চনৰ তৰ্ক আৰু সাহিত্য বিভাগৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰাৰ বাবে আপোনা-সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। দ্বিতীয়তে অসমী আইৰ জাতীয় অস্তিত্ব ৰক্ষাৰ্থে যি সকল বীৰে হাঁহি হাঁহি প্ৰাণ আহুতি দি সমাজত শ্বহীদ হ'ল সেই মহান ত্যাগী বীৰ সকলৰ শ্ৰীচৰণত মোৰ শ্ৰদ্ধাঞ্জলী নিবেদিছোঁ। তৃতীয়তে মহাবিদ্যালয়ৰ আলোচনীৰ সোণালী পাতত মোক দু-আষাৰ লিখিবলৈ সুবিধা দিয়াৰ বাবে বিভাগীয় তত্ত্বাবধায়কলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন............কৰিছোঁ।

**খিতাতে লিখা কবিতা প্ৰতিযোগিতা ঃ**

বিভাগীয় কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছু দিন পাছতে ১৯৯০ চনৰ ২১ চেপ্তেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এখনি খিতাতে লিখা কবিতা প্ৰতিযোগিতা আয়োজন কৰা হৈছিল। সেই কবিতা প্ৰতি-যোগিতা তিনিটা ভাষাত ( ইংৰাজী, অসমীয়া আৰু বাংলা ) পতা হৈছিল। কিন্তু দুঃখৰ বিষয় প্ৰতিযোগীৰ অভাৱত বাংলা ভাষাত কবিতা প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পৰা ন'গল। মাত্ৰ অসমীয়া আৰু ইংৰাজী বিভাগতহে কবিতা প্ৰতিযোগিতা পতা হ'ল।

**মহাবিদ্যালয় সপ্তাহ ঃ**

অন্যান্য বছৰবোৰৰ দৰে যোৱা ১৯৯০ চনৰ ৫, ৬ আৰু ৭ ডিচেম্বৰ তাৰিখলৈ বিভিন্ন কাৰ্য্য সূচীৰে মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰা হয়। মহাবিদ্যালয় সপ্তাহ উপলক্ষে সাহিত্য আৰু তৰ্ক বিভাগৰ উদ্যোগত বিভিন্ন সাহিত্য ৰচনা প্ৰতি-যোগিতা, আবৃত্তি ( অসমীয়া, ইংৰাজী আৰু বাংলা ভাষাত ) স্বৰচিত কবিতা প্ৰতিযোগিতা তৰ্ক প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতা ও খিতাতে লিখা ৰচনা প্ৰতিযোগিতা Guessing Game আদি অনুষ্ঠিত কৰা হয়। পৰিতাপৰ বিষয় যে প্ৰতিযোগীৰ অভাৱত তৰ্ক প্ৰতিযোগিতা আৰু খিতাতে লিখা ৰচনা প্ৰতিযোগিতা পাতিব পৰা নগল।

**তিথি পালন ঃ**

বিগত বছৰ বোৰৰ দৰে এইবছৰো মহাবিদ্যালয়ত ১০ চেপ্তেম্বৰ তাৰিখে মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ তিৰোভাৱ তিথি পালন কৰা হয়। গুৰুজনাৰ তিথি উপলক্ষে সাহিত্য আৰু তৰ্ক বিভাগৰ উদ্যোগত মহাপুৰুষজনাৰ ওপৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এখনি বক্তৃতা প্ৰতিযোগিতা ( বিষয়— শ্ৰীমন্ত শংকৰ দেৱ আৰু অসমীয়া সমাজ ) পতা হয়।

**তৰ্ক প্ৰতিযোগিতা সভা ঃ**

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ৫ চেপ্তেম্বৰ তাৰিখে এখনি তৰ্ক প্ৰতিযোগিতা সভা পতা হয়। প্ৰতিযোগিতা কেৱল ইংৰাজী আৰু অসমীয়া ভাষাত পতা হৈছিল। কিন্তু ছাত্ৰ-ছাত্ৰীৰ মাজত ইংৰাজী ভাষাৰ দুৰ্ব্বলতাৰ বাবে নে আন কাৰণত ইংৰাজী বিভাগত এজনো প্ৰতিযোগী নোহোৱাত কেৱল অসমীয়া বিভাগতহে প্ৰতিযোগিতা অনুষ্ঠিত কৰা হল। প্ৰতিযোগিতাৰ বিষয় আছিল, সদনৰ মতে "জাতীয় চৰকাৰ গঠনেই দেশৰ ঐক্য আৰু ৰাজনৈতিক স্থিৰতা সুনিশ্চিত কৰাৰ একমাত্ৰ পথ"।

In the opinion of the house "The Formation of a National Government is the only way to ensure unity and political liability in the Country.

**বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ ঃ**

এবছৰীয়া কাৰ্য্যকাল হাতত লৈ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলক বিভিন্ন অনুষ্ঠান অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাই কিবা উন্নতি সাধিত কৰিব পাৰিছো বুলি প্ৰতিবেদনত উল্লেখ কৰিবলৈ মনে সাহস নকৰে। তথাপিতো গৌৰৱেৰে উল্লেখ কৰিব পাৰি যে এইখিনি কাৰ্য্যকালৰ ভিতৰত আমাৰ মহাবিদ্যালয়ৰ পৰা অন্যান্য মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা তিনিখন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে। যোৱা ৭/৯/৯১ তাৰিখে দৰং মহাবিদ্যালয়ত অনুষ্ঠিত সদৌ অসম আন্তঃ মহাবিদ্যালয় প্ৰতিযোগিতা, ৫/১০/৯১ তাৰিখে মৰিগাওঁ আঞ্চলিক ছাত্ৰ গোটে অনুষ্ঠিত কৰা জিলা ভিত্তিক কুইজ প্ৰতিযোগিতা তথা ৭/১০/৯১ তাৰিখে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত অনুষ্ঠিত সদৌ অসম আন্তঃ মহাবিদ্যালয় ভিত্তিত পতা তৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ পৰাও যোগদান কৰা হয়।

**সামৰণি ঃ**

বিগত কালছোৱাত মহাবিদ্যালয়ৰ তৰ্ক আৰু সাহিত্য বিভাগৰ বিভাগীয় সম্পাদকৰ কাৰ্য্যভাৰ পৰিচালনা কৰোতে জ্ঞাত বা অজ্ঞাতে মোৰ হয়তো বহুতো ভুল ত্ৰুটি হৈছে। ভুল হোৱাটো এক চিৰন্তন সত্য, যাক কোৱা হয় মানুহ মাত্ৰেই ভুল হয়। তাৰ বাবে সকলো ছাত্ৰ-ছাত্ৰী তথা শিক্ষা গুৰু সকলৰ শ্ৰীচৰণত ক্ষমা মাগিছো। যি সকল ছাত্ৰ-ছাত্ৰী তথা শিক্ষা গুৰুৱে মোক বিভিন্ন প্ৰতিযোগিতাত সহায় সহযোগিতা আগবঢ়ালে তেওঁলোকলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা যাচিলোঁ। বিশেষকৈ শিক্ষা গুৰু তথা অধ্যক্ষ মাননীয় মহেন্দ্ৰ আহোমদেৱ, অধ্যাপক মাননীয় পল্লৱ

গোস্বামীদেৱ আৰু অধ্যাপক মহিধৰ গোস্বামী দেৱে মোৰ কাৰ্য্যকাল পৰিচালনাত সহায় কৰাত তাৰ কাৰণে মই আপোনালোকৰ ওচৰত চিৰকাল ঋণী হৈ থাকিলোঁ।

সদৌ শেষত জাগীৰোড মহাবিদ্যালয়ৰ তৰ্ক আৰু সাহিত্য বিভাগৰ দীৰ্ঘায়ু কামনাৰে ৰসৰাজ বেজবৰুৱা দেৱৰ ভাষাৰে সম্পাদকীয় প্ৰতিবেদন সামৰণি মাৰিলোঁ।

বাজক ডবা বাজক শংখ
বাজক মৃদঙ্গ খোল
অসম আকৌ উন্নতি পথত
জয় আই অসম বোল ॥

জয়তু জাগীৰোড মহাবিদ্যালয়
ছাত্ৰ একতা সভা। □

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

শ্ৰীৰাজেশ্বৰ বে।

প্ৰতিবেদনৰ আৰম্ভণিতে 'জাগীৰোড মহাবিদ্যালয়ৰ' সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক অভিনন্দন জনাইছো। মই সেই সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ যি সকলে মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে মনোনীত কৰি সমাজ সেৱা সম্পাদক হিচাপে সুযোগ দিলে সেই সকললৈ মোৰ ধন্যবাদ জ্ঞাপন কৰিছো। লগতে মহাবিদ্যালয়ৰ শিক্ষা গুৰু সকল তথা অধ্যক্ষ মহোদয়লৈকো মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিছো, আৰু লগতে "ছাত্ৰ একতা সভাৰ" সমূহ কাৰ্য্য নিৰ্ব্বাহক সদস্যালৈকে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সম্পাদক হিচাপে মই বহুতো বাধাৰ মাজতো দায়িত্ব পালন কৰি মহাবিদ্যালয়ৰ চৌপাশ মাজে সময়ে চাফ চিকুনকৈ ৰাখিছিলো। কিন্তু মোৰ বাবে ইমানখিনি কৰাটোৱে যথেষ্ট নহয়। সম্পাদক হিচাপে বহুতো কাম কৰিব লাগিছিল। এই সময়ছোৱাত মই বহুতো বাধাৰ সন্মুখীন হৈছিলো আৰু কেতবোৰ কাম সমাধান কৰাত বিফল হৈছিলোঁ। গতিকে পৰৱৰ্তী ছাত্ৰ একতা সভা সমূহৰ প্ৰতিনিধি সদস্য সকলে এই অভাৱ সমূহ দূৰ কৰিব বুলি আশা ৰাখিলো।

"মহাবিদ্যালয় সপ্তাহ" আয়োজনত বিশেষভাৱে সহায় কৰিছিলো লগতে "সৰস্বতী পূজা" আৰু "নৱাগত আদৰণি সভাত" নিৰ্দিষ্ট কাৰ্য্যসূচীৰে পবিত্ৰ দিনবোৰ সুচাৰু ৰূপে পালন কৰিছিলো।

মই মোৰ কাৰ্য্যকালত চেপ্তেম্বৰ মাহত ৫ দিনীয়া কাৰ্য্যসূচীৰে "ৰাষ্ট্ৰীয় সেৱা আঁচনি (N. S. S.) ৰ কাম হাতত লৈছিলো। এই কেম্পত ৫০ জন ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল। আমি এই "ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ" জৰিয়তে বিশেষ কাৰ্য্যসূচীৰে মহাবিদ্যালয়ৰ উন্নতিৰ হকে কলেজ কেম্পাচতে বিভিন্ন কাম কৰাৰ দায়িত্ব লৈছিলো। প্ৰথম দিনাৰ কাৰ্য্য সূচীত "ৰাষ্ট্ৰীয় সেৱা আঁচনি"ৰ পতাকা উত্তোলন কৰিছিল আমাৰ মহাবিদ্যালয়ৰে অধ্যক্ষ মহোদয় শ্ৰীযুত মহেন্দ্ৰ আহোমদেৱে। পতাকা উত্তোলনৰ পিছতে বৃক্ষ ৰোপণেৰে আমাৰ অধ্যক্ষ মহোদয়ে কেম্পৰ কাৰ্য্যসূচী মুকলি কৰে। দ্বিতীয় আৰু তৃতীয় দিনাৰ কাৰ্য্যসূচী মতে আমি আমাৰ তত্বাবধায়ক ৰনিৰ্দ্দেশতে কামবোৰ কৰিছিলো।

বিভিন্ন কাৰ্য্যসূচীৰ উপৰিও কলেজ কেম্পাচ চাফা কৰা, গছপুলি ৰোৱা, মহাবিদ্যালয়লৈ অহা-যোৱা ৰাস্তা মেৰামতি কৰা ইত্যাদি।

"সমাজ সেৱা" বিভাগৰ কাৰ্য্যকালৰ সময় ছোৱাত দিহা-পৰামৰ্শ দিয়াৰ বাবে অধ্যক্ষ মহোদয় শ্ৰীযুত মহেন্দ্ৰ আহোম চাৰ আৰু বিভাগীয় তত্বাবধায়ক শ্ৰীযুত দুলাল চন্দ্ৰ দত্ত চাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোৰ এই এবছৰীয়া কাৰ্য্যকালৰ সময়ত সকলো ফালৰ পৰা সহায় সহযোগ আগবঢ়োৱা বাবে মৰমৰ বন্ধু আৰু বান্ধৱী সকল হ'ল শ্ৰীৰাজু দেউৰী, মৃণাল গগৈ, বজীৰ আহমেদ, শ্ৰীমতী তিলেশ্বৰী দলৈ, তুলিকা সেনাপতি, পল্লৱী বৰঠাকুৰ আৰু ৰীতা ডেকালৈ লগতে "ৰাষ্ট্ৰীয় সেৱা" আঁচনি ( N. S. S. ) ৰ সমুহ সদস্য তথা তত্বাবধায়ক শ্ৰীযুত হেম চুতীয়া চাৰলৈকো আন্তৰিকতাৰে শলাগ লৈছো।

মোৰ এই দিশত বিশেষ অভিজ্ঞতা নাছিল যদিও বিভিন্ন জনৰ পৰা পৰামৰ্শ লৈ কামত আগবাঢ়িছিলো আৰু নতুন অভিজ্ঞতাও পাই-ছিলো। মোৰ কাৰ্য্যকালৰ সময় ছোৱাত বহুতো ভুল হৈছিল তাৰবাবে মই সকলোৰে ওচৰত ক্ষমা মাগিছো।

সদৌ শেষত জাগীৰোড মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনাৰে মই মোৰ প্ৰতিবেদন সামৰিলো।

"জয় আই অসম"

চিৰ সেউজ হওঁক জাগীৰোড মহাবিদ্যালয়

জয়তু জাগীৰোড মহাবিদ্যালয়ৰ

"ছাত্ৰ একতা সভা"। ●

ভাতৃৰ দৰে মিলি-জুলি থাকিবা, নহলে মূৰ্খৰ দৰে বিনাশ প্ৰাপ্ত হবা।

—মাৰ্টিন লুথাৰ

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

—মহেশ্বৰ বসুমতাৰী

জাগীৰোড মহাবিদ্যালয় "ছাত্ৰ একতা সভাৰ" সাংস্কৃতিক সম্পাদকৰ দায়িত্বপূৰ্ণ পদবীটো মোক অৰ্পণ কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

**মোৰ কাৰ্য্যকালত হোৱা অনুষ্ঠান সমূহ ঃ**

**আদৰণী ঃ** প্ৰত্যেক বছৰে আমাৰ মহাবিদ্যালয়লৈ অহা নতুন ছাত্ৰ-ছাত্ৰী সকলক সম্বৰ্দ্ধনা জনোৱাৰ উদ্দেশ্যে "নৱাগত আদৰণী সভা পতা হয়। মোৰ কাৰ্য্যকালত যোৱা ইং ২২/১০/৯০ আৰু ৩/১০/৯১ তাৰিখে "নৱাগত আদৰণী" সভা অনুষ্ঠিত কৰা হয়। সেই দিনাই সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু "সুৰ দেউল"ৰ ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন গীত আৰু নৃত্য পৰিবেশন কৰে।

**মহাবিদ্যালয় সপ্তাহ ঃ** জাগীৰোড মহাবিদ্যালয় ছাত্ৰ 'একতা সভা'ৰ সৌজন্যত যোৱা ইং ৫ / ১২ / ৯০ তাৰিখৰ পৰা ৭ / ১২ / ৯০ তাৰিখলৈকে বিভিন্ন খেল ধেমালী আৰু সঙ্গীত প্ৰতিযোগিতাৰে "মহাবিদ্যালয় সপ্তাহ" অনুষ্ঠিত কৰা হয়। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন প্ৰতিযোগিতাৰ ক্ষেত্ৰত আগ্ৰহ নাই। এইবাৰ একাংকীকা নাট প্ৰতিযোগিতাত প্ৰতিযোগীৰ অভাৱত অনুষ্ঠিত কৰা নহল। এই বছৰ শ্ৰেষ্ঠ গায়ক, গায়িকা হিচাপে কাকো নিৰ্ব্বাচিত কৰা নহল। প্ৰতিয়োগিতাৰ বিজয়ী প্ৰতিযোগী সকলক শেষৰ দিনা বঁটা বিতৰণী সভাৰ জৰিয়তে একোখনকৈ কিতাপ আৰু মান পত্ৰৰে সন্মানিত কৰা হয়। মুকলি সভাৰ দিনাই বঁটা বিতৰণ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক মাননীয় শ্ৰীযুত দীনেশ বৰুৱাদেৱে। বঁটা বিতৰণী সভাৰ দিনাই সন্ধিয়া ৬-০০ বজাৰ পৰা এখন সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হয়।

**আলোচনা চক্ৰ ঃ** জাগীৰোড মহাবিদ্যালয় ভূগোল বিজ্ঞান সমাজৰ সৌজন্যত ১/২/৯১ আৰু ২/২/৯১ তাৰিখে আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। **বিষয় ঃ** "মধ্য প্ৰাচ্যৰ ভূ-ৰাজনীতি আৰু ভাৰতত ইয়াৰ প্ৰভাৱ" এই বিষয়ে বক্তৃতা দিয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক মহম্মদ তাহেৰদেৱে। ২৭/২/৯১ তাৰিখৰ পৰা ২/৩/৯১ তাৰিখলৈকে মহাবিদ্যা-

লয়ৰ ভূগোল বিজ্ঞান বিভাগৰ সৌজন্যত "ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস" পালন কৰা হয়। মুখ্য অতিথি হিচাপে বক্তৃতা দিয়ে কটন কলেজৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক ডঃ কুলেন্দু পাঠকদেৱে আৰু ২৮/৮/৯১ তাৰিখে অৰ্থনীতি বিভাগৰ দ্বাৰা '১৯৯১/৯২ চনৰ কেন্দ্ৰীয় বাজেটৰ' ওপৰত এখন আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। মুখ্য অতিথি হিচাপে বক্তৃতা দিয়ে দিলীপ কুমাৰ বৰুৱা; প্ৰভাস চন্দ্ৰ গোস্বামী আৰু মাধুৰ্য্য প্ৰসাদ বেজবৰুৱাদেৱে।

**অভাৱ পূৰণ :** আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ কেইটিমান অত্যাৱশ্যকীয় অভাৱ পূৰণৰ দাবীত "মহাবিদ্যালয় ছাত্ৰ একতা সভাই" কিছুমান দাবী কৰ্তৃপক্ষৰ ওচৰত উত্থাপিত কৰে। দাবী সমূহৰ ভিতৰত ছাত্ৰ-ছাত্ৰীৰ জিৰণী কোঠা, চাইকেল ষ্টেণ্ড আৰু বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা ইত্যাদি প্ৰধান। আশা কৰোঁ কলেজ কৰ্তৃপক্ষই এই অভাৱ কেইটি দূৰ কৰাৰ বাবে তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিব।

**তিথি পালন :** আন আন বছৰৰ দৰে এইবাৰো সৰস্বতী পূজা ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলৰ সহযোগত দিন জোৰা কাৰ্য্যসূচীৰে সমাপন কৰা হয়। মহাপুৰুষ শ্ৰীশ্ৰীশংকৰ দেৱৰ তিথি উপলক্ষে মহাবিদ্যালয়ত বৰগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। দ্বিতীয় বিজয়ী অঞ্জুমণি দেৱী আৰু বিশেষ বঁটা লাভ কৰে কল্পনা ডেকা আৰু জুৰি বৰাই।

**কৃতজ্ঞতা স্বীকাৰ :** মোৰ বিভিন্ন কামত উপদেশ আৰু উৎসাহ দি সহায় কৰা বাবে বিদ্যালয়ৰ অধ্যক্ষ আৰু যি সকল অধ্যাপক অধ্যাপিকাৰ ওচৰত কৃতজ্ঞ তেখেত সকল হ'ল অধ্যক্ষ মহেন্দ্ৰ আহোম, অধ্যাপক পবন গগৈ, পল্লৱ গোস্বামী, খগেন শৰ্ম্মা, মুনীন তহবিলদাৰ আৰু অধ্যাপিকা মলয়া গোস্বামী। সংগীত প্ৰতিযোগিতাত বিচাৰক হিচাপে সহায় কৰাৰ বাবে সুব দেউলৰ শিক্ষক লাচিত কাঠাৰ আৰু শিক্ষয়িত্ৰী প্ৰণিতা বৰুৱা, তেখেত সকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

যি সকল ছাত্ৰ-ছাত্ৰীৰ ওচৰত কৃতজ্ঞ তেওঁলোক হ'ল লালবাহাদুৰ বাজভৰ, নিৰেশ ৰাহাং, জিত্ৰ ডেকা, অজিত কুমাৰ পাটৰ, বুদ্ধেশ্বৰ বৰদলৈ, মহনোৰ আলী, পংকজ কুমাৰ বৰা, পপী বৰা, অনুভা দলৈ, আলিমা বেগম আৰু জ্যোৎস্নাৰা বেগম ইত্যাদি।

সদৌ শেষত মহাবিদ্যালয়ৰ উন্নতিৰ কামনাৰে মোৰ বিভাগীয় প্ৰতিবেদন সামৰিলোঁ। □

# বাৰ্ষিক ক্ৰীড়া প্ৰতিযোগিতাৰ ফলাফল
## ১৯৯০-৯১

ল'ৰা—

১০০ মিটাৰ দৌৰ—

প্ৰথম- প্ৰদীপ দাস ।
( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

দ্বিতীয়- মধু শৰ্ম্মা ।
( উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক কলা )

তৃতীয়- কৃষ্ণকান্ত বৰা ।
( স্নাতক ১ম বাৰ্ষিক কলা )

২০০ মিটাৰ দৌৰ—

প্ৰথম- কাৰ্ত্তিক দে ।
( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

দ্বিতীয়- মধু শৰ্ম্মা ।
( উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক কলা )

তৃতীয়- ৰুহিণী ডেকা ।
( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

৪০০ মিটাৰ দৌৰ—

প্ৰথম- পবিত্ৰ বৰদলৈ ।
( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

দ্বিতীয়- মধু শৰ্ম্মা ।
( উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক কলা )

তৃতীয়- হিতেশ বৈশ্য ।
( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

৮০০ মিটাৰ দৌৰ—

প্ৰথম- কৃষ্ণকান্ত বৰা ।
( স্নাতক ১ম বাৰ্ষিক কলা )

দ্বিতীয়- চৈয়দ কৰিমুল্লা আহমেদ ।
( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

তৃতীয়- পবিত্ৰ বৰদলৈ ।
( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

১৫০০- মিটাৰ দৌৰ—

প্ৰথম- ভবেন চন্দ্ৰ পাতৰ ।
( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

দ্বিতীয়- মঃ আবদুৰ চৌধুৰী ।
( স্নাতক ১ম বাৰ্ষিক কলা )

তৃতীয়- কৃষ্ণকান্ত বৰা ।
( স্নাতক ১ম বাৰ্ষিক কলা )

চতুৰ্থ- কাৰ্ত্তিক দে ।
( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

৫০০০ মিটাৰ দৌৰ—

প্ৰথম- ভবেন চন্দ্ৰ পাতৰ।
( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

দ্বিতীয়- পবিত্ৰ বৰদলৈ।
( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

তৃতীয়- গণেশ প্ৰধান।
( স্নাতক ২য় বাৰ্ষিক বিজ্ঞান )

চতুৰ্থ- প্ৰবীন
( স্নাতক ২য় বাৰ্ষিক কলা )

পঞ্চম- কৃষ্ণকান্ত ৰবা।
( স্নাতক ১ম বাৰ্ষিক কলা )

ষষ্ঠ- ৰাজকুমাৰ কলিতা।
( স্নাতক ২য় বাৰ্ষিক কলা )

সপ্তম- অনিল পাঠক।
( স্নাতক ৩য় বাৰ্ষিক কলা )

অষ্টম- কৈলাশ পাতৰ।
( স্নাতক ২য় বাৰ্ষিক কলা )

নৱম- প্ৰকাশ লামা।
( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

ওৱেত থ্ৰ—

প্ৰথম- পূৰ্ণাকণ বড়ো।
( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

দ্বিতীয়- হেমকান্ত বৰদলৈ।
( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

তৃতীয়- ৰোহিণী ডেকা।
( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

ছোৱালী—

১০০ মিটাৰ দৌৰ—

প্ৰথম- কল্পনা ডেকা।
( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

দ্বিতীয়- কল্পনা দাস।
( উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক কলা )

তৃতীয়- পদুমী ডেকা।
( উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক কলা )

২০০ মিটাৰ দৌৰ—

প্ৰথম- পদুমী ডেকা।
( উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক কলা )

দ্বিতীয়- কল্পনা ডেকা।
( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

তৃতীয়- কল্পনা দাস।
( উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক কলা )

৪০০ মিটাৰ দৌৰ—

প্ৰথম- অকণী টেৰণ।
( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

দ্বিতীয়- ৰোপালী শইকীয়া।
( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

ডিচ্‌কাচ থ্ৰ—

প্ৰথম- পদুমী ডেকা।
( উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক কলা )

দ্বিতীয়- প্ৰণিতা দলৈ।
( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

তৃতীয়- নিৰুপমা ডেকা।
( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

গুৱেত থ্ৰ--

প্ৰথম- দিপ্তী পাতৰ ।

( উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক কলা )

দ্বিতীয়- পতুমী ডেকা ।

( উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক কলা )

তৃতীয়- অকণি টেৰণ ।

( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

জেভলিণ থ্ৰ—

প্ৰথম- পতুমী ডেকা ।

( উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক কলা )

দ্বিতীয়- তৰামাই দাস ।

( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

তৃতীয়- দিপালী দেউৰী ।

( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

## সাংস্কৃতিক বিভাগৰ ফলাফলসমূহ ঃ

ভজন—

প্ৰথম- নৰ বৰা ।

( উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক কলা )

দ্বিতীয়- মণিষা গোস্বামী ।

( স্নাতক ১ম বাৰ্ষিক কলা )

লোকগীত—

প্ৰথম- নৰ বৰা ।

( উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক কলা )

দ্বিতীয়- কল্পনা ডেকা ।

( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

বনগীত—

প্ৰথম- কল্পনা ডেকা ।

( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

দ্বিতীয়- মণিষা গোস্বামী ।

( স্নাতক ১ম বাৰ্ষিক কলা )

পাৰ্বতি প্ৰসাদ বৰুৱাৰ গীত—

দ্বিতীয়- নৰ বৰা ।

( উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক কলা )

আধুনিক গীত—

প্ৰথম- মণিষা গোস্বামী ।

( স্নাতক ১ম বাৰ্ষিক কলা )

দ্বিতীয়- অঞ্জুমণি শইকীয়া ।

( উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক কলা )

তৃতীয়- নৰ বৰা ।

( উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক কলা )

ৰবীন্দ্ৰ সংগীত—

নিচুকনি বঁটা- ডলি চৰকাৰ ।

( স্নাতক ৩য় বাৰ্ষিক বিজ্ঞান )

কৌতুক অভিনয়—

নিচুকনি বঁটা- বসন্ত বৰা ।

( স্নাতক ২য় বাৰ্ষিক কলা )

ভেশচন—

প্ৰথম- পঙ্কজ কুমাৰ বৰা ।

( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

দ্বিতীয়- দেবেন কলিতা ।

( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )

তৃতীয়- বসন্ত বৰা

আৰু বুলু হাজৰিকা ।

## সাহিত্য প্ৰতিযোগিতা :

থিতাতে লিখা কবিতা প্ৰতিযোগিতা—
( অসমীয়া বিভাগ )

প্ৰথম পুৰস্কাৰ লাভ কৰে-
শ্ৰীকন্দৰ্প কুমাৰ শইকীয়া ।
( স্নাতক ১ম বাৰ্ষিক কলা )
কবিতাৰ নাম- ‘ শতিকাৰ সন্ধানত”

দ্বিতীয় পুৰস্কাৰ লাভ কৰে-
শ্ৰীপ্ৰেমানন্দ ডেকা ।
(উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক বিজ্ঞান)
কবিতাৰ নাম- “মোৰ কবিতাৰে”

তৃতীয় পুৰস্কাৰ লাভ কৰে-
শ্ৰীৰাজকুমাৰ কলিতা ।
( স্নাতক ২য় বাৰ্ষিক কলা )
কবিতাৰ নাম- “ইতিহাস”

থিতাতে লিখা কৰিতা প্ৰতিযোগিতা—
( ইংৰাজী বিভাগ )

নিচুকনি পুৰস্কাৰ লাভ কৰে
শ্ৰীনয়ন মণি ডেকা ।
( উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা )
কবিতাৰ নাম- “Human Behaviour of Modern World”

স্বৰচিত কবিতা—

উদগনি পুৰস্কাৰ লাভ কৰে-
শ্ৰী প্ৰণৱ জ্যোতি ভূঞা ।
( স্নাতক ১ম বাৰ্ষিক কলা )

আকস্মিক বক্তৃতা প্ৰতিযোগিতা—

উদগনি পুৰস্কাৰ লাভ কৰে-
শ্ৰীবসন্ত বৰা ।
( স্নাতক ২য় বাৰ্ষিক বিজ্ঞান )

কুইজ প্ৰতিযোগিতা—

প্ৰথম পুৰস্কাৰ লাভ কৰে-
শ্ৰীসজল চক্ৰৱৰ্তী ।
( উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক কলা )
শ্ৰীতপন চৌধাৰী ।
(উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক বিজ্ঞান)
শ্ৰীঅজয় দেৱ ।
( উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক কলা )

দ্বিতীয় পুৰস্কাৰ লাভ কৰে-
শ্ৰীগুণেশ্বৰ বহাং ।
(উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক বিজ্ঞান)
শ্ৰীকিশোৰ দত্ত ।
(উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক বিজ্ঞান)
শ্ৰীনয়ন মণি ডেকা ।
(উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক বিজ্ঞান)

তৃতীয় পুৰস্কাৰ লাভ কৰে-
শ্ৰীবিৰাজ বৈশ্য ।
(স্নাতক ২য় বাৰ্ষিক বিজ্ঞান)
শ্ৰীমাইনু ডেকা ।
(স্নাতক ২য় বাৰ্ষিক বিজ্ঞান)
শ্ৰীবুলু হাজৰিকা ।
(স্নাতক ২য় বাৰ্ষিক বিজ্ঞান)

কবিতা আবৃত্তি—
( অসমীয়া বিভাগ )

প্ৰথম পুৰস্কাৰ লাভ কৰে-
শ্ৰীমতী লভিতা শৰ্ম্মা ।
(উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক বিজ্ঞান)

দ্বিতীয় পুৰস্কাৰ লাভ কৰে-
শ্ৰীমণিৰাম বৰদলৈ ।
( স্নাতক ২য় বাৰ্ষিক কলা )